ডিচেম্বৰ 2012 ■ ₹ 25/-

চান্দমামা

Mumbai Edition

180 TRADING CARDS TO COLLECT
ANGRY BIRDS™
FOR THE FIRST TIME IN ASIA.
BY ROVIO ENTERTAINMENT LTD.
UNDER LICENSE BY E-MAX
ROVIO
ANGRY BIRDS IS A TRADEMARK OF ROVIO ENTERTAINMENT LTD. COPYRIGHT 2009-2012 ROVIO ENTERTAINMENT LTD. ALL RIGHTS RESERVED.
ANGRY BIRDS™
BY ROVIO ENTERTAINMENT LTD.
TRADING CARD COLLECTOR'S ALBUM
ANGRY BIRDS™
TRADING CARDS

ANGRY BIRDS™ TRADING CARDS

- Buy an Angry Birds Trading Card Pack and find a unique code inside.
- **SMS CARDS followed by the 7 digit code to 58558** (eg. CARDS 1234567 to 58558).
- EVERYDAY stand a chance to win either Sony PSPs, Samsung Mobile Phones or Micromax Funbooks.
- Also, get a chance to win a mega prize of 1 Apple iPad at the end of the contest.

Buy more to increase your chances of winning!
Contest Dates: 1st December - 30th December 2012.
Terms and Conditions apply.
For details log on to www.parksonsgames.com/abtradingcards
Like us on Facebook : facebook.com/abtradingcards and follow us on twitter : twitter.com/abtradingcards

WIN EVERYDAY

Sony PSP

Samsung Mobile Phone

Micromax Funbook

MEGA PRIZE

Apple iPad

Winner names to be declared on the website everyday.

PARKSONS Cartamundi
A heart for cards

SUPER DISTRIBUTORS: MUMBAI Olympia Games & Toys Pvt. Ltd. – 9820019758 • **PUNE** Renuka Agencies – 9371021821
AHMEDABAD Kinjal Enterprises – 9898922244 • **BANGALORE** K. H. Associates – 9845987757 • **DELHI** Ankit Marketing – 9810207707
INDORE Trade Today Marketing Pvt. Ltd. – 9303305959 • **HYDERABAD** Bishan Enterprises – 9248123311
CHENNAI Kit Kat Marketing – 9444258138

For Trade Enquiries:* *Mr. Rajesh Vyas +91 8879034007

Manufactured & Distributed by: **PARKSONS CARTAMUNDI PVT. LTD.** 13/11, Shakti Industrial Estate, Ringanwada, Nani Daman, Daman - 396210 (U.T.), INDIA. Customer Care No: 0260-2240685. Email: info@parksonsgames.com

PARLE
Ask your retailer
FREE
SLAM ATTAX
TRADING CARD GAME
With FullToss
Karaare Masala Sticks
পাওক
1 খন গ'ল্ড বা 1 খন চিলভাৰ
কাৰ্ড 10 টকা **
আৰু 20 টকাৰ ** পেকৰ সৈতে।
₹20/-**
₹10/-**
₹5/-*
New Improved FullToss Karaare Masala Sticks Tomato
New Improved FullToss Karaare Masala Sticks Masala Kachori
New Improved FullToss Masala Munch
আপোনাৰ নিজা চুপাৰষ্টাৰ ক্লাব গঢ়িবলৈ
গোটাওক 20 খনতকৈ অধিক কাৰ্ড।
SMS কন্টেষ্ট
পুনৰ এটা সুযোগ কিছুমান আকৰ্ষণীয় পুৰস্কাৰ পাবলৈ।
খেল অব্যাহত হৈ ৰৈছে.....কিন্তু ৰিঙৰ বাহিৰত !
এই সহজ প্ৰশ্নটোৰ উত্তৰ দিয়ক আৰু আপুনি হয়তো পাব হাই-টেক গেজেট !
প্ৰশ্ন ঃ পাৰ্লে ফুলটছ্ পোৱা যায়......টা ভিন্ন ফ্লেভাৰত।
A.3 B.6 C.10
SMS কৰক FULLTOSS<SPACE>A/B/C 53636-লৈ
লগতে জিকি নিবলৈ আছে 5000 টা আকৰ্ষণীয় নিচুকনি বঁটা!
1ম পুৰস্কাৰ
2য় পুৰস্কাৰ
3য় পুৰস্কাৰ
*Winners will be chosen through a lucky draw of all correct entries. Premium SMS charges apply upto Rs.3 per SMS. Parle may at anytime, at its discretion, change the prizes mentioned above without prior notice and the prizes are not transferable or encashable.
Last date for SMS entries is 31st December 2012 at 12.00 p.m. For terms and conditions please visit our website: www.parlefulltoss.com
For details, please visit www.parlefulltoss.com
Offer valid till stocks last. Stock also available without this offer.
MRP (Incl Of All Taxes):-
Rs. 5/- (Net Wt 21g), Rs. 10/- (Net Wt 45g), Rs. 20/- (Net Wt 95g).
© 2012 WWE All Rights Reserved.
© Topps Europe Limited 2008.
* Available with every Rs. 5/- pack of Parle FullToss.
** Available with every Rs. 10/- & Rs. 20/- pack of Parle FullToss.
*Conditions apply
everest/PB/763-12 asm

murugappa
BSA LADYBIRD
Your best friend for life.
SELECTED
Superbrand
INDIA 2011/12
Consumer Validated
BSA LADYBIRD
Breeze
Ride like a wild Breeze
When there's a Breeze around, every day looks even more exciting. The dashingly designed cycle is your perfect partner for the daily getaways and weekend adventures. Ride the joy.
Attractive Product Benefits: Designer Step Through Frame
Attractive Wire Mesh Basket | MTB Tyres | Stylish Chain Cover
Designer Skirt Guard | Strong Integrated Carrier
Available in four colours
Black
Coral Red
Aqua Green
Steel Blue
LadybirdBSA | YouTube bsahercules | www.bsahercules.com | Customer care no : 18001022324 (Toll Free)

December 2012 ₹25/-
Founded by B. Nagi Reddi and Chakrapani

Editor, Publisher:
Prashant Sharad Mulekar
Associate Editor:
R. Vaasugi
Sub Editor:
Patricia Pandian
Senior Artists:
K.C. Sivasankaran (Sankar), Gandhi Ayya, P. Mahesh, Sandeep Solkar
Layout Designers:
N. Sivakumar, B. Thirumal
Production In-charge:
Prashant Pawar
Circulation:
circulation@chandamama.com
Assistant Managers: Sales & Circulation
Rajendra K. Jadhav
Subhankar Rej
Sales Officer - Circulation:
K. Ravishankar
Advertisement:
Prashant Pawar
prashant.p@chandamama.com
9833931010
Subscription:
subscription@chandamama.com
Customer Help:
Ph: 022 40786043
Head Office:
CHANDAMAMA INDIA LTD.,
P.O.Box No:19407, Mumbai-400093
Phone +91 22 28312872 / 28311849
Email :
chandamama@chandamama.com
Website : www.chandamama.com

Published, Printed and Owned by CHANDAMAMA INDIA LTD.,
Published and Printed on their behalf by Prashant Sharad Mulekar
Published At : B-3, Lunic Industries, "B" Cross Road, Opp.SBI, MIDC, Andheri (E), Mumbai - 400 093.
Printed At : Mothers Graphics (I) Pvt. Ltd., 91D, Govt. Ind. Estate, Charkop, Kandivali (W), Mumbai - 400 067.
Editor : Prashant Sharad Mulekar

এই সংখ্যাত আছে

চান্দমামা

Volume-3 December 2012 Issue-12

- পাঠকৰ পত্ৰ ...০৮
- মৌৰ টোপালে অনা বিপদ ...১০
- মোৰ স্মৃতি ...১১
- ৰত্নমালা ...১৩
- ৰাজকুমাৰীৰ ৰোষত পৰা সেই বিষয়াজন ...১৯
- ভাল সদায়েই ভাল বেয়া সদায়েই বেয়া ...২২
- মিত্ৰ লাভ - ৫ ...২৬
- হীৰাৰ হাৰ ...২৯
- পেটৰ পুত্ৰ নহ'ল তাতে কি হ'ল ...৩২
- গোল পাথৰৰ কাহিনী ...৩৪
- বেপাৰৰ কৌশল ...৩৭
- পিছচোতালৰ গছপুলি ...৪১
- আগ্ৰহ ...৪৫
- শিশুৰ গাত থকা ভগৱান ...৪৬
- যুৱৰাজৰ বিদ্যাৰম্ভ ...৫০
- চহকী কোন ...৫৪
- মাকৰ মমতা ...৫৬
- শিথিলালয়-৩৩ ...৫৭
- যদি তেনে হ'লহেঁতেন ...৬৫
- মাতৃ-স্নেহ ...৬৬
- শূৰবীৰ ভয়ংকৰ ...৬৮
- শান্তি ৰহস্য ...৬৯
- সময়োচিত বোধ ...৭২
- চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৪৭ ...৭৪
- মই কি হ'ব পাৰো ? ...৭৫
- উদীয়মান তাৰকা ...৭৬
- কৌতুক ...৭৭
- কথাৰ মালিহা ...৭৮
- ভাৰত দৰ্শন ...৮০
- বীৰবল ...৮২
- গুঞ্জনৰ বাকচ ...৮৪

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

7-12-2012

বিদায় আৰু স্বাগতম

২০১২ চন শেষ হৈ অহাৰ লগে লগে পৃথিৱী ধ্বংস হোৱাৰ সম্পৰ্কে কৰা ভৱিষ্যত বাণীবিলাকো লাহে লাহে পাহৰণিৰ গৰ্ভত হেৰাই যাবলৈ আৰম্ভ কৰিছে। কিন্তু একে সময়তে আমি যোৱাটো বছৰে বিশ্বজুৰি সংঘটিত হোৱা প্ৰকৃতিৰ ধ্বংসাত্মক কাৰ্যকলাপ প্ৰতক্ষ্য কৰিলো। সেইবিলাক ধ্বংসাত্মক কাৰ্যকলাপৰ ফলত বহু জন-ধন হানি হ'ল।

যোৱা এটা বছৰ ধৰি সমগ্ৰ বিশ্ব নানা ধৰণৰ সমস্যাৰ সন্মুখীন হৈছে। সেইবিলাক হ'ল প্ৰাকৃতিক, অৰ্থনৈতিক, আৰু মানুহৰ দ্বাৰা সৃষ্ট সমস্যা। কোনো কোনো সময়ত আমি সেইবিলাকৰ দ্বাৰা বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হৈছো। কিন্তু এইবিলাক সমস্যাৰ ফলত আমাৰ এটা লাভ হৈছে, সেয়া হ'ল- আমি অধিক দৃঢ় হৈ পৰিছো আৰু ভৱিষ্যতে অধিক কঠিন সমস্যাৰ সন্মুখীন হোৱাত সুবিধা হব। কিয়নো আমি সকলোৱেই এই কথা জানো যে অন্ধকাৰৰ পিছত পোহৰৰ আগমণ নিশ্চিত।

এই সমস্যা জৰ্জৰ সময়ে শিশুৰ মনত প্ৰভাৱ পেলায় আৰু সামাজিক দায়বদ্ধতাৰ শিক্ষা প্ৰদান কৰে। শিশুৰ এনে পৰিৱৰ্তনে পিতৃ-মাতৃক প্ৰায়ে আচৰিত কৰি তোলে। কিবা বস্তু বিচাৰি আব্দাৰ কৰাৰ আগতে শিশুৱে সেই বস্তুৰ ভাল বেয়া দুয়োটা দিশ ভালদৰে বিচাৰ কৰি চাবলৈ আৰম্ভ কৰে। তেওঁলোকে পিতৃ-মাতৃক নানা ধৰণৰ কামত সহায় কৰিবলৈ আৰম্ভ কৰে।

আমি আমাৰ সকলো ঋণাত্মক স্মৃতি পাহৰি পৰিয়াল, সমাজৰ বাবে কাম কৰাৰ নতুন আশা লৈ নতুন বছৰক স্বাগতম জনোৱা উচিত।

— সম্পাদক

Gautam Goswami
P.O. Patacharkuchi
Dist - Barpeta (Assam)
781326
9954215194

A

পাঠকৰ পত্ৰ

মহাত্মাৰ স্মৃতিৰ ওপৰত লিখা সম্পাদকীয়টো বৰ সুন্দৰ হৈছে। আমি চান্দমামাই উদীয়মান প্ৰতিভাসকলৰ বিষয়ে নিয়মিত লিখা প্ৰকাশ কৰি থকাত সুখী। এনে প্ৰচেষ্টাই বহু শিশুৰ সুপ্ত প্ৰতিভা বাহিৰলৈ উলিয়াই অনাত সহায় কৰিব। প্ৰাপ্তবয়স্কসকলৰ দ্বাৰা ৰচিত 'মোৰ স্মৃতি' বেছ প্ৰেৰণাদায়ক আৰু সিবিলাকে চান্দমামাৰ লগত থকা তেওঁলোকৰ সুখী সম্পৰ্কৰ কথাকেই প্ৰতিফলিত কৰে। অলপতে প্ৰকাশিত 'ভাল পিতৃ' কাহিনীটো পঢ়ি বেছ ভাল লাগিল। বিক্ৰম-বেতাল আৰু পঞ্চতন্ত্ৰৰ কাহিনীও বেচ জুতিলগা। বীৰবলৰ কাহিনীৰ ক্ষেত্ৰটো একে কথাই কব পাৰি।

– পুলিজালা হাৰ্ডিক, হায়দৰাবাদ

মই চান্দমামাৰ এক নিয়মীয়া পাঠক। মই যোৱা দহ বছৰে নিয়মিতভাৱে চান্দমামা পঢ়ি আহিছো। মই দেখা পাইছো যে সময়ে সময়ে চান্দমামাত নানা ধৰণৰ সালসলনি কৰা হৈছে। তথাপিও এটা কথা স্বীকাৰ কৰিবই লাগিব যে সম্পাদকীয় গোট পাঠকক সুখী কৰি ৰাখিবলৈ সক্ষম। সেইবাবেই চান্দমামাক দেশৰ নানা ঠাইৰ পাঠকে ভাল পায়। মই চান্দমামাৰ যোগেদি কেইবাটাও ভাষা শিকি পেলালো। চান্দমামাৰ সম্পাদকীয় গোট আৰু চিত্ৰকৰ শংকৰ, সীতাৰামকে ধৰি আনসকললৈ হিয়াভৰা ধন্যৱাদ।

– ৰাজেশ ঝা, হাৰিয়ানা

চান্দমামাত প্ৰকাশিত কৰা সাধাৰণ জ্ঞান প্ৰতিযোগিতা বৰ উপযোগী। সিবিলাকে শিশুক নানা ধৰণৰ খবৰ আৰু তথ্য প্ৰদান কৰে। কিন্তু এই কথা মই লক্ষ্য কৰিছো যে এই শিতানত প্ৰকাশিত কিছুমান প্ৰশ্ন স্পষ্ট নহয় আৰু সিবিলাকে শিশুৰ মনত দোধোৰ মোধোৰ অৱস্থাৰ সৃষ্টি কৰে। মই ভাৱো যে প্ৰশ্নবিলাক সহজতে বুজিব পৰা হব লাগে যাতে শিশু দোধোৰ-মোধোৰত নপৰে। মই অনুৰোধ কৰো যে অস্পষ্ট প্ৰশ্ন প্ৰকাশ কৰাটো যিমান কৰি কম কৰিব লাগে। আৰু লগতে এইটোও নিশ্চিত কৰিব লাগে যে কোনো প্ৰশ্নৰ ভুল উত্তৰ প্ৰকাশিত কৰা নহয়। মই এই কথা লিখাৰ একমাত্ৰ লক্ষ্য এয়ে যে এনে সীমাবদ্ধতা আতৰ কৰি চান্দমামা সাধাৰণ জ্ঞান প্ৰতিযোগিতা আৰু অধিক কাৰ্যক্ষম কৰি তোলা।

– এম কে বালশংকৰ, কুজিথুৰাই

আপোনাৰ পৰামৰ্শৰ বাবে ধন্যবাদ আৰু আমি এইবিষয়ৰ ওপৰত সকলো সময়তে মনোযোগ দিম।

– সম্পাদক

Log onto www.chandamama.com
YOUR CHANDAMAMA IS AVAILABLE IN MANY
AVATARS!
Junior Chandamama
(4+ age group):
A magazine for the little ones peppered with activities, pictures, and stories that will grip their imagination!
Junior Chandamama
₹ 20/-
Regional Chandamama
Read your favourite stories in your own language! Chandamama takes you closer home even as your imagination soars!
Chandamama
చందమామ
चांदोबा
चन्दामामा
₹ 30/-
Chandamama English
(9+ age group)
A children's magazine that has adapted itself to the changing needs of children across decades, Chandamama English offers you a delectable mix of the classic and the contemporary in 70 pages that value fun!
Revamped
Redesigned
Relevant
Read it!
₹ 25/-
YOUR LANGUAGE, YOUR CHANDAMAMA.
Available in 11 languages:
Telugu, Hindi, Marathi, Oriya, Kannada, Bengali, Tamil, Malayalam, Gujarati, Assamese, Sanskrit.

মৌৰ টোপালে অনা বিপদ

প্ৰতিষ্ঠান নগৰৰ এজন পথিকে মূৰৰ ওপৰত মৌৰ এটা কলহ লৈ ঘূৰি ফুৰিছিল। তেওঁৰ অসাৱধানতাৰ কাৰণে সেই কলহটো মাটিত পৰি থাকিল। মৌৰ টোপাল চুহিবলৈ তৎক্ষণাৎ তাত আহি এটা মৌ মাখি পৰিলহি। মৌমাখিটো গিলিবলৈ তালৈ আহিল এটা মকৰা। মকৰাটো খাবলৈ আহিল এটা জেঠী। জেঠীটো খাবলৈ আহিল আকৌ এটা মেকুৰী। তেনেতে এটা কুকুৰ লগত লৈ তালৈ আহিল এজন সৈনিক। কুকুৰটো মেকুৰীৰ ওপৰত জঁপিয়াই পৰিল। মেকুৰীটো আছিল এজন বেপাৰীৰ পোহনীয়া মেকুৰী। সেই বেপাৰীজন আহি কুকুৰটোক কোবাবলৈ ধৰিলে। বেপাৰীজনৰ মূৰ কাটি পেঁলাও বুলি সৈনিকে তৰোৱাল উলিয়াই ল'লে।

সেই সময়তে মকৰাটোৱে মৌমাখিটো ভক্ষণ কৰিলে। তাৰপাছত মকৰাক খালে জেঠীয়ে আৰু জেঠীটোক খালে মেকুৰীটোৱে। কুকুৰটোৱে মেকুৰীৰ ডিঙিতে কামুৰিলে। বেপাৰীয়ে লঠীৰে কোবাই কুকুৰটো মাৰিলে। সৈনিকে বেপাৰীৰ শিৰচ্ছেদ কৰিলে। জনতাই সৈনিকজনক ঘেৰি ধৰিলে। অশান্ত জনতাক নিয়ন্ত্ৰণ কৰিবলৈ ৰজাই তালৈ সেনা পঠিয়াব খুজিলে।

তেতিয়া মহামন্ত্ৰীয়ে ৰজাক বুজালে, ‘‘মহাৰাজ, যিটো হোৱা উচিত আছিল সেইটো হৈ গ'ল। মৌ খাবলৈ মৌমাখি অহা, মকৰাই মৌমাখি ভক্ষণ কৰা, জেঠীয়ে মকৰাটো খোৱা আৰু জেঠীটো মেকুৰীয়ে ধৰি খাই পেলোৱা এই আটাইবোৰ প্ৰকৃতিৰ নিয়ম। কিন্তু বেপাৰী আৰু সৈনিকৰ ব্যৱহাৰ অপ্ৰাকৃতিক। যিহেতু সেই বেপাৰীজন সৎ আছিল, সেয়েহে ৰাইজে দুখতে সৈনিকজনক ঘেৰি ধৰিলে। এতিয়া আপোনাৰো নিজৰ ওপৰত নিয়ন্ত্ৰণ নাই, জনতাক দণ্ড দিবলৈ আঁকোৰগোজ হৈছে, ই আপোনাৰ প্ৰকৃতি নহয়। অতি বেছি ক্ৰোধে মানুহক দানৱ কৰি তোলে। তেতিয়া তেওঁ আৱেগৰ বশবৰ্ত্তী হৈ যিকোনো কাম কৰে যাৰ পৰিণাম অতি বেয়া হয়।’’

বিজ্ঞ মন্ত্ৰীৰ কথাখিনি ৰজাই ভালকৈ বুজি পালে। ইয়াৰ ফলত যি বিনাশ হোৱাৰ সম্ভাৱনা আছিল, সি নোহোৱা হ'ল।

–ঋষভ বসুভাগৰ পঞ্চতন্ত্ৰৰ কাহিনীৰ আলম লৈ

মোৰ স্মৃতি-তেলেগু

পঞ্চম শ্ৰেণীত থকাৰ পৰাই মই চান্দমামা পঢ়ি আহিছো। বৰ্তমান মোৰ বয়স হ'ল ৬৩ বছৰ। মই যেতিয়া স্কুলত পঢ়ি আছিলো, মই কিতাপৰ মাজত লুকুৱাই লুকুৱাই চান্দমামা পঢ়িছিলো। সেইদৰেই চান্দমামা মোৰ শিশুকালৰ বন্ধু হৈ পৰিছিল। মই চান্দমামাৰ প্ৰতিটো সংখ্যাকেই সযতনে সাঁচি থৈছিলো। মই বয়ি ভীমন্না কথালু, (বয়ি ভীমৰ কাহিনী), ৰকচি লয়া,(ৰাক্ষসৰ উপত্যকা), ৰামায়ণ, মহাভাৰত আৰু বেতালৰ কাহিনীবিলাক পৃথক কৰি বন্ধাই পেলাইছিলো।



Name: G. Duraga Rao, B.A
Occ: Retd. Deputy
Tahasildar, Elur

মই কৰ বিভাগত উপ তহচিলদাৰ পদত কাম কৰিছিলো আৰু বৰ্তমান অৱসৰ গ্ৰহণ কৰিছো। চান্দমামা এতিয়াও মোৰ অন্যতম প্ৰিয় বন্ধু। মই আকাশৰ চান্দমামাকো বৰ ভাল পাও। মই হিন্দী আৰু তেলেগু চলচিত্ৰৰ পৰা চন্দ্ৰৰ ওপৰত থকা নানা গীত সংগ্ৰহ কৰি থৈছো। সেইবিলাকৰ ভিতৰত শান্তাৰামৰ 'আধা হে চন্দ্ৰমা'ও আছে। মই জোনাকী ৰাতি মুকলি আকাশৰ তলত বহি বৰ ভাল পাও। মই লিখা ভালেকেইখন চিঠি চান্দমামাত প্ৰকাশ হৈছে। 'ফটোৰ শীৰ্ষক দিয়া প্ৰতিযোগিতা'ত মই দুবাৰ পুৰস্কাৰো লাভ কৰিছো। মই সৰু কালত ভাডডাদি পাপায়া গুৰুৰে অংকন কৰা চান্দমামাৰ সুন্দৰ বেটুপাতবিলাক সংগ্ৰহ কৰিছিলো আৰু সেইবিলাক বন্ধাই ৰাখিছিলো। কিন্তু দূৰ্ভাগ্যবশত, মোৰ সেই আপুৰুগীয়া সংগ্ৰহ পোকে কুটি নষ্ট কৰি পেলালে। বহু কষ্টৰে সংগ্ৰহ কৰা সেই অমূল্য সম্পদ নষ্ট হোৱাত মই মনতে বৰ দুখ পাইছিলো। তাৰপিছত মই সেই নষ্ট হোৱা সম্পদ পুণৰ সংগ্ৰহ কৰিবলৈ আৰম্ভ কৰিলো। বহুদিনৰ অন্তত মই নষ্ট হোৱা সংখ্যবিলাকৰ কিছু সংখ্যা পুণৰ সংগ্ৰহ কৰিবলৈ সমৰ্থ হলো। এই কাম কৰোতে মই বহু কষ্ট কৰিবলগীয়া হ'ল। পুৰণা কিতাপ সংগ্ৰহ কৰি মানুহৰ ঘৰে ঘৰে বিক্ৰী কৰি ফুৰা বেপাৰীৰ পৰা মই বহু পুৰণা চান্দমামা সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিলো। আন কিছু সংখ্যা মই পুৰণা কিতাপ বিক্ৰী কৰা দোকানৰ পৰা সংগ্ৰহ কৰিছিলো। সেইবিলাক একেলগ কৰি মই পুণৰ পকা বন্ধাই সযতনে সংৰক্ষণ কৰি থৈছিলো।

আজিৰ পৰা কিছু বছৰ আগতে, অলপদিনৰ বাবে চান্দমামাৰ প্ৰকাশ বন্ধ হৈ পৰিছিল। মই সেই কথাত কিমান দুখ পাইছিলো, তাক ভাষাৰে বৰ্ণনা কৰিব নোৱাৰো। চান্দমামাৰ প্ৰকাশনৰ লগত জড়িত থকা সকলে চান্দমামাৰ পুণৰ প্ৰকাশ আৰম্ভ কৰিলে। মোৰ এনে লাগিল যে মোৰ দুখ তেওঁলোকে অনুভৱ কৰিব পাৰিহে যেন চান্দমামাৰ পুণৰ প্ৰকাশ আৰম্ভ কৰিলে। আগৰ দৰেই নিয়মিত ৰূপত চান্দমামা প্ৰকাশ পাই থকাৰ বাবে আজি মই সুখী। মই আশাকৰো যে চান্দমামাৰ লগত মোৰ সম্পৰ্ক সদায় অটুত থাকিব।

মোৰ স্মৃতি–তেলেগু

প্ৰথমতেই চান্দমামালৈ মোৰ হিয়াভৰা আশীৰ্বাদ। মই যোৱা ৫৫ বছৰ ধৰি চান্দমামাৰ পাঠিকা। যিদৰে আকাশৰ চন্দ্ৰমাই সৰু ল'ৰা-ছোৱালীৰ লগতে বয়সীয়া সকলকো আনন্দ দিয়ে, ঠিক একেদৰেই ৰঙেৰে ভৰপুৰ চান্দমামাই বয়স নিৰ্বিশেষে এটা পৰিয়ালৰ সকলো সদস্যকে আনন্দ আৰু আমোদ দিয়ে। চান্দমামাত প্ৰকাশিত ৰঙীন চিত্ৰসমূহেৰে নানা ধাৰাবাহিকসমূহ অত্যন্ত আকৰ্ষণীয়। মই তোকাচুক্কা (ধুমকেতু), ৰকচ লয় (ৰাক্ষসৰ উপত্যকা), বিচিত্ৰ কভলালু (বিচিত্ৰ যঁজা) আদিৰ দৰে কাহিনীসমূহ পঢ়ি বৰ ভাল পাও। সেইবিলাক বহু বছৰৰ আগতে প্ৰকাশ হৈছিল যদিও এতিয়াও মোৰ ভালদৰেই মনত আছে। আনকি সেইবিলাক ধাৰাবাহিকৰ কিছুমান সংলাপ এতিয়াও মই আওৰাব পাৰো।

Name: M.Ratnakumari
Hyderabad.

চান্দমামাৰ লগত সম্পৰ্কিত মোৰ বহু স্মৃতি আছে। মোৰ শাহুৱে প্ৰতিমাহতে নিজেই গৈ বজাৰৰ পৰা চান্দমামা কিনিছিল। আমাক দিয়াৰ আগতে তেওঁ নিজে আৰম্ভৰ পৰা শেষলৈকে পঢ়িছিল। মোৰ পতি স্বৰ্গীয় সীতাৰামায়া গুৰু আছিল কাৰাগাৰ অধীক্ষক। কামৰ পৰা ঘৰলৈ ঘূৰি অহাৰ পিছত তেওঁ যেতিয়াই আজৰি সময় পাইছিল, তেতিয়াই চান্দমামাৰ জুতি লৈছিল। মোৰ সাতটা সন্তানক ৰামায়ণ আৰু মহাভাৰতৰ লগত চিনাকি কৰি দিয়াৰ বাবে মই চান্দমামাক ধন্যৱাদ দিব খুজো।

বেতালৰ কাহিনী, পৰোপকাৰী পাপান্না, খলিফাৰ সাধু আদিৰ দৰে নানাধৰণৰ আমোদজনক ধাৰাবাহিক চান্দমামাই প্ৰকাশ কৰিছে। আজিৰ পৰা কেইবছৰমানৰ আগতে, চান্দমামাই নিজৰ ৰূপ কিছু পৰিমাণে হেৰুৱাই পেলাইছিল। কিন্তু আজি মই সুখী যে ই পুণৰ আগৰ ৰূপ উভতাই পাইছে। আপোনালোকে আজিকালি চান্দমামাত বহু সংখ্যক কাহিনী প্ৰকাশ কৰে। ইতিপূৰ্বে প্ৰকাশিত ধাৰাবাহিক 'শিথিলালয়' পুণৰ পঢ়িবলৈ পাই বৰ ভাল পাইছো। চান্দমামাৰ জেউতি পুণৰ লাহে লাহে বৃদ্ধি পাই যাব খুজিছে।

মোৰ বয়স বৰ্তমান ৮১ বছৰ। মই ১০০ বছৰ বয়সলৈকে চান্দমামা পঢ়ি যাব বিচাৰো। মোৰ পুত্ৰ মচিৰাজু কামেশ্বৰ ৰাৱে ১৯৭০ চনৰ দশকত নিয়মীয়াকৈ চান্দমামাৰ বাবে কাহিনী লিখিছিল। মই তেওঁক পুণৰ কাহিনী লিখা আৰম্ভ কৰিবৰ বাবে কৈ আছো।

মোৰ মনত আছে যে এবাৰ 'ফটোৰ শীৰ্ষক দিয়া প্ৰতিযোগীতা'ত মই বিজয়ী হৈছিলো।

চান্দমামা আমাৰ মৰমৰ বন্ধু। মই আশাকৰো যে চান্দমামাই ভৱিষ্যতেও সকলোকে আনন্দ দি যাব। ই আমাৰ নতুন প্ৰজন্মক ভাৰতীয় সংস্কৃতিৰ বিষয়ে জ্ঞান প্ৰদান কৰাটো মই কামনা কৰো। চান্দমামাৰ লগত জড়িত সকলোলৈকে শুভেচ্ছা জ্ঞাপন কৰিছো।

বেতাল কথা

ৰত্নমালা

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল, গছৰ পৰা শ টো নমাই নিজৰ কান্ধত তুলি ল'লে। তাৰপিছত যথাৰীতি শ্মশানৰ ফালে আগবাঢ়িবলৈ ধৰিলে। তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, ‘‘ৰজা, মোৰ ভাৱ হৈছে তুমি কোনো তান্ত্ৰিকৰ অপমান কৰিছা আৰু তেওঁ ক্ৰোধান্বিত হৈ তোমাক শাপ দিছে, যাৰ ফলত এই মাজনিশা শ্মশানৰ নানা ধৰণৰ যাতনা তুমি ভোগ কৰিছা। সন্যাসী আৰু বৈৰাগী গৃহস্থৰ ঘৰলৈ অতিথি হৈ আহে। তেওঁলোকৰ কোনো এজনে মন্ত্ৰ তন্ত্ৰ জানে। গৌৰৱ নামৰ এজন যুৱকে এই কথা জনাত অসফল হৈছিল, যাৰ ফলত তেওঁ শাপগ্ৰস্ত হৈছিল। বৈৰাগীয়ে দিয়া শাপৰ ফলতে তেওঁ বহুত কষ্ট সহিব



লগা হৈছিল। ভাগৰ মাৰিবলৈকে সেই কাহিনী শুনা।'' তাৰ পিছত বেতালে তাৰ কাহিনী এনেকৈ শুনালে

শ্ৰীনিৱাস চিৰিপুৰৰ প্ৰধান বেপাৰী আছিল। তেওঁৰ পত্নী সুজাতা বিনয়ী, সুশীল আৰু গুণৱতী আছিল। দুই পুত্ৰৰ ডাঙৰজন ভৈৰৱ শান্ত স্বভাৱৰ আছিল আৰু সৰুপুত্ৰ গৌৰৱ কঠুৱা আৰু অশিষ্ট স্বভাৱৰ আছিল।

এদিন এজন বৈৰাগী সিহঁতৰ ঘৰলৈ আহিল আৰু আহাৰ বিচাৰিলে। সুজাতাই তেওঁক সুস্বাদু আহাৰ দিলে। ভৈৰৱে বিনয়েৰে তেওঁৰ সেৱা কৰিলে। কিন্তু গৌৰৱে ক'লে যে এজন ভিক্ষাৰীক ইমান সন্মান কিয় দিব লাগে।

বৈৰাগীৰ খং উঠিল। ক'লে, ''অন্ন বিচৰাজনক ইমান খং নকৰিবা। কোনে জানে, ভৱিষ্যতে তুমিও ভিক্ষা কৰিব লগা হ'ব পাৰে।''

''আমাৰ ঘৰতে ভোজন কৰি মোকেই শাপ দিছা। তোমাৰ দৰে লোকলৈ মই সামান্যও ভয় নকৰো। তুমি আদৰৰ যোগ্যই নহয়।'' এইদৰে কৈ গৌৰৱ তাৰপৰা গুচি গ'ল।

শ্ৰীনিৱাস, সুজাতা, ভৈৰৱে বৈৰাগীৰ কথাত ভয় খালে আৰু গৌৰৱৰ হৈ ক্ষমা ভিক্ষা কৰিলে। বৈৰাগীয়ে হাঁহি হাঁহি ক'লে, ''কোৱা, তোমালোকক কি লাগে?''

''আমাক একো নালাগে। গৌৰৱৰ অশিষ্টাচাৰৰ মাত্ৰা কম কৰাৰ উপায় লাগে।'' সুজাতাই ক'লে।

বৈৰাগীয়ে তেওঁক ক'লে, ''আচৰিত কথা যে গৌৰৱৰ দৰে ল'ৰা তোমাৰ ঘৰত জন্ম লৈছে। তাক নিজৰ পথত যাবলৈ দিয়া। কোৱা, তোমালোকক কি লাগে?''

''আমাৰ ইচ্ছা যে গৌৰৱৰ ভৱিষ্যৎ ভাল হ'ব লাগে।'' তিনিও ক'লে।

বৈৰাগীয়ে ক'লে, ''তাৰ অসৎ বুদ্ধি সলনি কৰাৰ শক্তি মোৰ নাই।'' পুনৰ দীঘলকৈ উশাহ লৈ তেওঁ জিলিকি থকা এডাল ৰত্নমালা

উলিয়ালে আৰু শ্ৰীনিৱাসক দি ক'লে, ''এই মালা মহিমামণ্ডিত। ইয়াক



পূজা মন্দিৰত সুৰক্ষিত কৰি ৰাখিবা আৰু ইয়াৰ পূজা কৰি থাকিবা। ই তোমাক ৰক্ষা কৰিব। কিন্তু ইয়াক অযোগ্যই পিন্ধিলে বা কাৰোবাক দান কৰিলে ইয়াৰ মহিমা আৰু নাথাকিব।'' গৌৰৱক শুধৰোৱাৰ আশা লৈ শ্ৰীনিৱাসে সেই মালা বৈৰাগীৰ সমুখতে পূজা মন্দিৰত থাপিলে। বৈৰাগীয়ে তেওঁক আশীৰ্বাদ দি গুচি গ'ল।

এদিন শ্ৰীনিৱাসে দুয়ো পুত্ৰক মাতি আনি ক'লে, ''মই বুঢ়া হৈ আহিছোঁ। মোৰ শৰীৰ, মনক বিশ্ৰামৰ প্ৰয়োজন। আগলৈ ভৈৰৱে বেহা বেপাৰ চম্ভালিব। গৌৰৱে ককায়েকক প্ৰয়োজনীয় সহায় কৰিব।''

দেউতাকৰ এই মীমাংসা গৌৰৱৰ একেবাৰে মনঃপুত নহ'ল। তাৰ ভাৱ হ'ল দেউতাকে তাক অন্যায় কৰিলে আৰু ককায়েকৰ প্ৰতি পক্ষপাতিত্ব কৰিলে। সি পৰিষ্কাৰকৈ কৈ দিলে যে সি ঘৰত নাথাকে। অলপ পইচা পালে নিজে ব্যৱসায় কৰিব। আন কোনো উপায় নাছিল। সেয়ে শ্ৰীনিৱাসে তাক অলপ ধন দিলে। তাকে লৈ গৌৰৱ ঘৰৰ পৰা ওলাই গ'ল। সি বহুত বেপাৰ কৰিলে, কিন্তু কোনোটোতে তাৰ লাভ নহ'ল। চাওঁতে চাওঁতে সকলো পইচা শেষ হ'ল।

গৌৰৱ ঘৰলৈ ঘূৰি আহিল। দেউতাকক ক'লে, ''ব্যৱসায়ত লোকচান হৈ গ'ল। মোৰ হাতত এতিয়া এটা ফুটা কড়িও নাই। দাদাই ব্যৱসায়ত উন্নতি কৰিছে সেয়া তাৰ কৃতিত্ব নহয়, আৰু মোৰ ব্যৱসায়ত লোকচান হৈছে সেয়াও মোৰ অক্ষমতা নহয়। এই সকলোবোৰ পূজা মন্দিৰৰ ৰত্নমালাৰ মহিমা। সেই ৰত্নমালা মোক দি দিয়ক। যেতিয়ালৈকে মোৰ অৱস্থা ভাল নহয় তেতিয়ালৈকে সেইডাল মোৰ লগত ৰাখিম।''

''ৰত্নমালা পূজা মন্দিৰৰ পৰা



উলিয়ালে অনিষ্ট হ'ব। বৈৰাগীয়ে কি কৈছিল আমি তোক কৈছোৱেই, তথাপি তই জিদ কৰিছ। এতিয়া গম পালো যে তোৰ বুদ্ধিয়েই ভোঁটা,'' শ্ৰীনিৱাসে ক'লে।

দেউতাকৰ কথাত গৌৰৱৰ খং উঠিল। সেইদিনা ৰাতি যেতিয়া সকলো শুই পৰিল, সি অলপ ধন আৰু ৰত্নমালা উলিয়ালে আৰু পুৱালৈ আন এখন গাওঁ পালেগৈ। সেইখন বৰ ডাঙৰ গাওঁ আছিল। ওচৰ পাজৰৰ চাৰি পাঁচখন গাৱঁৰ বাবে সেয়া কেন্দ্ৰস্থল আছিল।

গৌৰবে ভাৱিলে যে সেই গাওঁখন কাপোৰৰ বেপাৰৰ বাবে ভাল হ'ব। সি এটা ঘৰ ভাৰালৈ ল'লে। ওচৰৰ নগৰলৈ গৈ বৃহৎ মাত্ৰাত কাপোৰ কিনিলে।

এখন গৰুগাড়ীত বোজাই কৰি যেতিয়া গাৱঁলৈ ঘূৰিল, তেতিয়া হঠাতে বিজুলী চমকিবলৈ ধৰিলে আৰু জোৰেৰে বৰষুণ দিবলৈ ধৰিলে।

মাজৰাস্তাতে তিনিটা ডকাইতে গাড়ী ৰখালে, গাৰোৱান আৰু গৌৰৱক তৰোৱাল দেখুৱাই ভাবুকি দিলে আৰু ধমকি দিলে। তাৰ পিছত আন এটা বাটেৰে লৈ গ'ল আৰু সকলো মাল লুটি নিলে। যেতিয়া গৌৰৱ ঘৰৰ ওচৰ পালেহি, তেতিয়া সি দেখিলে যে তাৰ ঘৰৰ ওপৰত বজ্ৰপাত পৰিছে আৰু চাওঁতে চাওঁতে ঘৰটো জ্বলি গ'ল।

এই যি দুটা দুৰ্ঘটনা ঘটিল, গৌৰৱৰ ভাব হ'ল যে তাৰ ওচৰত যি ৰত্ন মালা আছে, সি বিষাক্ত নাগতকৈও ভয়ঙ্কৰ। তাৰপৰা হাত সৰাৰ উপায় চিন্তা কৰোঁতেই জ্বলি থকা ঘৰটোৰ সমুখত সি সেই বৈৰাগীক দেখা পালে। বৈৰাগীয়ে ক'লে, ''হেৰৌ পাপী, তোমাৰ দুৰ্ব্যৱহাৰেই তোমাৰ বাবে শাপ হৈ পৰিল। আজিৰে পৰা গাৱঁতেই ঘূৰি থাকা আৰু ভিক্ষা কৰি নিজৰ পেট প্ৰবৰ্ত্তোৱা। যি কন্যাই নিস্বাৰ্থভাৱে হৃদয়েৰে তোমাক বিয়া

কৰাবলৈ মান্তি হ'ব, তেওঁক এই ৰত্ন মালা দিলেহে তোমাৰ মুক্তি হ'ব।''

তেতিয়াৰপৰা গৌৰৱে গাৱঁতে ভিক্ষা কৰি থাকিল। কোনো সুন্দৰী ছোৱালী দেখিলে তাইক নিজৰ কাহিনী শুনাই আৰু তাক বিয়া কৰালে ৰত্নমালা দিয়াৰ কথা দিয়ে। ৰত্নমালা পোৱাৰ ইচ্ছাৰে দুই তিনিজনী ছোৱালীয়ে ভিখাৰী হোৱা সত্বেও তাক বিয়া কৰোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। সি সেই ৰত্নমালা সিহঁতক দিও চালে কিন্তু তৎক্ষণাত তাৰ ওচৰলৈ ঘূৰি আহে।

এইদৰে ঘূৰি ফুৰি সি মাৰ্কাপুৰ পালেগৈ। তাত দেৱ নামৰ এজন মানুহ আছিল। তাৰ মাক দেউতাক সি সৰু থাকোতেই ঢুকাল।

পৰিশ্ৰম কৰি সি ভনীয়েক শিৱানীক ডাঙৰ দীঘল কৰিলে। সিহঁত দুয়োটাই ইটোৱে সিটোক বৰ ভাল পাইছিল।

দেৱই সেই গাৱঁৰে দৈৱকী নামৰ এজনী ধুনীয়া ছোৱালীক ভাল পাইছিল। দৈৱকীয়ে চাৰি পাঁচঘৰ মানুহত বনকৰা ছোৱালী হিচাবে কাম কৰিছিল। তাইৰ নিজৰ কোনো নাছিল। কোনো ধনী লোকক বিয়া কৰাই এটা সুখৰ জীৱন কটোৱা তাইৰ ইচ্ছা আছিল। দেৱই কথাটো জানি তাইক নিজৰ প্ৰেম নিবেদন কৰিবলৈ সঙ্কোচ কৰিলে। শিৱানীয়ে ককায়েকৰ মনৰ কথা গম পাই দৈৱকীক লগ কৰিলে আৰু ক'লে, ''মোৰ দাদাই তোমাক ভাল পায়। মই তোমাক বৌৰ দৰে মানো। দাদা মোৰ বাবে ভগবান আৰু তুমি দেৱী। মোৰ দাদাক বিয়া কৰোঁৱা।''

''দেৱীয়ে ৰত্নমালা পিন্ধে। মোক এডাল ৰত্নমালা আনি দিবা। তেতিয়া তোমাৰ দাদাক বিয়া কৰাম।'' দৈৱকীয়ে টপৰাই ক'লে।

''ৰত্নমালা পাবৰ বাবে মই যিকোনো কাম কৰিবলৈ প্ৰস্তুত। কিন্তু সেইডাল কিনিবলৈ ধনৰ আৱশ্যাক নহয় জানো।'' বেথাভৰা মাতেৰে শিৱানীয়ে ক'লে।

ঠিক সেই সময়তে ভিক্ষা মাগিবলৈ গৌৰৱ তালৈ আহিল। সি সিহঁত দুয়োৰে কথা শুনিলে। শিৱানীক ভালদৰে চাই লৈ সি ক'লে, ''ধন নোলোৱাকৈ তোমাক যদি ৰত্নমালা দিও তেন্তে মোক বিয়া কৰাবানে?'' কৈয়েই সি ৰত্নমালা উলিয়ালে।

ৰত্নমালা দেখিয়েই শিৱানীৰ চকু তিৰবিৰাই উঠিল। নভৱা নিচিন্তাকৈ তাই 'কৰিম' বুলি কৈ দিলে। গৌৰৱে ৰত্নমালা শিৱানীৰ হাতত দি দিলে

আৰু শিৱানীয়ে সেইডাল দৈৱকীৰ ডিঙিত পিন্ধাই দিলে।

গৌৰৱে আনন্দিত হৈ ক'লে, ''ভালেই হ'ল, মই বৈৰাগীৰ শাপৰপৰা মুক্ত হ'লো। তেওঁ কোৱাৰ দৰেই কন্যা মই পালো যি হৃদয়েৰে মোক বিয়া কৰাব খুজিছে।''

সেই সময়তে ভনীয়েকক বিচাৰি দেৱ তালৈ আহিল আৰু সি গম পালে যে গৌৰৱ ভাল ঘৰৰ ল'ৰা। তাৰ দুৰৱস্থাৰ কাৰণ বৈৰাগীৰ শাপ। পিছদিনাই গৌৰৱ-শিৱানী আৰু দেৱ-দৈবকীৰ বিয়া হৈ গ'ল।

বেতালে এই কাহিনী শুনাই ৰজা বিক্ৰমাদিত্যক ক'লে, ''ৰজা, বৈৰাগীয়ে শ্ৰীনিৱাসক কৈছিল যে এই ৰত্নমালাৰ ফলত তোমাৰ পৰিয়ালৰ মঙ্গল হ'ব। কিন্তু ইয়াৰ বিপৰীত হ'ল। সেই পৰিয়ালৰ গৌৰৱ শাপগ্ৰস্ত হৈ ভিখাৰী হ'ল আৰু অনাই বনাই ফুৰিল। ইয়াক মঙ্গল বুলি ক'ব পাৰি জানো? সেই ৰত্নমালাই গৌবৱৰ কি মঙ্গল কৰিলে? সেই মালাৰ ফলত প্ৰকৃততে লাভ হ'ল দেৱৰ। মোৰ এই সন্দেহৰ সমাধান তুমি যদি জানিও নিদিয়া তেন্তে তোমাৰ মূৰ ফাটি চিৰাচিৰ হ'ব।''

বিক্ৰমাদিত্যই ক'লে, ''গৌৰৱক বৈৰাগীয়ে যি শাপ দিলে, তাৰ ফলত গৌৰৱৰে নহয়, বৰঞ্চ অইনৰো লাভ হ'ল। গৌৰৱে নানান ধৰণৰ কষ্ট পাৰ কৰাৰ পিছত, শ্ৰীনিৱাসৰ পৰিয়ালে আশা কৰা ধৰণেই সি সৎ পথলৈ আহিল। শিৱানীৰ স্বামী হ'ল, সেয়া শিৱানীৰ বাবে ভাল হ'ল। দেৱয়ো নিজৰ মনোমত কন্যা পালে। সেয়ে নিসন্দেহে কব পাৰি যে বৈৰাগীৰ শাপৰ ফলত সকলোৰে ভাল হ'ল।''

ৰজাৰ মৌনতা ভংগ কৰাত সফল হৈ বেতালে শটোৰ সৈতে অদৃশ্য হৈ পৰিল আৰু পুনৰ গছজোপাত গৈ উঠি থাকিলগৈ।

('বসুন্ধৰা'ৰ ৰচনাৰ আধাৰত)



ৰাজকুমাৰীৰ ৰোষত পৰা সেই বিষয়াজন

যি সময়ত এই ঘটনাটো ঘটিছিল, সেইসময়ত বেইজিং নামৰ চহৰখনক ৰাজধানী হিচাপে লৈ চীন নামৰ দেশখন নাছিল। বিশাল দেশখন তেতিয়া নানা সৰু সৰু ৰাজ্যত বিভক্ত আছিল। তাৰে এখন আছিল চ্চু।

প্ৰায় ২৬০০ বছৰৰ আগতে চ্চুত শাসন কৰিছিল ৰজা ঝুৱাঙে। সেই সময়ত ৰাজ্য বিলাকে নিজৰ ভিতৰতে যুঁজ বাগৰ কৰি আহিছিল। তেনে এখন যুদ্ধতে ঝুৱাং জয়ী হৈছিল। তেওঁৰ বিজয়ত সহায় কৰা সেনাপতি, মন্ত্ৰী আৰু অন্যান্য বিষয়াসকলৰ সান্মনাৰ্থে ৰজাই এটা বিশাল ভোজৰ আয়োজন কৰিছিল।

বিয়াগোম চন্দ্ৰতাপৰ তলত ৰাজ প্ৰসাদৰ চোতালত এই অভ্যৰ্থনাৰ আয়োজন কৰা হৈছিল। সংগীতৰ তালে তালে মঞ্চৰ ওপৰত কিছুমান শ্ৰেষ্ঠ নৃত্য পটিয়সীয়ে নাচিছিল। তেওঁলোকৰ আনন্দই সীমা নধৰা হৈছিল, যেতিয়া ৰজাই তেওঁৰ কণ্যা জুক অতিথিসকলৰ গালে সুগন্ধি দ্ৰব্য চটিয়াবলৈ কলে। শুনামতে ৰাজ কুমাৰী জু দেশখনৰ ভিতৰতে সুন্দৰী কণ্যা আছিল।

হঠাতে জোৰেৰে বলা এছাটি বতাহে ৰাজপ্ৰসাদৰ প্ৰাংগণ চুই গ'ল। সকলো চাকি নুমাই যোৱাত উৎসৱথলী আন্ধাৰত বুৰ গ'ল আৰু চন্দ্ৰতাপবিলাক ধৰি থকা সুসজ্জিত কাঠৰ দেৱালবোৰো কঁপি উঠিল। অৱশ্যে যদিও সংগীত আৰু নৃত্য বন্ধ হৈ পৰিছিল, তথাপিও কোনো বেমেজালি দেখা নগৈছিল। পৰিচাৰকসকলে পুণৰ চাকিবোৰ জ্বলাই দিয়ালৈ সকলোৱে অপেক্ষা কৰিলে।

কিন্তু ৰাজকুমাৰী জুৱে উচুপি উচুপি দেউতাকৰ ওঁচৰলৈ গৈ কলে, ‘‘দেউতা, এজন সেনাপতিয়ে আন্ধাৰৰ সুযোগ হৈ মোক তেওঁৰ ফালে টানি নিছিল। মই তেওঁৰ

চীনদেশৰ এটা লোককথা

হাতৰ পৰা ওলাই আহিলো, কিন্তু তেওঁৰ চোলাৰ ফিটাডাল চিঙি থাকিল। অনুগ্ৰহ কৰি চাকিবিলাক জ্বলাই দিবলৈ আদেশ কৰক। তেতিয়া দোষীক চিনাক্ত কৰিবলৈ সহজ হব।'' ৰজাই ৰাজকুমাৰীক আকোৱালি লৈ বুজনি দিলে। তেওঁ এটা ঘোষণা কৰিবলৈ থিয় হ'ল। ''মোৰ কথা শুনক অতিথিবৃন্দ।'' ৰজাই আৰম্ভ কৰিলে।

ৰজাই কি কব খুজিছে ৰাজ কুমাৰীয়ে গম পালে। অনুমতি নোহোৱাকৈ কোনো ৰাজকুমাৰীক স্পৰ্শ কৰাটো এটা অপৰাধ আছিল আৰু এনে কৰাজনক সাধাৰণতে মৃত্যুদণ্ড প্ৰদান কৰা হৈছিল।

''মন দি শুনক'', ৰজাই আকৌ কলে। ''আজি এয়া এক বিশেষ নিশা। এখন ৰক্তাক্ত যুদ্ধৰ শেষত আমি এয়া শান্তিৰ ভোজমেল উপভোগ কৰিছো। সেনাপতিসকলৰ চোলাৰ ফিটাবিলাক তেওঁলোকৰ সামৰিক মৰ্যদাৰ পৰিচায়ক। কিন্তু আমি ইয়াত শান্তিকামী লোক হিচাপে গোট খাইছো। মই আশাকৰো আপোনালোকে এই বিশেষ দিনটোত আমাৰ শান্তিৰ প্ৰতি থকা হেপাহৰ চিন স্বৰূপে সেই ফিটাবিলাক খুলি থয় যেন।''

অতিথিসকলে ৰজাৰ পৰামৰ্শক আনন্দৰে আদৰণি জনালে আৰু ফিটাবোৰ সোলোকাই পেলালে। পৰিচাৰকসকলে পুণৰ চাকিবিলাক জ্বলোৱাত ব্যস্ত আছিল। সংগীত আৰু নৃত্য পুণৰ আৰম্ভ হ'ল আৰু মাজনিশালৈকে চলি থাকিল।

সকলোৰে বিদায় লোৱাৰ পিছত ৰজাই ৰাজকুমাৰীক কলে, ''মই তোমাৰ অশান্তি অনুভৱ কৰিব পাৰিছো। তোমাৰ প্ৰতি অশোভনীয় আচৰণ কৰা সেনাপতিজন নিশ্চয় সুৰামত্ত হৈ আছিল। যিয়েই নহওক, এয়া আছিল তেওঁলোকৰ সন্মানাৰ্থে দিয়া এটা ভোজৰ নিশা। কিয়নো তেওঁলোকে আমাৰ দেশৰ বাবে সাহসেৰে যুদ্ধ কৰিছিল। এবাৰ যদি সেই লোকজনৰ অপৰাধ জনাজাত হৈ পৰে, তেন্তে আমি তেওঁক শাস্তি নিদিয়াকৈ নোৱাৰো। আৰু তেতিয়া এই প্ৰীতি ভোজৰ পৰিবেশটোৰেই নিৰানন্দময় হৈ পৰিব। লগৰ এজনক মৃত্যুদণ্ড দিয়াটো বাকীসকলৰ বাবে এক ভয়াবহ স্মৃতি হৈ ৰব। সেঁয়ে

ধৈৰ্য ধৰা আৰু সহানুভূতিশীল হোৱা।''

ঠিক এবছৰৰ পিছত চু ৰাজ্য এখন চুবুৰীয়া ৰাজ্যই আক্ৰমণ কৰিলে। ৰজা ঝুৱাঙে নিজেই সেনাবাহিনীৰ নেতৃত্ব ললে। কিন্তু হঠাতে যুদ্ধক্ষেত্ৰত শত্ৰুপক্ষৰ সেনাপতিসকলে তেওঁক আগুৰি ধৰিলে। পলাবলৈ বাট নাইকীয়া হ'ল। তেনেতে ঝুৱাঙৰ এজন সেনাপতিয়ে সাহসেৰে তাত উপস্থিত হৈ বিজুলী গতিৰে তৰোৱাল চলাই শত্ৰুপক্ষৰ সেনাপতিসকলক বধ কৰিলে। এই ঘটনাটোৱে যুদ্ধৰ গতিয়েই সলাই পেলালে। শত্ৰুপক্ষ পিছ হোহঁকা দিলে। যুদ্ধত ৰজা ঝুৱাং জয়ী হ'ল।

''আমি তোমাক বিশেষভাৱে পুৰস্কৃত কৰিম।'' পিছদিনা ৰজাই এক শান্তিপূৰ্ণ পৰিবেশত ঘোষণা কৰিলে।

''মহাৰাজ, তাৰ কোনো প্ৰয়োজন নাই। মাত্ৰ এবছৰৰ আগতে আপুনি মোৰ জীৱন উপহাৰ দিছে।'' বিষয়াজনে নম্ৰভাৱে কলে।

''তুমি কি কব খুজিছা?'' ৰজাই সুধিলে।

তেতিয়া বিষয়াজনে কলে যে তেৱেঁই ৰাজকুমাৰীক অশোভনীয় আচৰণ কৰিছিল। কিন্তু তেওঁ জানি শুনি কৰা নাছিল। যেতিয়া প্ৰৱল বতাহে ৰাজকুমাৰীৰ ওচৰত থকা দেৱালক জোকাৰি পেলাইছিল, তেতিয়া তেওঁ ৰাজকুমাৰীক তাৰ পৰা আতৰাই আনিছিল। তেওঁ কি কৰিলে সেই বিষয়ে ভাৱিবলৈ সময়েই পোৱা নাছিল। ৰাজকুমাৰীয়ে চোলাৰ ফিটাৰ সহায়ত তেওঁক চিনাক্ত কৰিবলৈ আগ্ৰহী হৈ আছিল। ৰাজহুৱাভাৱে তেওঁক অপমান নকৰি সকলো বিষয়াকে চোলাৰ ফিটা খুলি থবলৈ কোৱাটো ৰজাৰ মহানুভৱতা আছিল। এইটো কথাই তেওঁক ৰজাৰ বাবে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰিবলৈ উদ্বুদ্ধ কৰিছিল।

ৰজাই তেওঁক আলিংগন কৰিলে। যেতিয়া ৰাজকুমাৰীয়ে এই ঘটনাৰ কথা জানিব পাৰিলে, তেতিয়া তেওঁৰ দুটোপাল চকুলো বাগৰি আহিল– এটোপাল তেওঁৰ পিতৃৰ বাবে যি সেনাপতিজনক প্ৰাণ দান দিছিল আৰু আন টোপাল সেই সেনাপতিজনৰ বাবে যি নিজৰ

জীৱনকো তুচ্ছ জ্ঞান কৰি তেওঁৰ পিতৃৰ জীৱন ৰক্ষা কৰিছিল।

ভাল সদায়েই ভাল বেয়া সদায়েই বেয়া

আহৰা নামৰ এখন গাৱঁত এজন বৰ দুখীয়া ব্ৰাহ্মণ বাস কৰিছিল। তেওঁ নিৰক্ষৰ আছিল আৰু বহু কষ্ট কৰিও তেওঁ এটা ভাল ঘৰ সাজি উলিয়াব নোৱাৰিলে। সেয়ে তেওঁ ভিক্ষা কৰিবলৈ ল'লে। ঘৰে ঘৰে তেওঁ আহাৰ বা পইচা বিচাৰি ঘূৰি ফুৰিছিল। দিনটো ঘূৰি ঘূৰি পোৱা চাউল বা আটা তেওঁ ঘৰলৈ নি ঘৈণীয়েকক ৰান্ধিবলৈ কয়। আৰু তেওঁলোকৰ চাৰিটা ল'ৰা ছোৱালীৰে সৈতে ভগাই খায়। কেতিয়াবা খোৱাবস্তুৰে কেৱল ল'ৰা ছোৱালীকেইটালেহে জুৰিছিল। তেতিয়া স্বামী-স্ত্ৰী দুয়ো পেটৰ জ্বালা নিবাৰণ কৰিবলৈ একো গিলাচকৈ পানী খাইছিল। ভিক্ষা হিচাবে তেওঁ কেতিয়াবাহে পইচা পাইছিল। আৰু যেতিয়াই তেওঁ পইচা পাইছিল তাৰে তেওঁ শাক-পাচলি কিনিছিল।

প্ৰায়েই পৰিয়ালটো আধাপেটি হৈ থাকিব লাগিছিল। ব্ৰাহ্মণে এইকথা জানিছিল। তেওঁৰ পত্নীয়ে এদিন তেওঁক সোঁৱৰাই দিলে, ''তুমি যি আনা, সেয়াই এটালৈকো ভালদৰে নোজোৰে। গতিকে এতিয়া জীয়াই থাকিবলৈ হ'লে বেলেগ উপায়ৰ কথা চিন্তা কৰিবৰ হ'ল।''

''মই সেইটো জানো লক্ষ্মী,'' তেওঁ ক'লে, ''কিন্তু মইনো আৰু কি কৰিব পাৰো? তুমি কিবা উপায় দিব পাৰিবানে?''

লক্ষ্মীয়ে ক'লে, ''তুমি ৰজাক লগ নকৰা কিয়? মই শুনিছো তেওঁ বৰ মৰমিয়াল। তেওঁ তোমাক নিশ্চয় সহায় কৰিব।''

''ঠিক আছে, মই ৰজাৰ ওচৰলৈ যাম।'' ব্ৰাহ্মণ জনে ক'লে, ''কিন্তু তেওঁ যেতিয়া মোক সহায় কৰিব তেতিয়া মই তেওঁক কি আশীৰ্বাদ দিম?''

''সেইটো তুমি চিন্তা কৰিব নালাগে।'' লক্ষ্মীয়ে ক'লে। ''সেই সময়ত তোমাৰ মনলৈ যি আহে তাকে ক'বা।''

পিছদিনা পুৱা, ব্ৰাহ্মণ ৰাজপ্ৰাসাদলৈ বুলি ওলাল। তেওঁক ৰজাৰ ওচৰলৈ লৈ যোৱা হ'ল। ৰজাই ব্ৰাহ্মণৰ দুখৰ

গুজৰাটৰ এটা লোককথা

কাহিনী শুনিলে আৰু তেওঁক সুধিলে, ‘‘কোৱাচোন, তোমাক মই কি দিওঁ?’’

ব্ৰাহ্মণজনে সবিনয়ে ক’লে, ‘‘আপুনি যিয়েই ভাল দেখে মহাৰাজ! মই কেৱল ক’ব খোজো যে মই এজন দৰিদ্ৰ ব্ৰাহ্মণ।’’ তাৰ পিছত তেওঁ মূৰ তুলি ৰজালৈ চাই ক’লে, ‘‘ভাল সদায়েই ভাল, বেয়া সদায়েই বেয়া হৈ থাকিব।’’

ৰজাই তেওঁলৈ চাই মিচিকিয়াই হাঁহিলে আৰু এটুকুৰা কাগজত কিবা লিখি তেওঁক দি ক’লে, ‘‘এয়া মোৰ কোষাধিপতিক দিয়াগৈ।’’

ব্ৰাহ্মণজনে ৰাজপ্ৰাসাদৰ বুলনিতে বহি থকা কোষাধিপতিক বিচাৰি গ’ল। কোষাধিপতিয়ে কাগজখন পঢ়ি উঠি ব্ৰাহ্মণজনৰ হাতত এটা ৰূপৰ মুদ্ৰা দিলে। ব্ৰাহ্মণজনে মুদ্ৰাটো আনি পত্নীক দিলে আৰু সেইৰাতি পৰিয়ালটোৱে এসাঁজ তৃপ্তিৰে খালে।

পিছদিনা পুৱা ব্ৰাহ্মণজন আকৌ ৰজাৰ ওচৰলৈ গ’ল। এইবাৰো ৰজাই এটুকুৰা কাগজত কিবা লিখি কোষাধিপতিলৈ পঠিয়ালে আৰু এইবাৰো ব্ৰাহ্মণজনে এটা মুদ্ৰা লাভ কৰিলে।

এইদৰে তিনি চাৰিদিন পাৰ হৈ গ’ল। ব্ৰাহ্মণজনক এনেকৈ সদায় ৰজা আৰু কোষাধিপতিৰ ওচৰলৈ আহি থকা এজন অনুচৰে মন কৰি আছিল। তেওঁ কথাটো জানিবলৈ ব্যগ্ৰ হৈ উঠিল। তেওঁ এদিন ব্ৰাহ্মণজনৰ পিছে পিছে গ’ল আৰু দেখিলে যে ব্ৰাহ্মণজনে যি বাটেৰে গৈছে সেই বাটেদি তেওঁৰ গাওঁ ওলাবহি

পাৰি। সেইদিনা ব্ৰাহ্মণজন ৰজাৰ ওচৰলৈ যোৱাই নাছিল। সেয়ে তেওঁ সেইদিনাই ব্ৰাহ্মণজনক লগ ধৰিলে। তেওঁ খৰধৰকৈ খোজকাঢ়িল আৰু ব্ৰাহ্মণজনৰ ওচৰ পাই তেওঁৰ বাহুত থপৰিয়ালে।

ব্ৰাহ্মণজনে ঘূৰি চালে। ‘‘ডাঙৰীয়া, আপুনি সদায় ৰাজপ্ৰাসাদলৈ আহে, ৰজাৰ পৰা এটুকুৰা কাগজ সংগ্ৰহ কৰে আৰু কোষাধিপতিৰ পৰা এটা ৰূপৰ মুদ্ৰা সংগ্ৰহ কৰে। মই যে দেখি আছো ভ্ৰাই নাছিল, নহয়নে? মই আপোনাক একো নোসোধাকৈয়ে ৰাজপ্ৰাসাদলৈ অহা যোৱা কৰিবলৈ দিছিলো। আপুনি মোক মোৰ...’’ বাক্যটো তেওঁ শেষ কৰিবলৈ পোৱাৰ আগতেই ব্ৰাহ্মণজনে তেওঁৰ কথালৈ কাণ নিদি মুখ ঘূৰাই গুচি গ’ল।

পিছদিনা, সদায় যোৱাৰ দৰে

ব্ৰাহ্মণজন ৰাজসভাত উপস্থিত হ'ল। যেতিয়া তেওঁ কোষাধিপতিৰ কক্ষৰ পৰা ওলাই আহিল, অনুচৰজনে তেওঁক অনুসৰণ কৰিলে আৰু আগভেটি ধৰি সুধিলে, "ডাঙৰীয়া, মই আপোনাক ক'ব খুজিছিলো কালি মহাৰাজ আপোনাৰ ওপৰত কিমান ৰুষ্ট হৈ আছে।"

কথাষাৰে ব্ৰাহ্মণজনক ভবাই তুলিলে। এক মুহূৰ্ত্ত তেওঁ মৌন হৈ ৰ'ল আৰু ক'লে, "কিন্তু মই নাভাবো মই মহাৰাজৰ খং তুলিব পৰা কিবা কৰিছো বুলি। কিনো হ'ল?"

অনুচৰজন কাষ চাপি আহিল আৰু ইফালে সিফালে চাই ক'লে, "ৰাতি মই মহাৰাজৰ অৱশ ভৰি দুখন মালিচ কৰি আছিলো। তেতিয়া তেওঁ ক'লে, "তুমি সেই ব্ৰাহ্মণজনক দেখিছানে? তেওঁ যোৱাৰ আগতে কিছুমান আশীৰ্বাদ দিয়ে কিন্তু তেওঁৰ মুখৰ পৰা এটা বেয়া গোন্ধ ওলায়! এতিয়া মহাৰাজক তোমাক লগ নকৰিবলৈ মইনো কেনেকৈ কওঁ?" অনুচৰজনে কথাখিনি ফুচফুচাই কৈছিল।

"সঁচা, সঁচা," ব্ৰাহ্মণজনে ক'লে, "হয়, তুমিনো কেনেকৈ ক'বা? বাৰু, কথাষাৰ মোক জনোৱাৰ বাবে তোমাক ধন্যবাদ। মই সাৱধান হ'ম। কাইলৈ ৰজাৰ ওচৰলৈ যাওঁতে মই কাপোৰ এখনেৰে মোৰ মুখখন বান্ধি যাম।" খৰ খোজেৰে তেওঁ আগবাঢ়ি গ'ল। আৰু অনুচৰজন লাজ পাই উভতি আহিল।

পিছদিনা পুৱা, ব্ৰাহ্মণজন প্ৰাসাদলৈ গ'ল আৰু যেতিয়া ৰজাক লগ কৰাৰ সময় আহিল তেওঁ মুখ আৰু নাক কাপোৰেৰে ঢাকি ল'লে। সৌভাগ্যক্ৰমে ৰজাই তেওঁক একো নুসুধিলে আৰু সদায় দিয়াৰ দৰে কাগজৰ টুকুৰাটো তেওঁৰ হাতত দিলে। অনুচৰজনে তেওঁৰ সেইদিনা পিছ নোলোৱা কথাটোতো তেওঁ আচৰিত হোৱা নাছিল।

ৰাতি যেতিয়া ৰজাৰ ভৰি মালিচ কৰিবলৈ অনুচৰজন আহিল, কথাৰ মাজতে তেওঁ ৰজাক সুধিলে, "সদায় ৰাতিপুৱা যে আপোনাৰ ওচৰলৈ আহে ব্ৰাহ্মণজন তেওঁ বৰ খঙাল!"

ৰজা উঠি বহিল। "তুমি কিয় তেনেকৈ কৈছা? তেওঁ শান্ত, ধাৰ্মিক

আৰু মিষ্টভাষী। প্ৰতিদিনেই তেওঁ মোক আশীৰ্বাদ দিয়ে।''

''কিন্তু মহাৰাজ, আপুনি মন কৰা নাছিলনে যে তেওঁ আজি মুখখন ঢাকি আহিছিল।'' অনুচৰজনে ওপৰলৈ মূৰ নোতোলাকৈ ক'লে।

''অঁ, খুবসম্ভৱ তেওঁ দাঁতৰ বিষত ভূগি ছিল।'' ৰজাই নিৰ্লিপ্তভাৱে ক'লে।

'''নহয় মহাৰাজ,'' অনুচৰজনে ক'লে, ''মই তেওঁক ইয়াৰ কাৰণ সোধাত তেওঁ ক'লে যে যেতিয়া তেওঁ আপোনাক আশীৰ্বাদ দিয়ে আপোনাৰ কাণখন গোন্ধায় সেয়ে তেওঁ মুখ ঢাকি আহিছিল।''

ৰজাই কথা নবঢ়ালে। বিছনাত শুই থাকোঁতে ব্ৰাহ্মণজনে দৈনিক দি অহা আশীৰ্ব্বাদবোৰ তেওঁৰ মনলৈ আহিল, ''ভাল সদায়েই ভাল আৰু বেয়া সদায়েই বেয়া।''

পিছদিনা, ব্ৰাহ্মণজনে মুখ নঢকাকৈ আহিল। ঘূৰি যাওঁতে অনুচৰজনৰ মুখামুখি হ'ল। ''তুমি আৰু মোক মাননী নিদিয়াকৈ কেতিয়াও যাব নোৱাৰা।''

''অস। মই একেবাৰে পাহৰিছিলো।'' ব্ৰাহ্মণজনে ক্ষমা বিচৰাৰ সুৰত ক'লে। মই আজি ৰূপৰ মুদ্ৰাটো ননাকৈ আহিলো। এই কাগজটুকুৰা লোৱা আৰু মোৰ হৈ মুদ্ৰাটো তুমিয়েই ল'বা।'' এইদৰে কৈ ব্ৰাহ্মণজন গুচি গ'ল।

অনুচৰজনে ততাতৈয়াকৈ ৰাজ কোষাধিপতিক সেই কাগজডোখৰ দিলে। তেওঁ সেয়া পঢ়িলে আৰু অনুচৰজনক ৰ'বলৈ ক'লে। অনতিপলমেই দুজন

ৰখীয়া লগত লৈ এজন নাপিত আহিল। সিহঁতে অনুচৰজনক দৃঢ়ভাৱে ধৰি থাকিল। আৰু নাপিতজনে তেওঁৰ কাণদুখন আৰু নাকটো কাটি পেলালে।

তেজ ব'বলৈ ধৰিলে, অনুচৰজনে ল'ৰালৰিকৈ কোষাধিপতিৰ বিষয়ে ৰজাক গোচৰ দিবলৈ গ'ল। ''মই ব্ৰাহ্মণজনক দিয়া কাগজডোখৰৰ মতে যদি কাম হৈছে তেন্তে এয়া কেনেকৈ হ'বলৈ পালে?'' ৰজাই খঙেৰে সুধিলে।

''মহাৰাজ! মই তেওঁক মাননী খুজিছিলো আৰু তেওঁ মোক কাগজডোখৰ দিলে।'' অনুচৰজনে ক'লে।

''তুমি দুখীয়া ব্ৰাহ্মণজনক সকলোবোৰ মিছা কথা কৈ আহিলা।'' ৰজাই ক'লে। ''তাৰ বাবে তুমি উচিত শাস্তি পাইছা।'' ৰজাই ক'লে।



পঞ্চতন্ত্ৰৰ সাধু

"এই এন্দুৰটো কোন? তুমি দেখোন ইমান পৰে ইয়াক খাইহে পেলাব লাগিছিল। ই তোমাৰ পিঠিত বহি আছেনো কেনেকৈ? তুমিয়েই বা ইয়াক পিঠিত কঢ়িয়াই ফুৰিছা কিয়? নিশ্চয় ইয়াৰ কিবা বিশেষ কাৰণ আছে। মোক সকলো ভাঙি পাতি কোৱাচোন।" মন্দাৰক নামৰ কাছটোৱে কলে।

"মন্দাৰক, এই এন্দুৰটো মোৰ বন্ধু। এওঁৰ নাম হিৰণ্যক। এওঁ হ'ল এন্দুৰৰ ৰজা। এওঁৰ দৰে দয়ালু আৰু পূণ্যৱান এই জগতত বিচাৰি পাবলৈ নাই।" লঘুপতনকে মন্দাৰক কলে।

মন্দাৰকে হিৰণ্যকৰ পৰিচয় পাই আদৰ-সাদৰ কৰিলে। তাৰপিছত সুধিলে, "এই অটব্য অৰণ্যলৈনো কিয় আহিলা?"

এই কথাৰ উত্তৰত এন্দুৰ হিৰণ্যকে এইদৰে নিজৰ কাহিনী বখানিলে-

দক্ষিণদেশৰ মহিলাৰূপ্য নগৰত এক বিৰাট শিৱালয় আছিল। তাৰে এটা কোঠাত মই বাস কৰিছিলো। সেইটো কোঠাত চূড়াকৰ্ণ নামৰ এজন সন্যাসী আছিল। তেওঁ প্ৰতিদিন নগৰত ভিক্ষা কৰি ফুৰিছিল। ফল-মূল, সান্দহ-মিঠাই, চাউল-দাইল, শাক-পাচলি আদি বিধে বিধে বস্তু ভিক্ষা কৰি পাইছিল। এইবোৰৰ পৰা কিছুখিনি খাই বাকীখিনি এটা মোনাত ভৰাই ঘৰৰ বেৰত এটা গজালত ওলোমাই থৈ দিছিল। মই প্ৰত্যেক ৰাতি মোনাটোৰ ভিতৰলৈ গৈ তাৰ পৰা চাউল চুৰ কৰি আনিছিলো।

তাত এদিন চূড়াকৰ্ণৰ এজন বন্ধু ওলালহি। মানুহজন খুব ওখ-পাখ

আৰু শকত–আৱত আছিল। চূড়াকৰ্ণই বন্ধুক কলে, ‘‘বন্ধু বৃহস্পতি, তুমি ইমান দিন ক’ত আছিলা? কোন কোন দেশ ভ্ৰমি আহিলা? ক’ত কি চাই আহিলা কোৱা।’’

এই কথাৰ উত্তৰত বন্ধুজনে কলে, ‘‘বহুদিনৰ আগতে কাতি মাহৰ পূৰ্ণিমাৰ দিনা তুমি আৰু মই একেলগে স্নান কৰিছিলো। এই কথা নিশ্চয় তোমাৰ মনত আছে। সেইদিনা ভিৰৰ মাজত আমাৰ এৰা–এৰি হ’ল। তোমাক আৰু মই বিচাৰি নেপালো। তাৰপিছত মই মনৰ দুখত হৰিদ্বাৰ, প্ৰয়াগ আৰু কাশী আদি ঠাইলৈ গ’লোগৈ।’’

বন্ধু দুজনে কথা পাতি থকাৰ ছেগতে মই মোনাৰ ভিতৰত সোমাই মোৰ কাম কৰি গৈছিলো। মোক ভয় খুৱাবলৈ চূড়াকৰ্ণই হাতত লাঠি এডাল লৈ শূণ্যতে ঘূৰাই আছিল।

কাণ্ড দেখি বৃহস্পতিয়ে বিৰক্ত হৈ চূড়াকৰ্ণক কলে, ‘‘কি হ’ল বন্ধু, তুমি কি কৰিছা? তুমি ছাগৈ মোৰ কথালৈ কাণ–সাৰেই কৰা নাই। মিছামিছিকৈ লাঠিডাল জোকাৰিছা কিয়? ঠিক আছে। মই তোমাক একো নকওঁ।’’

চূড়াকৰ্ণই কলে, ‘‘নহয় নহয় বন্ধু, মই তোমাৰ কথা মন দিয়েই শুনি আছো। খং নকৰিবা। এটা মজা চোৱাচোন। এই এন্দুৰটোৱে আন কেইটামানকো লগত লৈ আহিছে। মই শ্ৰম কৰি ভিক্ষা কৰি অনা বস্তুবোৰ ই প্ৰতিদিনেই চুৰ কৰে।’’

‘‘এটা নগণ্য এন্দুৰৰ ইমান সাহস হ’ল ক’ৰ পৰা? তাৰ ইমান সাহসৰ মূলতে নিশ্চয় তোমাৰ প্ৰশ্ৰয় আছে। তুমিয়েই তাক বিধে বিধে বস্তু খুৱাই নিশ্চয় নোদোকা কৰি তুলিছা। নহলেনো তুমি এজন মানুহে হাতত লাঠী লৈ খেদি ফুৰিছা, অথচ সি ভয় খোৱা নাই, সেই কেনেকুৱা কথা। ময়ো এনে এটা কাহিনী জানো।’’ বৃহস্পতিয়ে চূড়াকৰ্ণক কলে।

‘‘সেই কাহিনীটো কি? কোৱাচোন শুনো।’’ চূড়াকৰ্ণই কলে।

বৃহস্পতিয়ে কবলৈ ধৰিলে–

সেইদিনা গিৰ গিৰকৈ বৰষুণ দি আছিল। নেৰানেপেৰা বৰষুণ।

তেতিয়া মই এজন বামুণৰ ঘৰৰ সন্মুখত ৰৈ আছো। বৰষুণো নেৰেহে নেৰে। শেষত উপায়ন্তৰ হৈ মই বৰষুণ নেৰালৈকে সেই বামুণৰ ঘৰতে আশ্ৰয় বিচাৰিলো।

বামুণ মান্তি হ'ল। তাৰপিছত বামুণে তেওঁৰ পৰিবাৰক কলে, ''কালিলৈ বৰ শুভদিন। কেইগৰাকীমান ব্ৰাহ্মণক নিমন্ত্ৰণ কৰি খোৱালে কেনে হয়?''

এই কথা শুনি বামুণনী খঙতে টিকিচি বিকিচি উঠিল। তেওঁ কলে, ''নিজ ই কেলেহুৱা, মাতি আনে মগনীয়া। আমাৰহে বোলে পেটে কলমলায়, মাতি আনি আকৌ বামুণক খুৱায়।''

''এইবোৰ অবাইচ মাত নামাতিবাচোন। যি আছে তাকে ভগাই খাম। সাঁচি থবলৈ গৈ সেই শিয়াল বেচেৰা যে মৰিল, সেই কথা মনত নাই।'' বামুণে কলে।

''ক'তা, সেই কাহিনী কেতিয়াও শুনা নাই দেখোন।'' বামুণনীয়ে আচৰিত হৈ কলে। তাকে শুনি বামুণে কাহিনীটো কবলৈ আৰম্ভ কৰিলে।

লুভীয়া শিয়াল

এদিন ৰাতিপুৱা এজন ব্যাধে এটা বনৰীয়া গাহৰিৰ গালে কাড় মাৰিলে। গাহৰিটো আহত হৈ ব্যাধৰ ফালে চোঁচা মাৰি আহি ব্যাধক খুন্দিয়াই মাৰি পেলালে।

অলপ পৰৰ পিছতে সেই ঠাইত এটা শিয়াল আহি উপস্থিত হ'ল। সি এটা মানুহ আৰু এটা গাহৰি মৰি পৰি থকা দেখি বৰ ৰং পালে। সি ভাৱিলে, 'বঢ়িয়া, কি ভাগ্য মোৰ! বহুদিন ধৰি পেট পুৰাই খাব পাৰিম। পিছে সদ্যহতে ধনুৰ গুণডাল খালেই হব। কালিলৈ এই দুটাৰ এটাক ধৰিম।' এইবুলি সি ধনুৰ গুণডাল কামুৰি দিয়াত সেই ডাল লগে লগে চিগি ধনুৰ আনটো মূৰ শিয়ালৰ পেটত সোমাল। লগে লগে লুভীয়া শিয়ালৰ মৃত্যু হ'ল।

(আগলৈ)



হীৰাৰ হাৰ

হেলাপুৰীত বাস কৰা মনধন নামৰ বেপাৰীজনৰ ঘৰত চৈধ্য বছৰীয়া সোমশেখৰে কাম কৰিছিল । শেখৰৰ দেউতাকেও এই ঘৰতেই কাম কৰিছিল। বহু দিনৰ আগতেই তেওঁৰ অকাল মৃত্যু হৈছিল । ফলস্বৰূপে ল'ৰালিৰে পৰাই শেখৰে এই ঘৰত কাম কৰিছিল । তাৰ মাকৰ দেউতাক ঢুকোৱাৰ আগতেই মৃত্যু হৈছিল । মনধনৰ ঘৰৰ পিছফালৰ পঁজাতে সি থাকিছিল ।

মনধনে প্ৰতি মাহতে শেখৰক বেতন দিছিল । কাপোৰ কানিও সি বিনামূলীয়াকৈ পাইছিল । সেয়েহে সি তাৰ দৰমহাৰ পইচা এটা সৰু টেমাত সাঁচি গৈছিল ।

মনধনৰ ঘৰত যাকে যিহৰে প্ৰয়োজন হৈছিল শেখৰে সেয়া পূৰণ কৰিছিল। সকলোৱে সকলো কথাৰ বাবে তাৰ ওপৰত নিৰ্ভৰ কৰিছিল ।

এদিন পুৱা যেতিয়া শেখৰে কুঁৱাৰ পৰা পানীৰ বাল্টি উঠাই আছিল তেনেতে মনধনে তাক ক'লে, ''সোম, ইমান সময় হ'ল, কিন্তু তই এতিয়ালৈকে গাখীৰ কিয় খীৰোৱা নাই ? ল'ৰা-ছোৱালীকেইটাই গাখীৰ বিচাৰি কান্দি আছে ।'' তেওঁ কঠুৱা সুৰত ক'লে ।

তেওঁৰ কঠুৱা সুৰ শুনি শেখৰৰ খং উঠিল । কিন্তু নিজৰ খংটো লুকাই ৰাখি সি ক'লে, ''দেউতা, মোৰ নাম সোম শেখৰ, অকল সোম নহয় । আপুনি এনেকৈ সম্বোধন কৰাটো মই ভাল পোৱা নাই ।''

মনধনে শেখৰৰ কথা কোৱাৰ এনেকুৱা ধৰণ দেখি তবধ মানিলে । ঘৰৰ সকলো মানুহে তাক সোম বুলিয়ে মাতে । তথাপিও আজিলৈকে সি এই কথাত কেতিয়াও আপত্তি কৰা শুনা নাই । তেওঁ মনতে ভাবিলে যে আজি শেখৰৰ কি হ'ল আৰু কিয় সি এনেকুৱা সুৰত কথা কৈছে ।

তথাপিও তেওঁ নিজৰ প্ৰতিক্ৰিয়া প্ৰকট নকৰি ক'লে, ''আজিৰ পৰা

কৈলাশনাথ



বাৰু তেনেকৈয়ে মাতিম সোমশেখৰ ডাঙৰীয়া। অনুগ্ৰহ কৰি গাখীৰ খীৰাবনে?''

সন্তুষ্ট শেখৰে বৰ উৎসাহেৰে গাখীৰ খীৰাবলৈ গ'ল । অলপ সময় পিছত গাখীৰৰ পাত্ৰ লৈ যেতিয়া শেখৰ ঘূৰি আহিল তেতিয়া মনধনৰ মাকে তাক ক'লে, ''সোম, ঘৰত পাচলি নাই । বজাৰৰ পৰা কিনি আনিবি ।''

শেখৰ জাঙুৰ খাই উঠিল । সি ক'লে, ''পইচা আৰু মোনা দিয়ক ।''

তাৰ কৰ্কশ ব্যৱহাৰ দেখি মনধনৰ মাক অবাক হৈ পৰিল । মনধনেও দূৰৰপৰা তাৰ এই ব্যৱহাৰ দেখি আছিল । তেওঁৰ অনুভৱ হ'ল যে তাৰ যি পৰিবৰ্ত্তন হৈছে তাৰ আঁৰত নিশ্চয় ডাঙৰ কিবা কাৰণ আছে । তেতিয়াৰ পৰা সেই কাৰণ জানিবলৈ তেওঁ চেষ্টা চলালে ।

সেইদিনা ৰাতি যেতিয়া ঘৰৰ সকলো শুই আছিল মনধনে শেখৰৰ পঁজাৰ ওচৰলৈ মনে মনে গ'ল । শেখৰে কি কৰিছে জানিবৰ বাবে তেওঁ খিড়িকীৰে জুমি চালে । সেই সময়ত শেখৰে চাকিৰ পোহৰত হীৰাৰ হাৰ এডাল ইফালে সিফালে ঘূৰাই মনোযোগেৰে চাই আছিল । হাবিত খৰি কাটিবলৈ সি যেতিয়া গৈছিল তেতিয়া সেই হাৰডাল এটা কাউৰীৰ বাহৰ ওচৰত এডাল ঠানিত ওলমি আছিল । কাউৰীটোৱে খুব সম্ভৱ খোৱাবস্তু বুলি ভাৱি সেইডাল উঠাই আনিছিল আৰু যেতিয়া খোৱাবস্তু নহয় বুলি গম পালে তেতিয়া সেইডাল গছৰ ডালত ওলোমাই থ'লে । মনধনে এতিয়া জানিলে যে শেখৰৰ যি পৰিবৰ্ত্তন হৈছে সেয়া এই হাৰডালৰ বাবেই হৈছে।

এইদৰে কিছুদিন পাৰ হৈ গ'ল । সেইবছৰ মনধনৰ বাৰীত খুব কল লাগিছিল । তেওঁ ব্যংগভৰা মাতেৰে শেখৰক ক'লে, ''সোমশেখৰ ডাঙৰীয়া, কলবোৰ নি মধুপুৰ হাটত আমি দুয়োটাই বেচি থৈ আহিমচোন।''

শেখৰে সন্মতিৰে 'হ'ব' বুলি মূৰ ল'ৰালে । সেই দিনা সন্ধিয়া দুয়ো কলবোৰ লৈ হাটলৈ গ'ল । মনধনে সেইবোৰ এজন বেপাৰীক বেচি ঘূৰি আহিবলৈ ওলাইছিল এনেতে শেখৰে তেওঁক ক'লে, ''দেউতা, মই অলপ ঘূৰিব খোজো আৰু দোকানতনো কোনবোৰ বস্তু আছে চাব খোজোঁ ।''

মনধনে ক'লে, ''ঠিক আছে । ফুৰি আহা । মই ইয়াতে তোমাৰ বাবে অপেক্ষা কৰিম ।''

আধাঘন্টাৰ পিছত সি তলমূৰ কৰি মনধনৰ ওচৰলৈ আহিল । নৰম সুৰত

সি ক'লে, ''দেউতা, আমি এতিয়া যাওঁ।''

''আপোনাৰ যি ইচ্ছা, সোমশেখৰ ডাঙৰীয়া।'' মনধনে ক'লে।

শেখৰে বৰ দুখৰে ক'লে, ''মই আপোনাৰ ভৃত্য দেউতা। আপোনাৰ চকুৰ আগতে জন্ম হৈছিলো, ডাঙৰ-দীঘল হ'লো। আপুনি অনুগ্ৰহ কৰি মোক সোম বুলিয়ে মাতিব।'' শেখৰে বৰ নম্ৰসুৰত ক'লে।

আধা ঘন্টাৰ ভিতৰত শেখৰৰ এনে পৰিবৰ্ত্তন দেখি মনধনে তাৰ কাৰণ বুজিব নোবাৰিলে। তেওঁ আচৰিত হৈ তাৰ ফালে চাবলৈ ধৰিলে। শেখৰে সেয়া জানিব পাৰিলে আৰু ক'বলৈ ধৰিলে, ''দেউতা, আপুনি যদি মোক ক্ষমা কৰে তেন্তে এটা কথা আপোনাক ক'ব খোজো।''

মনধনে ক'লে, ''নিশ্চয়, নিসঙ্কোচে কোৱা।''

''এসপ্তাহৰ আগতে মই এডাল হীৰাৰ হাৰ পাইছিলো। আৰু মই সপোন দেখিবলৈ ধৰিলো। মই ভাবিলো যে সেইডাল বেচি এটা ঘৰ কিনিম, আৰু আৰামৰ জীৱন কটাম। মোৰ চিন্তা চৰ্চ্চাৰি ধৰণেই সলনি হৈ গৈছিল। নিজকে ডাঙৰ মানুহ বুলি ভাবিছিলো। সেইডাল বেচিবলৈ এইমাত্ৰ গহনাৰ দোকানলৈ গ'লো। দোকানীয়ে হাৰডাল নকল বুলি ক'লে। মই জোৰ দি ক'লো যে সেইডাল নকল নহয়, প্ৰকৃত হীৰাৰহে। মোৰ দৃঢ়তা দেখি তেওঁৰ খং উঠিল আৰু আৰু তেওঁৰ ভৃত্যৰ হতুৱাই মোক পিটালে আৰু মোক দোকানৰ পৰা বাহিৰ কৰি দিলে।'' এইবুলি কৈ সি হাৰডাল দেখুবালে।

সেইডাল ভালকৈ চাই মনধনে ক'লে, ''তই লোকৰ ঘৰত কাম কৰা ল'ৰা। কাম কৰিবি আৰু ভাগ্যই লগ দিলে এডাল নহয়, বহুত হীৰাৰ হাৰ কিনিব পাৰিবি। তই জানিছনে যি এই হাৰডাল হেৰুৱালে তাৰ কিমান বেয়া লাগিছে। এইডাল পায়েই তই পুলিচত চমজাই দিব লাগিছিল। পৰিশ্ৰম কৰি পোৱা ধনেহে প্ৰকৃত ধন। পইচা থাকক বা নাথাকক মানুহ অস্থিৰ হ'ব নালাগে। নিজৰ ব্যবহাৰ-পাতিৰ স্খলন হ'বলৈ দিব নালাগে। ইয়াতেই মানুহৰ প্ৰতিষ্ঠা আৰু গৌৰৱ আছে। বুজিলিনে ?''

শেখৰে 'হয়' বুলি মূৰ লৰালে।



পেটৰ পুত্ৰ নহ'ল তাতে কি হ'ল

বিশ্বনাথ চিৰিপুৰত বাস কৰিছিল। তেওঁ আছিল অধ্যাপক আৰু শিক্ষাদানত তেওঁ মন প্ৰাণ সঁপি দিছিল। সকলোৱে তেওঁক বৰ আদৰ সন্মান কৰিছিল।

বিশ্বনাথৰ পত্নী লক্ষ্মী বৰ সৰবৰহী পত্নী আছিল। তেওঁ সকলো কথাতে স্বামীক লগ দিছিল আৰু তেওঁলোকৰ একমাত্ৰ পুত্ৰ সন্তান চৈতন্যক বৰ মৰমেৰে ডাঙৰ দীঘল কৰিছিল।

গাঁৱত পঢ়া শেষ কৰি চৈতন্য চহৰলৈ গ'ল, তাত উচ্চ শিক্ষা লাভ কৰিলে আৰু তাতে নিজৰ বাবে এটা চাকৰিও গোটাই ল'লে। তাতে তেওঁ এজনী ছোৱালীৰ প্ৰেমত পৰিল আৰু মাক-দেউতাকৰ অনুমতি নোহোৱাকৈ তাইক বিয়া কৰালে।

এই কথা গম পাই বিশ্বনাথে অন্তৰত বৰ আঘাত পালে। তেওঁ পত্নীক ক'লে, ''সি যদি আমাৰ অনুমতি বিচাৰিলেহেঁতেন আমিতো বাধা নিদিলোহেঁতেন।''

সেই বছৰ গৰমৰ বন্ধত বিশ্বনাথ পত্নী-সহিতে তীৰ্থযাত্ৰাত ওলাল আৰু হৰিদ্বাৰত কেইদিনমান থাকিল। এদিন ভগবানক দৰ্শন কৰি উঠি তেওঁ যেতিয়া মন্দিৰৰ সমুখত বহি আছিল, তেতিয়া দহ বছৰীয়া এটা শিশু ভিক্ষা খুজি তেওঁৰ ওচৰলৈ আহিল।

''বাচা, এয়াতো লিখা পঢ়া কৰাৰ সময়। ভিক্ষা কৰিছা কিয়? তোমাৰ মা-দেউতাই কৰে কি?'' বিশ্বনাথে সুধিলে।

''ছবছৰ আগেয়ে এক নাও দুৰ্ঘটনাত মোৰ মা দেউতাৰ সলিল সমাধি ঘটিছিল। আমাৰ পৰিয়ালটো বৰ দুখীয়া। মই আৰু মোৰ পঙ্গু দাদাই ভিক্ষা কৰিয়েই পেটে ভাতে খাই আছো।'' ল'ৰাটোৱে ক'লে।

বিশ্বনাথে খুব মৰমেৰে ল'ৰাটোক নিজৰ ওচৰলৈ বহিবলৈ দি সুধিলে, ''তোমাৰ নাম কি?'' তেওঁ ক'লে, ''মল্লিক।'' বিশ্বনাথে সুধিলে, ''তোমাক যদি মই পঢ়ুৱাও, তুমি বাৰু পঢ়িবানে?'' ''নিশ্চয়, নিশ্চয় পঢ়িম। কিন্তু তেতিয়া মোৰ দাদাৰ কি হ'ব?''

সাহিত্যিক মেল

মল্লিকে সুধিলে।

“মই তেওঁৰ চোৰা-চিতাৰ সম্পূৰ্ণ ব্যৱস্থা কৰিম। ইয়াত কোনো অসুবিধা হ'বলৈ নিদিম। সম্পূৰ্ণ দায়িত্ব ল'ম। এতিয়া কোৱা, তুমি পঢ়িবানে? ”মল্লিকে মূৰ দুপিয়ালে।

বিশ্বনাথে পত্নীৰপৰা অনুমতি ল'লে। মল্লিক তেওঁলোকৰ লগত গাঁৱলৈ গ'ল আৰু ভালকৈ পঢ়া শুনা কৰিবলৈ ধৰিলে।

বৃদ্ধ বিশ্বনাথে এদিন প্ৰাণত্যাগ কৰিলে। লক্ষ্মীৰ লগতে গোটেই গাঁওখন বিষাদ সাগৰত ডুব গ'ল। তেওঁলোকৰ একমাত্ৰ পুত্ৰ চৈতন্য সেই সময়ত আহিব নোৱাৰিলে, কাৰণ চাকৰি সম্পৰ্কীয় কামত সি বহুত দূৰৰ এখন ঠাইত থাকিবলগীয়া হৈছিল। মল্লিকেই বিশ্বনাথৰ অন্ত্যেষ্টিক্ৰিয়া সম্পূৰ্ণ কৰিলে।

দুসপ্তাহৰ পাছত চৈতন্য চিৰিপুৰ পালেগৈ। দেউতাকে নিজৰ গোটেইখিনি সম্পত্তি মল্লিকৰ নামত লিখি থৈ গৈছে বুলি জানি তাৰ খুব খং উঠিল। এই কথাটো লৈ যেতিয়া সি মাকৰ লগত কাজিয়া কৰিম বুলি ধুমুহাৰ গতিত ঘৰলৈ আহিছিল তেতিয়া সি ভিতৰত চলি থকা কথা কাণত পৰাত দুৱাৰমুখতে ৰৈ গ'ল।

“গুৰুৱে মোক শিক্ষা দিলে। সেই শিক্ষাৰ জোৰত মই এটা ভাল চাকৰি বিচাৰি ল'ম। এতিয়ালৈকে আপুনি মোক মৰম দিলে, শিক্ষা দিলে, আশ্ৰয় দিলে, আপোনাক সকলো ধৰণে চোৰা-চিতা কৰাটো মোৰ দায়িত্ব। গুৰুৱে মোক দি যোৱা সম্পত্তি মই আপোনাৰ পুত্ৰৰ হাততেই তুলি দিম। ইয়াৰ বাবে মোক আপোনাৰ অনুমতি লাগে।” মল্লিকে কৈ আছিল।

তাৰ কথা শুনি চৈতন্যই বুজি পালে মল্লিকৰ হৃদয় কিমান পৰিষ্কাৰ। সি ভিতৰলৈ আহিল আৰু মল্লিকৰ হাতত ধৰি ক'লে, “তুমি প্ৰমাণ কৰি দেখুৱালা যে যাক লালন পালন কৰা হ'ল তেওঁ পেটৰ সন্তানতকৈ কোনোগুণে কম নহয়। পিতাই দি থৈ যোৱা সম্পত্তি তুমিয়েই চম্ভালি লোৱা। নিজৰ মাতৃৰ দৰে তুমিয়েই মাক চোৰা-চিতা কৰিবা।”

লক্ষ্মী জীয়াই থকালৈকে মল্লিকৰ লগত গাঁৱতে থাকিল। মল্লিকে যিখন পাঠশালাত শিক্ষা লাভ কৰিছিল তাতেই শিক্ষকতা কৰি গ'ল আৰু লগতে লক্ষ্মীকো নিজৰ পুতেকৰ দৰে চোৰা-চিতা কৰি গ'ল। পেটৰ সন্তান নহ'ল, তাতে কি হ'ল?

– ভি. প্ৰবীনা, নেল্লুৰ জিল্লা



গোল পাথৰৰ কাহিনী

বিদ্যানন স্বামী বিজয়পুৰ পালেহি। সেই দিনা সন্ধিয়া তেওঁ নগৰৰ প্ৰজাসকলক লগ কৰি উপদেশ দিয়াৰ কথা আছিল। সুসজ্জিত মঞ্চৰ সোঁফালে আৰু এখন বিশেষ আসনৰ ব্যৱস্থা কৰা হ'ল। জমিদাৰ জগপতি ৰায়ে বিদ্যানন স্বামীক নিজৰ ঘৰত আতিথ্য দিয়াই নহয়, বৰঞ্চ তেওঁক আৱৰশ্যক পৰিমাণে ধনো দিলে। জমিদাৰৰ বাবে ৰখা বিশেষ আসনত তেওঁ নবহিল। তেওঁ জনতাৰ লগতে বহিল।

বিদ্যানন স্বামীয়ে কথাটো মন কৰিলে আৰু অতি প্ৰশংসাৰ সুৰত ক'লে, ''মানবীয় গুণসমূহৰ ভিতৰত প্ৰধান হৈছে বিনয়। সেই গুণ থাকিলে সহনশক্তি, দৈৱভক্তি আদিৰ দৰে সদগুণ সমূহ আপোনা আপুনি আহে। বয়স্কসকলে কয় যে মানুহৰ সা–সম্পত্তি আদি পূৰ্বজন্মৰ কৰ্মফল অনুসৰি পায়। কিন্তু তাৰ ওপৰতে বিশ্বাস কৰি হাত সাবটি বহি থাকিলে নহ'ব। ইহলোক আৰু পৰলোকৰ সুখৰ কাৰণে মানুহে নিৰন্তৰ কাম কৰিব লাগিব। তাৰোপৰি লাগিব ভগবানৰ কৃপা। তেতিয়াহে জীৱনৰ লক্ষ্য সাধন হয় আৰু সদ্গতি প্ৰাপ্তি হয় । তেতিয়ালৈকে ধৈৰ্য ধৰা প্ৰয়োজন। এই দুয়োটোৰে আধাৰ হৈছে বিনয়। আমি যি পৰিস্থিতিতেই নাথাকো লাগে, উত্থান পতনৰ মুখামুখি যিমানেই নহওঁ লাগে, এই বিনয় সকলো সময়তে আমাৰ থাকিব লাগিব। অহঙ্কাৰৰ পৰা বিৰত থাকিব লাগিব। উদাহৰণস্বৰূপে, এক গোল পাথৰৰ কাহিনী শুনাইছো।'' এইবুলি তেওঁ ক'বলৈ ধৰিলে–

''গোদাৱৰী নদীৰ পাৰৰ এখন সুন্দৰ ঠাইত আম, কঠাল, নাৰিকল আৰু কল আদি নানা তৰহৰ ফল–মূলৰ গছ আছিল। এবাৰ গোদাৱৰী নদীত বান

ড.চক্ৰপাণি

আহিল। সেই বানত বোকাৰ লগতে পাহাৰৰপৰা কিছুমান পাথৰো তললৈ বৈ আহিল। এই পাথৰবোৰৰ মাজত এটা গোল পাথৰ আছিল আৰু নদীৰ পাৰত থকা এজোপা নাৰিকল গছত পাথৰটো খুন্দা খাই ৰৈ গ'ল। নাৰিকল গছৰ শিপাত লাগি ধৰি পাথৰটো আগবাঢ়িব নোৱাৰা হৈছিল। লাহে লাহে বান কমি আহিল। গছত লাগি থকা নাৰিকলবোৰে সূৰ্যৰ কিৰণত জিলিকি থকা শিলটো দেখি আচৰিত হ'ল।

এটা পকা নাৰিকলে সুধিলে, ''হেৰা তুমি কোনহে? ক'ৰপৰা আহিছা? ইয়াত কিয় ৰৈ গ'লা?''

পাথৰটো মৌন হৈ থাকিল। তেনেতে গছজোপাৰ আন এটা নাৰিকলে তাক ঠাট্টা কৰি ক'লে, ''ইয়াৰ কাহিনী মই ভালকৈ জানো। ইয়াৰ জন্ম পাহাৰত আৰু বৈ আহি তললৈ আহিছে। পানীৰ প্ৰবাহত এই পাথৰ সৰু সৰু টুকুৰাত পৰিণত হয়। ইয়ো সেই টুকুৰাবোৰৰে এটা। বাগৰি বাগৰি ইয়ালৈ অহাৰ বাবে ইয়াক দেখাত গোল যেন লাগিছে। বেচেৰা বানৰ কাৰণেই আমাৰ মাজত আহি ৰৈ গ'লহি, নহ'লে বাগৰি বাগৰি বালিৰ কণাত পৰিণত হৈ সমুদ্ৰত ডুব গ'লহেঁতেন।''

''বেচেৰা গোল পাথৰ, সহনশক্তিৰো এটা সীমা থকা উচিত। আমাক চোৱাচোন, আত্মাভিমানেৰে আমাৰ মহান দেহ, আকাশক স্পৰ্শ কৰি আমি কিমান আনন্দ আৰু গৌৰৱেৰে জীয়াই আছো।'' আৰু এটা নাৰিকলে ক'লে। তথাপি গোল পাথৰ মৌন হৈ থাকিল। এইদৰে কিছু সময় অতিবাহিত হ'ল।

নদীৰ সমীপত থকা গাঁওখনত এটা শিৱমন্দিৰ আছিল। পূজাৰীয়ে

এখন থালিত নাৰিকল, পুষ্প আৰু ধূপ ভগবানৰ সমুখত ৰাখি পূজা কৰি আছিল। নাৰিকলে নিজৰ দুই চকু মেলি ভগৱানক চাই ৰ'ল। ক'লা গোল পাথৰটো ওপৰত জিলিকি আছিল। তাক ওখ ঠাই এটুকুৰাত ৰখা হৈছিল। নাৰিকলৰ মনত পৰিল তাৰ গছত আহি লাগি ধৰা গোল পাথৰৰ কথা। সি পাথৰটোৰ কথা ভাৱি থাকোতেই গোল পাথৰটোৱে নাৰিকলক ক'লে, ''হেৰা মিত্ৰ, সেই সময়ৰ উন্নত স্থিতি আৰু স্বাভিমান গ'ল ক'লৈ? তুমিতো কৈছিলা সহনশক্তিৰো এটা সীমা থকা উচিত বুলি। মোক ঠাট্টা কৰি কৈছিলা দেখোন এনেকুৱা সীমাৰ ক্ষেত্ৰত মই অনভিজ্ঞ, মোৰ স্বাভিমান নাই, অপমান সহি থকাই মোৰ ভাগ্যত লিখা আছে ইত্যাদি ইত্যাদি। মোক দয়া দেখুৱাইছিলা আৰু নিজকে অমৰ অটল বুলি ভাৱিছিলা। এতিয়া পিছে কি হ'ল?''

তেনেতে পূজাৰীয়ে নাৰিকলটো হাতত ল'লে আৰু পাথৰত খুন্দিয়াই তাক দুটুকুৰা কৰিলে। অনুতাপত দগ্ধ নাৰিকলটোৱে ক'লে, ''মিত্ৰ, মোক ক্ষমা কৰিবা, সেইদিনা মই গছত লাগি আছিলো, নিজকে ডাঙৰ বুলি ভাৱি তোমাক ইটোৰ পাছত সিটোকৈ কটু কথা শুনাইছিলো। এতিয়া মোৰ অৱস্থা বেয়া। এতিয়া মই নিজকে ভগৱানৰ পূজাত সমৰ্পণ কৰিছো। আমাতকৈয়ো ওখ পাহাৰত তোমাৰ জন্ম, পবিত্ৰ গোদাবৰীত তোমাৰ বসতি, আৰু তুমি পূজাৰ যোগ্য। তুমি প্ৰমাণ কৰি দেখুৱালা যে সহনশক্তিতকৈ ডাঙৰ গুণ আন একোৱেই হ'ব নোৱাৰে।'' ইয়াৰ পাছত শিৱক সমৰ্পণ কৰা নাৰিকলো পবিত্ৰ হ'ল আৰু তাক ভক্তসকলৰ মাজত প্ৰসাদৰূপে বিতৰণ কৰা হ'ল।

বিদ্যানন্দ স্বামীয়ে ক'লে, ''নদীৰ প্ৰৱাহত লাগি ধৰা গোল পাথৰটোৰ দৰে মানুহেও জীৱনত উত্থান পতনৰ মুখামুখি হ'ব লাগে। সকলো সহি লৈ যি সন্মানৰ পথেদি আগবাঢ়িব পাৰে, তেওঁৰেই এদিন নহয় এদিন উন্নত স্থিতি প্ৰাপ্তি হয় আৰু তেওঁৰেই মানৱ জীৱন ধন্য হয়।''



বেপাৰৰ কৌশল

ধৰ্মকটক এখন সৰু ৰাজ্য আছিল। তাৰ ৰজাৰ নাম আছিল ধৰ্মৰাজ। প্ৰজাক তেওঁ নিজৰ সন্তানৰ দৰে জ্ঞান কৰিছিল। চুবুৰীয়া ৰাজ্যৰ লগতো তেওঁৰ ভাল সম্পৰ্ক আছিল। কিন্তু তেওঁৰ এটা দুৰ্বলতা আছিল। তেওঁ নিজৰ মন্ত্ৰীবৰ্গ আৰু ৰাজকৰ্মচাৰীসকলক খুব বেছি বিশ্বাস কৰিছিল। এই কাৰণত তেওঁ মাজে সময়ে কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল। ধৰ্মকটক ৰাজ্যত বিভিন্ন হস্তকলাৰ বিকাশ হৈছিল। ইয়াত তৈয়াৰী ৰত্নখচিত কম্বল আৰু ৰেছমী শাড়ী আন আন ৰাজ্যত বিক্ৰী হৈছিল।

ধৰ্মৰাজ এদিন তেওঁৰ ৰাণীৰ সৈতে ৰথত উঠি নগৰ ফুৰিবলৈ গৈছিল। নগৰবাসীয়ে ৰাজদম্পতিক স্বাগতম জনালে। নগৰৰ অলিয়ে গলিয়ে তেওঁলোক ঘূৰি ফুৰোতে, এঠাইত ৰত্নাচাৰী নামৰ এজন বেপাৰীৰ দোকানত সজাই থোৱা ৰত্নখচিত কম্বল আৰু ৰেছমী শাড়ীবোৰে ৰাণীৰ দৃষ্টি আকৰ্ষিত কৰিলে।

অন্তেষপুৰলৈ ঘূৰি আহি ৰাণীয়ে ৰজাক মিনতি জনালে যে সেই ৰত্নাচাৰীৰ দোকানৰপৰা যাতে কেইখনমান ৰত্নখচিত কম্বল আৰু শাড়ী ক্ৰয় কৰা হয়। ৰজাই তেওঁৰ মহামন্ত্ৰীক মাতি পঠিয়ালে আৰু ৰাণীৰ ইচ্ছাৰ কথা কৈ ক'লে, ''কাৰোবাক পঠিয়াই এইখিনি অনোৱাৰ ব্যৱস্থা কৰক আৰু যথাযথ মূল্য দিয়াৰো ব্যৱস্থা কৰক।''

''মহাৰাজ, মই তৎক্ষণাৎ ব্যৱস্থা কৰিছো।'' তাৰপিছত মহামন্ত্ৰীয়ে এই কামৰ দায়িত্ব দিলে কোষাধিকাৰীক।

কোষাধিকাৰীয়ে আকৌ এই দায়িত্ব প্ৰদান কৰিলে বাণিজ্য বিষয়াক। বাণিজ্য বিষয়াই আকৌ এই কাম দিলে কৰ সংগ্ৰহকাৰী সৈনিকক।

সৈনিক সেই দোকানলৈ গৈ ৰজাৰ ইচ্ছাৰ কথা ৰত্নাচাৰীৰ আগত ব্যক্ত কৰিলে। ৰত্নাচাৰীয়ে ক'লে, ''ৰজ

বিয়োগী

ই আদেশ দিয়ে যদি মই এই দোকানেই তেওঁৰ হাতত গতাই দিবলৈ সাজু আছো।'' এইবুলি কৈ ৰত্নাচাৰীয়ে পছিচখন শাড়ী আৰু পছিচখন ৰত্নখচিত কম্বল সৈনিকৰ হাতত তুলি দিলে। লগতে তেওঁ সৈনিকৰ পত্নীৰ বাবেও দুখনকৈ শাড়ী দিলে।

''তুমি আমাৰ পত্নীসকলৰ বাবেও দুখনকৈ শাড়ী দিলা। কিন্তু আমাৰ উচ্চ বিষয়াসকলৰ বাবে কি দিবা?'' সৈনিকসকলে সুধিলে।

উপায়ন্তৰ হৈ ৰত্নাচাৰীয়ে বাণিজ্য বিষয়া আৰু কৰ বিষয়াৰ পত্নীসকলৰ বাবেও শাড়ী আৰু কম্বল দিলে।

সেই ৰাতি ৰত্নাচাৰী শুব নোবাৰিলে। এখন এখন কম্বলৰ মূল্য অতি কমেও এক লাখ সোণৰ মুদ্ৰা আছিল। কেইদিনমানলৈ তেওঁ সেই ধনখিনি পাব বুলি অপেক্ষা কৰিলে। কিন্তু কোনো লাভ নহ'ল। তেওঁ অনুভৱ কৰিলে যে সৈনিকসকল বা বিষয়াসকলৰ লগত এই বিষয়ে কথা পাতি কোনো লাভ নাই। তেওঁ নিজৰ এজন বিশ্বস্ত কৰ্মচাৰীৰ হতুৱাই দামৰ বিবৰণ দি কোষাধিকাৰীলৈ এখন প্ৰাৰ্থনা পত্ৰ প্ৰেৰণ কৰিলে।

কোষাধিকাৰীয়ে এই পত্ৰ পঠিয়ালে বাণিজ্য বিষয়ালৈ। বাণিজ্য বিষয়াই কৰ বিষয়াক মতাই আনি খুব গালি পাৰিলে।

পিছদিনাই তেওঁৰ প্ৰাপ্য ধনখিনি পাব বুলি ৰত্নাচাৰীয়ে আশা কৰিছিল। কিন্তু তেনেকুৱা একো নঘটিল। তেওঁ অপমানিত বোধ কৰিলে।

ইফালে বাণিজ্য বিষয়াৰ গুপ্তচৰ দোকানলৈ আহি গোটেই দোকানখন ভালকৈ চালে। তেওঁ জনালে যে ৰত্নাচাৰীয়ে কৰ দিয়া নাই। লগতে এইবুলিও ক'লে যে তেওঁৰ ওচৰত অগাধ সম্পত্তি আছে যিখিনিৰ হিচাপ কোষাধিকাৰীক দিয়া হোৱা নাই। এই অজুহাততে তেওঁ ৰত্নাচাৰীক বন্দী কৰি কাৰাগাৰত নিক্ষেপ কৰিলে।

এই ঘটনা লৈ ৰত্নাচাৰীৰ পত্নী আৰু সন্তান উদ্বিগ্ন হৈ উঠিল। তেওঁলোকে ভাৱি উলিয়াব নোৱাৰিলে কি কৰা যায়। নিজৰ দুৰ্ভাগ্য, অসহায় অৱস্থাৰ কথা ভাবি তেওঁলোকে কান্দিবলৈ ধৰিলে। ঠিক সেই দিনাই আবেলি, কাশী যাত্ৰাত যোৱা ৰত্নাচাৰীৰ দেউতাক মাণিক্যাচাৰী ঘৰ ওলালহি। কথাটো জানি তেওঁ কোষাধিকাৰীৰ মামাকক লগ ধৰিলেগৈ, যি আছিল তেওঁৰ বাল্য বন্ধু। তেওঁক লগত লৈ দেউতাক কোষাধিকাৰীৰ ঘৰ ওলালগৈ আৰু নিজৰ পুতেকৰ হৈ ক্ষমা খুজিলে।

তেওঁ কোষাধিকাৰীক ক'লে, ''মোৰ পুত্ৰ ৰত্নাচাৰীৰ ওচৰত যি অগাধ সম্পত্তি

আছে, সেইবোৰ তাৰ উপাৰ্জনৰ ফল নহয়, বৰঞ্চ সি সেইবোৰ তাৰ বংশ –ধৰৰপৰা উত্তৰাধিকাৰী সূত্ৰেহে পাইছে। মোৰ পুত্ৰ বিনা দোষত বন্দী হৈ আছে।'' এই কথাৰ সমৰ্থনত তেওঁ কিছুমান প্ৰমাণো প্ৰস্তুত কৰিলে আৰু শেষত তেওঁ নিজৰ পুতেকক কাৰাগাৰৰ পৰা উলিয়াই আনিলে।

এই সকলোবোৰ থানথিত লাগিবলৈ এমাহ লাগিল। ৰত্নাচাৰীৰ ব্যৱসায় একেবাৰ টুটি আহিল। তেওঁৰ সৈতে হোৱা অন্যায়ৰ কথা ভাৱি ৰত্নাচাৰীয়ে বৰ দুখী অনুভৱ কৰিবলৈ ধৰিলে। অতীষ্ঠ হৈ এদিন ৰত্নাচাৰীয়ে দেউতাকক ক'লে, ''আমাৰ প্ৰতি যি অন্যায় কৰা হ'ল, সেই অভিযোগ আমি স্বয়ং ৰজাক কৰিম।''

এই কথা শুনি তেওঁৰ দেউতাকে দীঘলকৈ উশাহ লৈ ক'লে, ''তই এজন বেপাৰীৰ পুতেক, ইমানদিনে বেপাৰ কৰি আহিছ, তথাপি তই বেপাৰৰ কৌশল নিশিকিলি। এই সাধাৰণ জ্ঞান নোহোৱাৰ বাবেই তোৰ এই অৱস্থা হ'ল। সহজতে সমাধান কৰিব পৰা সমস্যা তই নিজেই জটিল কৰি ল'লি। ৰাণীক দিয়া ৰত্নখচিত কম্বল আৰু শাড়ীৰ মূল্য আদায় কৰিবলৈ তই কোষাধিকাৰীক প্ৰাৰ্থনা পত্ৰ দিয়া অনুচিত আছিল। ধনো গ'ল, নিজৰ সন্মানো গ'ল।''

''ইমান লাখ সোণৰ মুদ্ৰাৰ মূল্য কেনেকৈ এৰি দিওঁ? আমাক ইমানখিনি ধন দিব কোনে?'' ৰত্নাচাৰীয়ে সুধিলে।

''লাখ নহয়, কোটি সোণৰ মুদ্ৰা উপাৰ্জন কৰিব পাৰিলিহেঁতেন। ৰজাৰ সামান্য বিশ্বাস আদায় কৰিব পৰাহেঁতেনেই এই কাম সম্ভৱ হ'লহেঁতেন।'' দেউতাকে ক'লে।

''তাৰমানে আপুনি ক'ব খুজিছে নেকি নিজৰ প্ৰাপ্য ধন বিচাৰি মই অপৰাধ কৰিছো বুলি?'' ৰত্নাচাৰীয়ে খঙেৰে ক'লে।

“ধন বিচৰাটো অপৰাধ বুলি কোৱা নাই। বিচৰাৰ পদ্ধতিটোহে চিন্তা কৰি লোৱা নহ’ল। সেই কাৰণেই আমাৰ ধনো গ’ল, সন্মানো গ’ল।” দেউতাকে ক’লে।

“মই বুজি পোৱা নাই আপুনি কি ক’ব খুজিছে?” অসহায় ৰত্নাচাৰীয়ে ক’লে।

“ৰজা ভাল, তাৰ অৰ্থ এইটো নহয় যে তেওঁৰ পৰিয়ালৰ আটাইবোৰ সদস্যই ভাল। বেপাৰত গুৰুৰ কথা মানিব লাগে আৰু মানুহ চিনি পাব লাগে। বাস্তৱিকতা এফালে আৰু বেপাৰ আনফালে থাকে। দুয়োৰে মাজত আকাশ পাতাল পাৰ্থক্য। এতিয়াও তই অভিজ্ঞতাত কেঁচা।” দেউতাকে ক’লে।

“ঠিক আছে। কওকচোন সেই সময়ত মই কি কৰা উচিত আছিল? ঘূৰাই পকাই কথাখিনি কোৱাতকৈ পোনে পোনে নকয় কিয়?” ৰত্নাচাৰীয়ে সুধিলে।

“তই প্ৰথমতেই ডাঙৰ ভুল কৰিলি। ৰাণীৰ লগতে তই কম্বল আৰু শাড়ী সৈনিকসকলকো দিলি। আৰু দিলি উচ্চ পদস্থ বিষয়াসকলক। তই ভাৱিলি ইয়াৰদ্বাৰা তেওঁলোক সুখী হ’ব আৰু তোৰ প্ৰশংসা কৰিব। তাকে নকৰি তই বস্তুবোৰ লৈ নিজেই ৰাণীৰ ওচৰলৈ যোৱাহেঁতেন ভাল দামো পালিহেঁতেন আৰু তোৰ ভাল নামো হ’লহেঁতেন। তই প্ৰচাৰ কৰিব পাৰিলিহেঁতেন যে ৰাণীয়ে পিন্ধা শাড়ী আমাৰ দোকানত পোৱা যায়। তাৰ লগে লগে আমাৰ বেপাৰো ভাল হ’লহেঁতেন আৰু উপাৰ্জনো বাঢ়িলহেঁতেন। বুজিলিনে মোৰ কথা?” দেউতাকে ক’লে।

“হয়, আপুনি ঠিকেই কৈছে।” ওচৰতে ৰৈ থকা ৰত্নাচাৰীৰ পত্নীয়ে শহুৰেকৰ কথাখিনি সমৰ্থন কৰি ক’লে।

এই ঘটনাৰ দহ দিনৰ পাছত ৰত্নাচাৰীৰ দেউতাকক কোষাধিকাৰীয়ে মাতি পঠিয়ালে। কোষাধিকাৰীয়ে ক’লে, “তোমাৰ পুত্ৰৰ প্ৰতি যি অন্যায় কৰা হ’ল, সেই কথা মই ৰজাক জনাইছো। তেওঁ যথাযথ তদন্ত কৰিলে, দোষীক শাস্তি দিলে আৰু আদেশ দিলে যে ৰত্নাচাৰীক আঁচল দামতকৈ দুগুণ দাম আদায় দিয়া হওক।” এইবুলি কৈ তেওঁ কেইবালাখ সোণৰ মুদ্ৰা দেউতাকক দিলে।

ইমানখিনি ধন দেখি ৰত্নাচাৰী আৰু তেওঁৰ পত্নী বৰ সুখী হ’ল।



পিছচোতালৰ গছপুলি

বল্লভ সেঠ ৰামপুৰৰ প্ৰসিদ্ধ গহনাৰ বেপাৰী আছিল। নগৰৰ অভিজাত পৰিয়ালবিলাকৰ তেওঁৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছিল। সেয়েহে তেওঁলোকে তেওঁৰ পৰা সকলো ধৰণৰ অলঙ্কাৰেই কিনিছিল। ৰামদেৱ আৰু বাসুদেৱ নামৰ তেওঁৰ দুটা যঁজা ল'ৰা আছিল। বহুদিনৰ মূৰত ল'ৰা দুটাৰ জন্ম হৈছিল, সেয়ে তেওঁলোকে বৰ মৰমত ল'ৰা দুটা ডাঙৰ দীঘল কৰিছিল। ফলত পঢ়া শুনাৰ প্ৰতি সিহঁতৰ মন নাছিল। পিতাকৰ ব্যৱসায়তো সিহঁতৰ ৰাপ নাছিল। যেতিয়াই দেখা যায়, সমনীয়াৰ লগত ঘূৰি ফুৰিছিল।

সিহঁতৰ এনে স্বভাৱ দেখি বল্লভ সেঠৰ চিন্তা আৰু দুখ হৈছিল। এদিন তেওঁ পত্নীক ক'লে, ''ইহঁত বৰ দায়িত্বহীন। তুমি ইহঁতক বৰ মৰমেৰে তুলিলা, সেইবাবেই ইহঁত এনেকুৱা হ'ল। মই মৰি থাকিলে এই ব্যৱসায় কোনে চম্ভালিব?''

''আমাৰ অগাধ সম্পত্তি আছে। চাৰিটা পুৰুষলৈ আৰামেৰে খাই বৈ থাকিব পাৰিব। আলাসত ডাঙৰ হোৱা এই ল'ৰা দুটাই কাম নকৰিলেই যেনিবা কিনো হ'ল। সিহঁতেনো কিহৰ কাৰণে পইচা ঘটিব লাগিছে?'' সেঠৰ পত্নীয়ে ক'লে। সেঠে ভাবিলে যে এই কথা লৈ তেওঁৰ পত্নীৰ লগত তৰ্ক কৰি লাভ নাই। সেয়েহে তেওঁ মনে মনে থাকিল।

দুদিনৰ পিছত সেঠে দুয়ো পুত্ৰক মতাই আনি ক'লে, ''মোৰ বন্ধু বিজয় কানপুৰত থাকে। তেওঁলৈ মই এখন দৰকাৰী চিঠি লিখি দিছোঁ। তোমালোক তালৈ যোৱা আৰু তেওঁক এই চিঠি দি আহা। ই অতি গোপনীয় কাম। সেয়ে মই তোমালোক দুয়োকো এই কাম সঁপিছোঁ। কানপুৰ অতি ডাঙৰ নগৰ। চায়ো আহিবা।'' দুয়ো ভাই সেইদিনাই কানপুৰলৈ বুলি ওলাল।

চিঠিখন পঢ়ি বিজয়ে মনে মনে মূৰ

লক্ষ্মীকান্ত

সেয়েহে মই এই চহৰ এৰি যাবলৈ ওলাইছো। ভগবানে কৃপা কৰিলে পিছত ক'ৰবাত মিলিত হ'ম।'' কথাটো গম পাই দুই পুত্ৰ বিমৰ্ষ হৈ পৰিল।

এই কথা জনাৰ পিছত বিজয়ৰ ব্যৱহাৰতো বহুতো পৰিবৰ্ত্তন আহিল। কঠোৰ সুৰত তেওঁ দুয়োকো ক'লে, ''অকৰ্মণ্য লোকক বহুৱাই খুৱাবলৈ তোমালোকৰ পিতাৰাৰ দৰে মই কোটিপতি নহওঁ। নিজে কিবা কাম বিচাৰি লোৱা আৰু নিজৰ জীৱিকা যোগাৰ কৰা।''

সিহঁত দুয়ো এই অপমান সহিব নোৱাৰিলে কিন্তু কৰেই বা কি? পেট প্ৰবৰ্ত্তাবলৈয়ো সিহঁতৰ কোনো সংস্থান নাই। সেয়ে দুয়ো অপমান সহি বিজয়ক প্ৰাৰ্থনা কৰিলে যাতে তেওঁ সিহঁতক কিবা সংস্থান যোগাৰ কৰি দিয়ে। বিজয়ে দুয়োৰে বাবে কামৰ যোগাৰ কৰিলে। ৰামদেৱক নিজৰ কাপোৰৰ দোকানত হিচাব লিখাৰ কাম দিলে আৰু বাসুদেৱক নিজৰ ঘৰতে মালীৰ কাম দিলে। তাৰ কাম হ'ল তেওঁৰ বাৰীৰ পাচলি হাটলৈ গৈ বেচা। আৰম্ভণিতে এই কাম কৰি দুয়োটাই বৰ অসুবিধা পাইছিল।

এদিন ৰামদেৱে বাসুদেৱক ক'লে, ''দেখিলানে, আমাৰ মালিক কিমান কঠোৰ? হিচাবত দহ টকা কম হ'ল, তেওঁ মোক খাবলৈকে নিদিলে।''

''হয় দাদা, পাচি ভৰাই ভৰাই পাচলি বজাৰত গৈ বেচি থৈ আহো, কিন্তু এখন গাড়ী যোগাৰ কৰি নিদিয়ে। মোলৈ তেওঁৰ বেয়াও নালাগে।'' এইদৰে বাসুদেৱে দুখ কৰিলে।

লৰালে। তাৰ পিছত, দুয়ো বন্ধু পুত্ৰক সোধ পোচ কৰিলে আৰু নগৰ দেখুৱাবলৈ প্ৰয়োজনীয় ব্যৱস্থা কৰিলে। বিজয়ৰ পত্নীয়ে বৰ মৰমেৰে সিহঁতক ৰাখিলে। তেওঁলোকৰো দুজনী যঁজা ছোৱালী আছিল, শ্ৰেষ্ঠা আৰু শ্বেতা। দুয়োজনী ধুনীয়া আৰু খবৰদাৰী আছিল। বাসুদেৱ আৰু ৰামদেৱকো সিহঁতৰ ভালেই লাগিল।

এসপ্তাহৰ পিছত বল্লভ সেঠৰ পৰা বিজয়ৰ নামত এখন চিঠি আহিল। তাত পুতেকহঁতক সম্বোধি লিখা আছিল, ''বোপাহঁত, চাৰিদিনৰ আগতে ৰাতি দোকানৰ সকলো বস্তু চোৰে উঠাই লৈ গ'ল। লগতে মানুহে মেৰামতিৰ বাবে দিয়া অলঙ্কাৰবোৰো। তেওঁলোকে এতিয়া সেইবোৰ ঘূৰাই খুজিছে। অন্যথা মোক তেওঁলোকে ৰজাৰ ওচৰলৈ লৈ যাব। ৰজাইতো মোক কঠোৰ শাস্তি বিহিবই। এই অপমান মই সহ্য কৰিব নোৱাৰো।

''যি হ'ল, সেয়া পাহৰি যোৱা। পিতাদেৱে কৈছিল যি কষ্ট সহিব, এদিন নহয় এদিন তেওঁ ফল পাবই। আমাৰো ভাল দিন আহিব।'' ৰামেদেৱে ভায়েকক সান্তনা দিলে।

দিন আগবঢ়াৰ লগে লগে দুই ভাতৃৰ কামৰ স্পৃহা আৰু একাগ্ৰতা বাঢ়ি গ'ল। লগতে সিহঁতে ব্যৱসায়ৰ খুটি নাটিবোৰো শিকি ল'লে। বিজয়ৰ কন্যা শ্ৰেষ্ঠা আৰু শ্বেতাই দুয়োকো ভাল চকুৰে চাবলৈ ধৰিলে। বিজয়ে দিয়া মাহিলী বেতনৰ পৰা দুয়ো অলপকৈ সাঁচি যাবলৈ ধৰিলে।

ছমাহৰ পিছত বল্লভ সেঠ পত্নী সহিতে কানপুৰলৈ আহিল। মাক দেউতাকক দেখি দুয়ো পুত্ৰৰ আনন্দৰ চকুলো ববলৈ ধৰিলে। পুতেকহঁত উপাৰ্জনক্ষম হোৱাত তেওঁলোকো আনন্দিত হৈ পৰিল।

বল্লভ সেঠে বিজয়ক ক'লে, ''বন্ধু, যি সম্পত্তি চোৰে লৈ গৈছিল, ঘূৰাই পালো। এতিয়া আমি নিজৰ ঠাইলৈ ঘূৰি যাম। তোমাৰ সহায় সমৰ্থনৰ বাবে মোৰ অশেষ ধন্যবাদ।'' সেঠৰ কথাৰ আঁৰত যি ৰহস্য লুকাই আছিল, সেয়া বিজয়ে গম পাই মিচিকিয়াই হাঁহিলে।

''নিজৰ পুত্ৰহঁতৰ লগতে নিজৰ বোৱাৰীহঁতকো লৈ যোৱা। এয়া মোৰেই সৌভাগ্য যে সিহঁতে যোগ্য স্বামী পাইছে।'' বিজয় ক'লে।

বল্লভে সানন্দে প্ৰস্তাৱ স্বীকাৰ কৰিলে। বিবাহৰ পিছদিনা বিজয়ে গোপনে বল্লভক সুধিলে, ''মোৰ কাপোৰৰ ব্যৱসায়তকৈ তোমাৰ ব্যৱসায় বঢ়িয়া। তুমি ব্যৱসায়ত মোতকৈ দক্ষ। তুমি নিজেইচোন ল'ৰাহঁতক শুদ্ধ পথলৈ আনিব পাৰিলাহেঁতেন। চোৰৰ চেলু লৈ তুমি সিহঁতক মোৰ ঘৰত কাম কৰিবলৈ ৰাখিলা কিয়?''

''কথাতে কয় বোলে পিছচোতালৰ গছ ঔষধত নালাগে। মই গম পালো যে যেতিয়ালৈকে ইহঁত মোৰ লগত থাকিব, তেতিয়ালৈকে সিহঁতে কষ্ট কৰিবলৈ নিশিকে। ঠেকা খালেহে শিকিব। আৰু তুমি সেই ঠেকা সিহঁতক দিলা যাৰ বাবে মই তোমাৰ ওচৰত কৃতজ্ঞ।'' বল্লভ সেঠে স্পষ্টকৈ ক'লে।

কম সময়তেই ৰামদেৱ আৰু বাসুদেৱে বহুত নাম কৰিলে আৰু পিতাকৰ যোগ্য পুত্ৰ হিচাবে নিজকে প্ৰমাণ কৰিলে।

Subscribe

Chandamama

Because stories make the world go round...

Avail the loyalty bonus!

Chandamama Subscribers will get flat 10% off on subscription renewals! (All Editions)

Chandamama is monthly magazine available in English and 11 regional languages. Junior Chandamama is for children above 4 years and is available only in English.

I want to subscribe to / gift / renew subscription for the following editions of Chandamama: (Tick whichever is applicable):

☐ English ☐ Assamese ☐ Bengali
☐ Kannada ☐ Hindi ☐ Gujarati
☐ Malayalam ☐ Marathi ☐ Oriya
☐ Sanskrit ☐ Tamil ☐ Telugu
☐ Junior (Only in English)

Take Your Pick!	1 Year	2 Year	3 Year	4 Year	5 Year
English (₹ 30/- per copy)	₹ 360	₹ 645	₹ 915	₹ 1150	₹ 1350
You Save		₹ 75	₹ 165	₹ 290	₹ 450
Junior (₹ 20/- per copy)	₹ 240	₹ 430	₹ 610	₹ 765	₹ 900
You Save		₹ 50	₹ 110	₹ 195	₹ 300
Regional (₹ 25/- per copy)	₹ 300	₹ 540	₹ 765	₹ 960	₹ 1125
You Save		₹ 60	₹ 135	₹ 260	₹ 375

Annual Subscription Overseas: US $40 for English Chandamama, US $30 for Regional Languages, US $25 for Junior Chandamama (including shipping and handling charges) by air mail.

Name:..

Address:..

....

City:.................... State:.................... Pin:....................

Date of Birth:.................... Sex:......... Telephone:.................... Mobile:....................

Email:.................... Subscription Number (for renewals):....................

Gift Subscription to the following address:....................

....

....

Enclosed Cheque / DD* for Rupees.................... Cheque / DD No.:....................

favouring Chandamama India Ltd on.................... bank.

*Your subscription will commence in 6 weeks.

Please mail the subscription form to: **Chandamama India Ltd.**, P. O. Box No.: 19407, Mumbai-400093.

Email: customerhelp@chandamama.com | You can also subscribe online at: **www.chandamamashop.com**

**Conditions apply

আগ্ৰহ

ৰঘুনাথ বাৰ বছৰ বয়সৰ হ'ল, কিন্তু গুৰুকূলত শিক্ষা লাভ কৰিও তাৰ শিক্ষা আধা হৈ ৰ'ল । সি পঢ়া-শুনাত নিজৰ মন বহুৱাব নোৱাৰিছিল । অলপতে হোৱা পৰীক্ষাতো সি উত্তীৰ্ণ হ'ব নোবাৰিলে । তেতিয়াৰ পৰাই তাৰ দুখৰ কাহিনী আৰম্ভ হ'ল ।

দেউতাকে তাক অকৰ্মণ্য বুলি গালি দিলে । আগতে মাকে তাৰ কাৰণে বিধে-বিধে খোৱাবস্তু ৰান্ধিছিল, এতিয়া সময়মতে খাবলৈয়ো নিদিয়ে । ৰঘুনাথে তাকে দেখা পাই বৰ দুখ পালে । আকৌ পৰীক্ষাৰ কাৰণে প্ৰস্তুতি চলাবলৈ সি বৰ টান পালে ।

এদিন সি নিজৰ ঘৰৰ বাৰান্দাতে চকীত বহি আছিল । আগদিনাখন সি নিজৰ বন্ধুবৰ্গৰ লগত বল খেলোতে অলপ দুখো পাইছিল । সেই ঘাঁডোখৰতে মাখি পৰিছিলহি। সি মাখিবোৰ দূৰলৈ খেদি পঠাইছিল । কিন্তু পুনৰ সিহঁত আহি তাতে পৰিছিলহি । এই কথাত সি বিৰক্ত হৈ পৰিল আৰু গালি দিবলৈ ধৰিলে ।

সেই সময়তে মুকুন্দ নামৰ এজন অধ্যাপক সেই ৰাস্তাৰেই গৈ আছিল । ৰঘুনাথৰ চিঞৰ শুনি তেওঁৰ দৃষ্টি তাৰ ফালে গ'ল । তেওঁ ৰঘুনাথক সোধাত তাৰ খঙৰ কাৰণ জানিব পাৰিলে। পূৰা বিৱৰণ লোৱাৰ পিছত মুকুন্দই ক'লে, ''চা ৰঘু, যেতিয়া মাখিৰ দৰে সৰু জীৱ এটাই নিজৰ পচন্দৰ বস্তু পাবলৈ ইমান আগ্ৰহ কৰে, কষ্ট কৰে, তেন্তে সকলো জীৱৰ ভিতৰতে বুদ্ধিমান আৰু শক্তিমান মনুষ্যৰ কিমান আগ্ৰহ হোৱা উচিত। ভালকৈ ভাবি চাচোন ।''

মুকুন্দৰ এই কথাত ৰঘুনাথে ভাৱিবলৈ ধৰিলে । বচ্ সেইদিনাৰ পৰা সি মনপুতি পঢ়িবলৈ ধৰিলে । এমাহৰ পিছত প্ৰশ্ন কাকতত থকা সকলো প্ৰশ্নৰ উত্তৰ সি সহজতে কৰি পেলালে আৰু প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হ'ল ।



শিশুৰ গাত থকা ভগৱান

এসময়ত বিদৰ্ভ দেশত মহেন্দ্ৰ নামৰ এজন নামী যাদুকৰ আছিল। তেওঁ ৰজা মহাৰজা সকলক সন্তুষ্ট কৰি বহু উপাধি লাভ কৰিলে আৰু বহু ধন উপাৰ্জন কৰিলে। কিন্তু তেওঁ অতি দানী আছিল। সেয়েহে তেওঁৰ উপাৰ্জনৰ অধিকাংশ তেওঁ লোকক দান দিয়েই খৰচ কৰিছিল।

মহেন্দ্ৰৰ পুত্ৰ জিতেন্দ্ৰ যাদুকৰী বিদ্যাত নিজৰ পিতাকতকৈও পাৰ্গত আছিল। কিন্তু তেওঁৰ দিনত যাদুৰ প্ৰতি মানুহৰ আদৰ কমি গৈছিল। উপাৰ্জন কমি যোৱাত জিতেন্দ্ৰই নিজৰ পিতাকৰ দৰে লোকক দান দি দেউলীয়া হৈ পৰিছিল।

জিতেন্দ্ৰৰ দুজন পুত্ৰ আছিল। তেওঁ সিহঁতকো যাদু বিদ্যা শিকালে। দুটা কথা ভাৱি তেওঁ পুতেকহঁতক এই বিদ্যা শিকাইছিল। প্ৰথম কথা যে ই তেওঁলোকৰ পৰিয়ালৰ পেশা আৰু আনটো কথা হৈছে যে কিজানি যাদুবিদ্যাৰ জনপ্ৰিয়তা পুনৰ বৃদ্ধি পায়েই।

জিতেন্দ্ৰৰ ডাঙৰ পুত্ৰ ৰামভদ্ৰই সদায় জোখতকৈ বেছি পইচা খৰচ কৰিছিল। সৰুতে সি নোখোজাকৈয়ে পিতাকৰপৰা সদায় বহুত পইচা পাইছিল। কিন্তু পৰিস্থিতি সলনি হৈ যোৱাৰ লগে লগে খুজিলেও যেতিয়া পিতাকে পইচা দিব নোৱৰা হ'ল তেতিয়া সি ঘৰতে চুৰি কৰিবলৈ ধৰিলে। এই কথা গম পাই জিতেন্দ্ৰই খঙতে ৰামভদ্ৰক মাৰিলে। ৰামভদ্ৰই দুখতে ঘৰ এৰি গুচি গ'ল আৰু পিছত কেতিয়াও ঘূৰি নাহিল।

যদিও খঙতে ৰামভদ্ৰই জিতেন্দ্ৰক পিটিছিল কিন্তু তেওঁ তাক নিজৰ প্ৰাণতকৈও মৰম কৰিছিল। সি গুচি যোৱাৰ দুখতে মাক দেউতাক চিন্তাতে বেমাৰী হৈ পৰিল আৰু কেইদিনমানৰ ভিতৰতে তেওঁলোকৰ মৃত্যু ঘটিল। তেতিয়া জিতেন্দ্ৰৰ আনজন পুত্ৰ লক্ষ্মীচন্দ্ৰ অকলশৰীয়া হৈ পৰিল।

লক্ষ্মীচন্দ্ৰ দৃঢ় মনৰ আছিল। তেওঁ গাৱঁত ঘূৰি ঘূৰি, ৰাস্তাত যাদু দেখুৱাই, বহুতো উপাৰ্জন কৰিলে আৰু তাতেই সন্তুষ্ট হৈ থাকিল।

২৫ বছৰৰ পূৰ্বে চান্দমামাত প্ৰকাশিত কাহিনী

এদিন লক্ষ্মীচন্দ্ৰই এটা ৰাস্তাত নিজৰ যাদু দেখুৱাই আছিল। তাকে চাবলৈ তাত কেইটামান সৰু ল'ৰা ছোৱালী গোট খালে। তেওঁ গম পালে যে সৰু ল'ৰা ছোৱালীৰপৰা তেওঁ বেছি পইচা নাপায়। তথাপিও নিজৰ যাদু সিহঁতক দেখুৱাই সকলোকে আনন্দিত কৰিছিল।

ইতিমধ্যে ওচৰৰে এটা ঘৰত এটা ল'ৰাই ডাঙৰকৈ কন্দাৰ শব্দ শুনা পোৱা গ'ল। লক্ষ্মীচন্দ্ৰই নিজৰ যাদুৰ প্ৰদৰ্শন বন্ধ কৰিলে আৰু সেই ঘৰটোলৈ গৈ দেখিলে যে এগৰাকী গৃহিণীয়ে নিজৰ চাৰি বছৰীয়া ল'ৰাটোক বৰকৈ মাৰিছে।

লক্ষ্মীচন্দ্ৰই কাৰণ সোধাত সেই গৃহিণীয়ে ক'লে যে ল'ৰাটোৰ দেউতাক অলপতে বেমাৰত পৰিছে। গৃহিণী গৰাকীয়ে ভগৱানক মিনতি কৰিছিল যে যদি তেওঁৰ স্বামীৰ বেমাৰ ভাল হয় তেতিয়া ঘৰখনৰ মানুহবোৰে এসপ্তাহ দুপৰীয়ালৈকে উপৱাস কৰি ভগৱানৰ দৰ্শন কৰিহে ভোজন কৰিব। ভগবানৰ কৃপাত তেওঁৰ স্বামী সুস্থ হৈ উঠিল। যেনে তেনে ছদিন পাৰ হৈ গ'ল। আজি ল'ৰাটোক দুপৰীয়ালৈকে একো নোখোৱাকৈ ৰখা টান হ'ল। সি ভোকতে খুব কান্দিছে। সেই গৃহিণীগৰাকী ভগৱানৰ দৰ্শনৰ বাবে যাবলৈ ওলাইছিল। বহুতো বুজোৱাতো সি নামানিলে। সেয়েহে তেওঁ তাক মাৰিছে।

লক্ষ্মীচন্দ্ৰৰ ভাৱ হ'ল ল'ৰাটোক ভোকত ৰখাৰ লগতে পিটাটো অতি অন্যায় কাম হৈছে। তেওঁ গৃহিণী গৰাকীক ক'লে, ''আইদেউ, কথাতে কয় বোলে সৰু ল'ৰা ছোৱালীৰ গাত ভগৱান থাকে। মই বুজি পোৱা নাই যে যদি আপুনি এই



ল'ৰাটোৰ গাত থকা ভগৱান দেখা পোৱা নাই তেন্তে কোনজন ভগৱানৰ ওচৰলৈ যাবলৈ ওলাইছে?''

তাকে শুনি গৃহিণী গৰাকীয়ে ক'লে, ''সেই কাৰণে তোমাৰ জীৱনত আজি এনে দশা হৈছে! যদি তুমি ইয়াৰ ভিতৰত সঁচাকৈ ভগৱান দেখা পাইছা তেন্তে ইয়াক চম্ভালা। মই ভগৱান দৰ্শন কৰি আহোঁ, তেতিয়া তোমাকো ভোজন কৰাম।''

লক্ষ্মীচন্দ্ৰই মানি ল'লে, মৰমেৰে কথা কৈ আৰু যাদু দেখুৱাই ল'ৰাটোক পাহৰাই ৰাখিলে। গৃহিণী গৰাকী ঘূৰি আহি লক্ষ্মীচন্দ্ৰৰ প্ৰশংসা কৰিলে আৰু তেওঁকো খাবলৈ দিলে।

ভোজন কৰাৰ পিছত লক্ষ্মীচন্দ্ৰই সেই গৃহিণী গৰাকীক ক'লে, ''আইদেউ, নিজৰ পুত্ৰতকৈও অধিক বুলি যাক ভাৱে, সেই আপোনাৰ ভগৱান ক'ত আছে? তেওঁক চাবলৈ মোৰ বৰ ইচ্ছা হৈছে।''

ওপঙি আছিল। তাকে দেখি ভক্তসকলে উচ্চস্বৰে চিঞৰিছিল, ‘‘হে পৰমাত্মা! আমাক উদ্ধাৰ কৰক।’’

লক্ষ্মীচন্দ্ৰৰ এই আটাইবোৰ ঘটনা বিচিত্ৰ যেন লাগিল। সাধুৱে প্ৰদৰ্শন কৰা আটাইবোৰ বিদ্যা তেওঁ জানিছিল। কিন্তু তেওঁ এজন সাধাৰণ যাদুকৰ হৈয়েই থাকিল আৰু এইজন সাধু ভগৱান হৈ বহি আছে। এই ৰহস্যৰ কথা জানিবলৈ লক্ষ্মীচন্দ্ৰই মাজৰাতি একান্ত গোপনে সেই সাধুজনক লগ কৰিবলৈ আহিল।

‘‘তুমি কোন?’’ সাধুৱে লক্ষ্মীচন্দ্ৰক সুধিলে।

‘‘মই এজন যাদুকৰ। মই আপোনাৰ প্ৰদৰ্শন দেখিলো। মানুহে সেইবোৰ আপোনাৰ মহিমা বুলি ভাবিছে। সেইবোৰ প্ৰদৰ্শন কৰি কৰিও মোৰ পেটলৈ ভাত মুঠি অনাটো টান হৈ পৰিছে। মানুহে আপোনাক ভগৱান বুলি মানে। সেই ৰহস্যৰেই মই সন্ধান কৰিবলৈ আহিছো।’’ লক্ষ্মীচন্দ্ৰই ক’লে। তেওঁ সেইদিনা নিজৰ অভিজ্ঞতাৰ কথা সাধুক জনালে।

‘‘মই যে ভগৱানৰ অৱতাৰ তাত কোনো ৰহস্য নাই। মই স্বাভাৱিকতে যিখিনি শক্তি আয়ত্ব কৰিছো, সেইখিনি তুমি পৰিশ্ৰম কৰি এটা বিদ্যাৰ ৰূপত আয়ত্ব কৰিছা। তোমাৰ প্ৰদৰ্শনৰ বাবে অন্যান্য সামগ্ৰীৰ প্ৰয়োজন। মোৰ বাবে সেইবোৰৰ প্ৰয়োজন নাই।’’ সাধুৱে উত্তৰ দিলে।

‘‘কথা সেইটোহে নেকি! মই বাৰু মোৰ আঙুলি এটা কাটি পেলালে আপুনি জোৰা লগাব পাৰিবনে?’’ লক্ষ্মীচন্দ্ৰই সুধিলে।

গৃহিণী গৰাকীয়ে হাঁহি ক’লে, ‘‘ভগৱান মানে তুমি সাধাৰণ ভগৱান বুলি ভাবিছা নেকি? তেওঁতো দেৱতা। তোমাৰ লগত কথা পাতিব প্ৰশ্নৰ উত্তৰ দিব। তোমাৰ ওপৰত দয়া কৰি তোমাৰ কষ্ট দূৰ কৰিব।’’

লক্ষ্মীচন্দ্ৰৰ কৌতূহল আৰু বাঢ়ি গ’ল। তেওঁ সেই ঠাইলৈ গ’ল যিঠাইত সোঁশৰীৰে ভগৱানক দেখা পোৱাৰ কথা গৃহিণী গৰাকীয়ে কৈছিল। তাত বহুতো মানুহ গোট খাইছিল। সকলো মৌন হৈ আছিল। এখন ওখ আসনত দাঢ়ি আৰু মোচ থকা এজন মানুহ বহি আছিল। তেওঁ মানুহবোৰক সজ পথত চলিবলৈ উপদেশ দি আছিল। যিবোৰ মানুহ বিপদত পৰিছিল, তেওঁলোকক ওচৰলৈ মাতি কৈছিল যে তেওঁ মানুহৰ দুখ যাতনা দূৰ কৰিবলৈকে অৱতাৰ লৈছে। মাজে মাজে তেওঁ ধোঁৱাৰ সৃষ্টি কৰি সকলোকে অভিভূত কৰিছিল। কেতিয়াবা আকৌ কিছু সময় শূন্যতে

“নিশ্চয়, কিয় নোৱাৰিম?” সাধুৱে উত্তৰ দিলে। তৎক্ষণাৎ লক্ষ্মীচন্দ্ৰই এখন কটাৰীৰে নিজৰ এটা আঙুলি কাটি পেলালে। তেতিয়া কটা আঙুলিটো যথাস্থানত ৰাখি সাধুৱে মন্ত্ৰ পঢ়িবলৈ আৰম্ভ কৰিলে। তেজ ওলোৱা বন্ধ হ'ল আৰু আঙুলিটো আগৰ দৰে হৈ পৰিল।”

“ইতো অসম্ভৱ কথা। এই বিদ্যা মোৰ পৰিয়ালৰ বাহিৰে আন কোনেও নাজানে,” লক্ষ্মীচন্দ্ৰই সুধিলে।

সাধুৱে নিম্নস্বৰত সুধিলে, “তোমাৰ নাম লক্ষ্মীচন্দ্ৰ নহয় জানো?”

“হয়, কিন্তু আপুনি জানিলে কেনেকৈ?”

“মই তোমাৰ ককায়েৰা ৰামভদ্ৰ ।” লক্ষ্মীচন্দ্ৰৰ ফালে স্নেহভৰা দৃষ্টিৰে চাই সাধুৱে ক'লে। লক্ষ্মীচন্দ্ৰ আচৰিত হ'ল।

সাধুৱে লক্ষ্মীচন্দ্ৰক ক'লে, “মই এতিয়া তোমাৰ প্ৰশ্নৰ সঠিক উত্তৰ দিম। তুমি এটা সৰু ল'ৰাক নিজৰ যাদুৰ দ্বাৰা ভোকৰ যন্ত্ৰণা পাহৰাই পেলোৱাত সহায় কৰিলা। এই ল'ৰাটিয়ে তোমাৰ মাজত ভগৱানক দেখা পাইছিল। কিন্তু ডাঙৰৰ ক্ষেত্ৰত এই কথা নাখাটে। মই নিজকে ভগৱান সজাই যাদু কৰিলো আৰু ভগৱান হৈ বহি গ'লো। তুমি নিজকে যাদুকৰ সজাই যাদু দেখুৱালা আৰু তুমি কেৱল যাদুকৰ হৈয়েই থাকিলা। মানুহে মোৰ আৰু তোমাৰ যাদুও চাই আছে। কিন্তু তাত সন্দেহ সৃষ্টি নহয়। এই পৃথিবীত আৰামেৰে জীয়াই থাকিবলৈ হ'লে কেৱল বিদ্যাই যথেষ্ট নহয়। আনক মিঠা মিঠা কথা কৈ ঠগিবলৈ শিকিলেহে তোমাৰ বিদ্যা জনপ্ৰিয় হৈ উঠিব। নিজকে ভগৱান সজাই মিছা কোৱাই মোৰ জীবিকাৰ আধাৰ। যেতিয়ালৈকে এনেকৈ মুৰ্খ হৈ থাকিবা তেতিয়ালৈকে মই তোমাক প্ৰয়োজনীয় বস্তুবোৰ দি থাকিম। এতিয়া তোমাৰ সন্দেহ দূৰ হ'ল, নহয় জানো! এতিয়া তুমি যাব পাৰা।”

লক্ষ্মীচন্দ্ৰ সেই ঠাইৰ পৰা গুচি গ'ল। ইয়াৰ পাছত তেওঁৰ কি হ'ল কোনেও গম নাপালে। কিন্তু এই খবৰ বনজুইৰ দৰে বিয়পি পৰিল যে বিদৰ্ভ দেশৰ পূৰ্ব দিশত এখন সৰু গাঁৱত ভগৱানে অৱতাৰ লৈছে। তেওঁ অনেক মহিমা প্ৰদৰ্শন কৰিছে আৰু ৰাইজ হিল দল ভাঙি তেওঁৰ দৰ্শনৰ নিমিত্তে গৈছে।





যুৱৰাজৰ বিদ্যাৰম্ভ

সূৰ্যসেন বিধ্যগিৰি ৰাজ্যৰ ৰজা আছিল। তেওঁ বৰ ধাৰ্মিক আছিল। তেওঁ সদায় জনকল্যাণৰ কথা ভাৱিছিল। সেয়েহে ৰাজকোষৰ সিংহভাগ তেওঁ কল্যাণমূলক আঁচনিত ব্যয় কৰিছিল, এবাৰ তেওঁৰ ৰাজকোষ উদং হ'ল। এই পৰিস্থিতিত সূৰ্যসেনে জনতাই অধিক কৰৰ বোজা বহন কৰাটো নিবিচাৰিছিল। ৰাজ্যৰ আয় কেনেকৈ বঢ়াব পাৰি এই চিন্তাই তেওঁক খুলি খুলি খাবলৈ ধৰিলে।

বিদৰ্ভ আৰু বৈশালী আছিল বিধ্যগিৰিৰ প্ৰতিবেশী ৰাজ্য। বিধ্যগিৰিৰ আৰ্থিক দৈন্যতা আৰু সৈন্যবাহিনীৰ বলহীনতাৰ ওপৰত বিদৰ্ভৰ ৰজা চন্দ্ৰকান্ত আৰু বৈশালীৰ ৰজা মহীধৰৰ চকু পৰিল। তেওঁলোক দুয়োৰে আছিল নিজ ৰাজ্যৰ চাৰিসীমা বঢ়োৱাৰ উচ্চাকাংখ্যা। সুবিধা পালেই এখন ৰাজ্যই আনখনৰ ওপৰত জঁপিয়াই পৰাৰ পৰিকল্পনা কৰিছিল। তেওঁলোকে প্ৰথমে বিধ্যগিৰিৰ ওপৰত আক্ৰমণ কৰি সেই ৰাজ্যক নিজৰ ৰাজ্যত চামিল কৰি ইজনে সিজনৰ ৰাজ্য জয় কৰাৰ ষড়যন্ত্ৰ ৰচনা কৰিছিল।

গুপ্তচৰৰ যোগেদি সূৰ্যসেনে এই পৰিকল্পনাৰ কথা গম পালে। সূৰ্যসেন এজন বিদগ্ধ ৰাজনীতিজ্ঞ আছিল। তেওঁ যুদ্ধ নিবাৰণৰ উপায়ৰ কথা চিন্তা কৰিবলৈ ধৰিলে। হঠাতে তেওঁৰ হাতলৈ এটা ভাল সুযোগ আহিল। জয়ন্ত সূৰ্যসেনৰ চাৰি বছৰীয়া একমাত্ৰ সন্তান আছিল। ৰাজকুমাৰৰ আনুষ্ঠানিক শিক্ষাৰম্ভৰ বাবে ৰাজপুৰোহিতে এটা শুভ মুহূৰ্ত্ত বাচি উলিয়ালে। ৰজাই এই সুযোগ হাতৰপৰা পিছলি পৰিবলৈ দিব খোজা নাছিল। তেওঁ তেওঁৰ শত্ৰু ৰজা চন্দ্ৰকান্ত আৰু মহীধৰক এই অনুষ্ঠানলৈ আমন্ত্ৰণ দিবলৈ স্থিৰ কৰিলে। মিত্ৰতাৰ হাত আগবঢ়োৱাৰ উদ্দেশ্যে তেওঁ সেই দুয়োজন ৰজালৈ নিমন্ত্ৰণী পত্ৰ প্ৰেৰণ কৰিলে।

দুয়ো শত্ৰু ৰজাও এনে এটা সুযোগৰ অপেক্ষাতেই আছিল। তেওঁলোকে বিচাৰিছিল কিবা নহয় কিবা অজুহাত

নন্দ গোপাল

দেখুৱাই সূৰ্যসেনৰ সৈতে বিবাদৰ সূত্ৰপাত কৰি তেওঁক যুদ্ধৰ বাবে প্ৰৰোচিত কৰা। দুয়ো ৰজা যুৱৰাজৰ আনুষ্ঠানিক শিক্ষাৰম্ভ উৎসৱত উপস্থিত হ'লহি। সূৰ্যসেনে এই দুই অতিথিৰ যথোচিত আদৰ সৎকাৰ কৰিলে। এটা স্নেহভৰা বাতাবৰণত সেইদিনাৰ ভোজমেল সমাপ্ত হ'ল।

ইয়াৰ পাছত বিদৰ্ভৰ ৰজা চন্দ্ৰকান্তই এখন সোণৰ ফলি দি সূৰ্যসেনক ক'লে, ''অক্ষৰ অভ্যাস উৎসৱৰ সময়ত ইয়াক কামত লগাব।''

বৈশালীৰ ৰজা মহীধৰেও হাতী দাঁতেৰে তৈয়াৰী এখন সুন্দৰ ফলি দি ক'লে, ''সৰস্বতীৰ মন্দিৰত পূজা কৰি এই ফলিখন অনা হৈছে। এইখন ফলিত যুৱৰাজক আখৰ লিখিবলৈ দিলে যুৱৰাজ বৰ বিদ্বান হ'ব।

সূৰ্যসেনৰ এতিয়া দুই নাও দুই ভৰি অৱস্থা। তথাপিও তেওঁ মিচিকিয়া হাঁহি মাৰি ক'লে, ''আপোনালোক দুয়োকে মই আন্তৰিক কৃতজ্ঞতা নিৱেদন কৰিছো।''

চন্দ্ৰকান্ত আৰু মহীধৰে চিন্তাক্লিষ্ট হৈ অতিথি গৃহত প্ৰৱেশ কৰিলে।

চন্দ্ৰকান্তই মনতে ভাৱি আছিল যে সূৰ্যসেনে নিজৰ পুত্ৰৰ আখৰ লিখা কাৰ্য আৰম্ভ কৰিব মহীধৰে দিয়া ফলিখনত। এইটোকে তেওঁ তেওঁৰ অপমান বুলি ঘোষণা কৰিব আৰু এই অজুহাততে সূৰ্যসেনক যুদ্ধলৈ আহ্বান জনাব। মহীধৰেও একেটা কথাই ভাৱিছিল। দুয়োৰে উদ্দেশ্য আছিল সূৰ্যসেনৰ লগত কাজিয়া চপাই লোৱা।

ফলি লৈ দুয়োৰে মনোভাৱ কি সূৰ্যসেনে ভালকৈ বুজি পালে। কিন্তু



তেওঁ ভাৱি উলিয়াব নোৱাৰিলে এই স্থিতিৰপৰা কেনেকৈ ওলাই আহিব পৰা যায়। পিছদিনা যুৱৰাজে প্ৰথম আখৰ লিখিবলৈ লোৱা শুভ মুহূৰ্ত্ত আহিল। ৰাজ্যৰ পৰম্পৰা অনুসাৰে জনতাৰ আশীৰ্বাদ লোৱাৰ বাবে সুন্দৰকৈ সজাই পৰাই তোলা এটা ৰাজকীয় হাতীৰ পিঠিত উঠি সূৰ্যসেন আৰু যুৱৰাজ জয়ন্ত বাহিৰ ওলাল। ৰাজমাৰ্গৰ দুয়োফালে ৰাইজৰ শাৰী। তেওঁলোকে পুষ্প বৃষ্টি কৰি যুবৰাজক আশীৰ্বাদ দিবলৈ ধৰিলে।

হঠাতে মহাৰাজৰ দৃষ্টি এটা সৰু ল'ৰাৰ ওপৰত পৰিল। তাৰ বয়স পাঁচ বছৰমান হ'ব। তাৰ হাতত এখন ফলি আছিল আৰু যুৱৰাজৰ ফালে আঙুলিয়াই সি কান্দি আছিল।

সূৰ্যসেনে মাউতক হাতীটো ৰখাবলৈ ক'লে আৰু সেই সৰু ল'ৰাটোৰ মাকৰ ওচৰলৈ গ'ল। ৰজাক দেখি ভয়ে ভয়ে মানুহগৰাকীয়ে ক'লে, ''ক্ষমা কৰক



মহাৰাজ। এনে শুভ সময়ত মোৰ ল'ৰাই কন্দাটো অপৰাধ হৈছে, কিন্তু মই নিৰুপায়," এইবুলি কৈ তেওঁ হাত যোৰ কৰিলে।

"ভয় নাখাবা। কোৱা, ল'ৰাটোৱে কিয় কান্দি আছে?" মহাৰাজে সুধিলে। "ই মোক সুধিলে যে মহাৰাজ আৰু যুবৰাজ এনেকৈ হাতীৰ পিঠিত উঠি কিয় আহিছে। মই কলো যে যুৱৰাজে আখৰ লিখা শিকিবলৈ আৰম্ভ কৰিব। সেয়েহে ৰাইজৰ আশীৰ্বাদ ল'বলৈ আহিছে। তাকে শুনি ই জেদ ধৰিলে যে নিজৰ ফলিখন সি যুবৰাজক দিহে এৰিব।"

এই কথা শুনি সূৰ্যসেন বৰ আনন্দিত হ'ল। তেওঁ মনতে ভাবিলে, "এটি অবুজ শিশুৱে মৰমতে তাৰ ফলিখন যুৱৰাজক দিব খুজিছে। এইটোতো বৰ ডাঙৰ কথা। প্ৰেমৰ উপহাৰতকৈ ডাঙৰ উপহাৰ আন কি হ'ব পাৰে? মৰমেৰে তেওঁ ল'ৰাটোৰ হাঁতত ধৰি নাম সুধিলে।"

চকু মোহাৰি বালকে ক'লে, "সুধাম" "শুনা সুধাম, কন্দা বন্ধ কৰা আৰু হাঁহি হাঁহি এই ফলিখন যুৱৰাজক দি দিয়া।" সূৰ্যসেনে ক'লে।

সুধামে মহা আনন্দেৰে ফলিখন যুৱৰাজক দিলে। ৰজাই সুধামৰ মাকক ক'লে, "ৰাজভৱনত ৰাতি ভোজ মেল আছে। তোমালোক দুয়ো আহিবই লাগিব।" ৰজাই তেওঁলোকক লৈ অনাৰ দায়িত্ব এজন সৈনিকক দিলে।

শোভাযাত্ৰা শেষ হোৱাৰ পাছত, ৰাজভৱনত যুবৰাজৰ আখৰ লিখা অভ্যাস উৎসৱ আৰম্ভ হ'ল। ৰাজপুৰোহিতে যুৱৰাজৰ হতুৱাই আখৰ লিখাবলৈ এখন ফলি বিচাৰিলে। চন্দ্ৰকান্ত আৰু মহীধৰ এই কথা জানিবলৈ খুবেই উৎসুক হৈ আছিল যে তেওঁলোকৰ কোনজনে দিয়া ফলিখন এতিয়া ব্যৱহাৰ কৰা হ'ব।

তেতিয়া সূৰ্যসেন উঠিল, দুই ৰজাৰ ফালে চালে আৰু ক'লে, "যুৱৰাজৰ অক্ষৰ অভ্যাস উৎসৱত ভাগ ল'বলৈ বিশিষ্ট অতিথিৰ ৰূপত ৰজা চন্দ্ৰকান্ত আৰু ৰজা মহীধৰ ইয়ালৈ আহিছে। মোৰ এই দুয়োজন মিত্ৰই যুৱৰাজৰ প্ৰতি পৰম প্ৰীতিৰ চিনস্বৰূপে এজনে সোণৰ ফলি দিছে আৰু আনজনে সৰস্বতীৰ মন্দিৰত পূজা কৰি অনা হাতীদাঁতৰ ফলি দিছে। তেওঁলোকক মই হৃদয়পূৰ্বক ধন্যবাদ জ্ঞাপন কৰিছো। ৰাজ্যৰ পৰম্পৰা অনুসাৰে আমি যেতিয়া ৰাইজৰ আশীৰ্বাদ বিচাৰি ওলাইছিলো, বাটতে সুধাম নামৰ এটি দৰিদ্ৰ বালকে তাৰ একমাত্ৰ ফলিখন যুৱৰাজক দিবলৈ ইচ্ছা কৰিছিল। মই নিজে গৈ সেই উপহাৰ স্বীকাৰ কৰিলো। এতিয়া ইয়াত আছে তিনিখন ফলি। প্ৰজাৰ

ইচ্ছা অনুসাৰে চলাই আমাৰ পৰম্পৰা। সেয়েহে, আপোনালোকে কওক এই তিনিখন ফলিৰ ভিতৰত কোনখনত যুৱৰাজে অক্ষৰ অভ্যাস আৰম্ভ কৰিব।''

দুয়ো ৰজাই কিবা ক'ব খোজোতেই সভাসদসকলৰ এজনে ক'লে, ''আমাৰ ৰজা ধৰ্মপুত্ৰ। ৰজা আৰু দৰিদ্ৰ তেওঁৰ বাবে সমান। অবুজ শিশু সুধামে যিখন ফলি প্ৰেমপূৰ্বক দিলে, সেইখনতে যুৱৰাজৰ অক্ষৰ লিখা প্ৰক্ৰিয়া আৰম্ভ হোৱা উচিত।'' এই কথা শুনি সকলোৱে হৰ্ষধবনি কৰিলে।

ৰজা সূৰ্যসেনে স্বস্তিৰ নিশ্বাস পেলালে। তেওঁ গম পাইছিল যে কোনো এজন ৰজাই দিয়া ফলিখন ব্যৱহাৰ কৰা মানে আনজনৰ সৈতে শত্ৰুতা চপাই লোৱা। তেওঁৰ এইটোও ভয় আছিল যে সুধামে দিয়া ফলিখন ব্যৱহাৰ কৰিবলৈ ল'লে দুয়োজন ৰজা ক্ৰোধান্বিত হ'ব। কিন্তু প্ৰজাৰ সম্পূৰ্ণ সহযোগেই আছিল ৰজাৰ একমাত্ৰ ভৰসা।

যুৱৰাজ জয়ন্তই অক্ষৰ অভ্যাস সুধামে দিয়া ফলিতেই আৰম্ভ হ'ল। চন্দ্ৰকান্ত আৰু মহীধৰে নিজ চকুৰে দেখিলে যে ৰজা সূৰ্যসেনে নিজৰ সাধাৰণ প্ৰজাকো কিমান স্নেহ কৰে আৰু প্ৰজাৰো তেওঁৰ প্ৰতি কেনে অসাধাৰণ আনুগত্য! এই অনন্য প্ৰেম আৰু আদৰ দেখি তেওঁলোক আচৰিত হ'ল। দুয়ো এতিয়া খুব ভালকৈ বুজি পালে যে ৰজাৰ কেৱল আৰ্থিক আৰু সৈনিক বল থাকিলেই নহ'ব, তেওঁক প্ৰজাৰ মৰম আৰু আদৰো লাগিব। যিহেতু সূৰ্যসেনে প্ৰজাক নিজৰ সন্তানৰ দৰে জ্ঞান কৰিছিল সেয়েহে তেওঁ প্ৰজাৰ বিপুল প্ৰেম আৰু আদৰৰ পাত্ৰ আছিল। দুয়ো ৰজাই অনুভৱ কৰিলে সূৰ্যসেনৰ প্ৰতি শত্ৰুভাৱ ধৰ্মবিৰুদ্ধ কথা হ'ব, সেয়েহে দুয়ো মৈত্ৰীৰ হাত আগবঢ়ালে।

ইয়াৰ পাছত সূৰ্যসেনে বিদৰ্ভ আৰু বৈশালীৰ দুয়ো ৰজাক বিপুল আদৰ সৎকাৰ কৰি আৰু মূল্যৱান উপহাৰ দি বিদায় দিলে।

সূৰ্যসেনে অনুভৱ কৰিছিল যে প্ৰতিৱেশী ৰজাৰ সমস্যাটো ক্ৰমে গুৰুতৰ হৈ আহিছে আৰু তাক থান-থিত নলগালে পৰিণাম ভয়ংকৰ হব পাৰে, কিন্তু সুধামৰ কাৰণেই সমস্যাৰ সহজ সমাধান ওলাল। তেওঁ যুৱৰাজৰ লগত একেলগে সুধামৰো বিদ্যাভ্যাস আৰম্ভ কৰাৰ ব্যৱস্থা কৰিলে।



চহকী কোন

এখন গাৱঁত ধনঞ্জয় নামৰ এজন বেপাৰী আছিল । তেওঁ জীৱন জুৰি অপাৰ সম্পত্তি গোটালে । বুঢ়া বয়সত তেওঁ এবাৰ টান নৰিয়াত পৰিল । তেতিয়া তেওঁৰ অনুশোচনা হ'ল, ''মোৰ গোটেই জীৱন কেৱল ধন গোটাওতেই গ'ল । মই নিজৰ উপাৰ্জনৰ দ্বাৰা মানুহৰ কামত অহা একো কামেই কৰা নহ'ল ।''

এইদৰে ভাৱি তেওঁ নিজৰ পুতেক শ্ৰীকান্তক ওচৰলৈ মাতি বুজালে, ''বোপা, মই নিজৰ জীৱনত ৰাইজৰ কাৰণে একো এটা কামেই কৰিব নোৱাৰিলো । কোনো দুখীয়া–দৰিদ্ৰ বা অসহায় মানুহক সহায় নকৰিলো । তুমি নিজৰ প্ৰয়োজনৰ বাবে ধন ৰাখি বাকী থকা ধনেৰে এখন ধৰমশালা পাতি দিয়া ।'' এইদৰে কৈ ধনঞ্জয়ে চিৰদিনৰ বাবে চকু মুদিলে ।

নিজৰ পিতাকৰ অন্ত্যেষ্টিক্ৰিয়া সমাপ্ত কৰি শ্ৰীকান্তই বেহা–বেপাৰত নিমগ্ন হৈ পৰিল । সেই বছৰ বেহা–বেপাৰত তাৰ আশা কৰাতকৈ অধিক লাভ হ'ল । তাৰ নিজৰ পিতাকৰ কথা মনত পৰিল ।

শ্ৰীকান্তই ভাৱিলে, ''অহাবছৰত তো ব্যৱসায়ত লোকচানো হ'ব পাৰে। অহা বছৰো যদি এনেকৈ বেছি লাভ হয় তেন্তে মই ধৰমশালা নিশ্চয় পাতি দিম। ন'হলে মই অযথা ধনৰ অপব্যয় কিয় কৰোঁ ?''

পিছৰ বছৰো তাৰ দুগুণ লাভ হ'ল। তথাপিও সি সেই ধনেৰে সন্তুষ্ট নহ'ল । সি ধৰমশালা গঢ়াৰ কথা আকৌ পিছুৱালে । এদিন ৰাতি শ্ৰীকান্তই বহুত দেৰীলৈকে নিজৰ হিচাব–পত্ৰ কৰি সাৰে আছিল । সেই সময়তে কোনোবাই যন্ত্ৰণাত চিঞৰি চিঞৰি আহি তাৰ ঘৰৰ সমুখৰ চোতালতে বহি পৰিল । শ্ৰীকান্তই খিৰিকীয়েদি বাহিৰলৈ চালে । এজন বুঢ়া, অন্ধ ভিখাৰী বিষত কেঁকাই

২৫ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী

কেঁকাই চোতালতে বহি নিজৰ বাচন আৰু মোনাটোকে খামুচি ধৰিছিল ।

তেনেকুৱাতে আৰু এটা ভিখাৰী লেঙেৰাই লেঙেৰাই চোতালৰ ফালে আহিল আৰু সুধিলে, ‘‘জগত, কেঁকাইছা কিয় ? কি হৈছে তোমাৰ?’’

জগতে যন্ত্ৰণাত মৰো যেন হৈ ক’লে, ‘‘নাৰায়ণ, তুমি ! মইতো অন্ধ জানাই । পুৱা ভিক্ষা কৰিবলৈ ওলাওঁতে ভৰিত দুখ পালোঁ । সেয়ে মই এতিয়া ক’লৈকো যাব নোৱাৰো । আজি এমুঠিও ভিক্ষা নাপালো। এটা ভৰিত বিষ উঠিছে আৰু আনটো ভৰিয়ে ভোকৰ কথা সোঁৱৰাইছে । মোৰ অৱস্থাৰ কথা কি কম ?’’

নাৰায়ণে জগতৰ ভৰিটোৰ ফালে চালে। ভৰিটো একেবাৰে ফুলি উঠিছে। নাৰায়ণে নিজৰ মোনাৰ পৰা বাচনটো উলিয়াই ক’লে, ‘‘মই তোমাৰ ভৰিৰ বিষটো নোহোৱা কৰিব নোৱাৰো । কিন্তু তোমাৰ ভোক পলুৱাব পাৰিম ।’’ এইদৰে কৈ নাৰায়ণে জগতৰ ফালে বাচনটো আগবঢ়াই দিলে ।

‘‘তুমি নিজে কিবা খালানে, গোটেইখিনি মোকে দি দিলা ?’’ জগতে আচৰিত হৈ সুধিলে ।

‘‘দুয়ো সমানে-সমানে ভগাই লৈছো । মই নিজৰ ভাগটো লৈ লৈছো।’’ নাৰায়ণে দুমুঠি খোৱাবস্তু লৈ জগতৰ পাত্ৰটিত দি দিলে ।

এই দৃশ্য খিৰিকীয়েদি দেখি শ্ৰীকান্তৰ চকু খোল খালে । তাৰ অন্তৰাত্মাই যেন কৈ উঠিল, নিজৰ লগত থকা সামান্য বস্তুকে ভগাই খোৱা নাৰায়ণ প্ৰকৃত চহকী মানুহ । কিন্তু কাকোৱেই একো দিব নোৱাৰা জগতৰ অৱস্থা গৰীব বুলি ক’ব পাৰি । মই ধনী হৈও আজি গৰীব।’’

ইয়াৰ পিছত শ্ৰীকান্তই সেই ৰাতি সেই দুই ভিখাৰীক নিজৰ ঘৰলৈ আনি পেট ভৰাই খুৱালে আৰু আশ্ৰয় দিলে।

ধনী আৰু দুখীয়াৰ প্ৰকৃত অৰ্থ শ্ৰীকান্তই বুজি পালে আৰু তেতিয়াৰ পৰা ধন ঘটাৰ লগে-লগে সি পৰোপকাৰৰ কামত সেই ধন প্ৰয়োগ কৰি ধনৰ সদ্‌ব্যবহাৰ কৰিবলৈ ধৰিলে।

মাকৰ মমতা

বিশাল দেশৰ শংখবৰ আৰু পংখবৰ প্ৰতিবেশী নগৰ আছিল ঠিকেই, কিন্তু নাগৰিকসকলৰ ব্যৱহাৰ শৈলীত, খাদ্যভ্যাসত আকাশ পাতাল প্ৰভেদ আছিল। শংখবৰৰ লোকসকলে বেছিকৈ জলা খাইছিল, কিন্তু পংখবৰৰ লোকসকলে ভাল পাইছিল মিঠা আৰু মা–মচলা নিদিয়া খাদ্য। শংখবৰৰ পদ্মাক বিয়া দিয়া হৈছিল পংখবৰৰ চন্দ্ৰলৈ। শহুৰৰ ঘৰখন পদ্মাৰ ভালেই লাগিছিল যদিও সেইখন ঘৰৰ খাদ্য খাই পদ্মাই মুঠেই ভাল পোৱা নাছিল। মাক–দেউতাকক লগ পালেই পদ্মাই এই অভিযোগ কৰিছিল। সেয়েহে সুবিধা পালেই মাকে পদ্মালৈ জলা আচাৰ পঠিয়াই দিছিল।

শংখবৰৰপৰা বহু দূৰৈত আছিল ময়ূৰপুৰী। এবাৰ ৰাজপ্ৰতিনিধিৰ লগত চন্দ্ৰ তালৈ যাব লগা হ'ল। চন্দ্ৰই তালৈ পত্নীকো লৈ গৈছিল। ময়ূৰপুৰীত তেওঁলোক চাৰি বছৰ থাকিবলগীয়া হ'ল। এই সময়ছোৱাত পদ্মাৰ মাক–দেউতাকে জীয়েকক এবাৰো লগ পোৱা নাছিল। ইয়াৰ মাজতে পদ্মাই জন্ম দিছিল এজনী ছোৱালী যাৰ বয়স এতিয়া তিনি বছৰ।

জীয়েক আৰু জোঁৱায়েক পংখবৰলৈ ঘূৰি আহিছে বুলি শুনি পদ্মাৰ মাক–দেউতাকে জীয়েকক চাবলৈ আহিল। তেওঁলোকে লগতে পদ্মাই ভালপোৱা জলা আচাৰৰ বটল এটা লৈ আহিছিল। সেইটো দেখি পদ্মাই মাক–দেউতাকক ক'লে, ''মোৰ ছোৱালীয়ে জলা নাখায়। তাইৰ কাৰণেই মইয়ো সাত্ত্বিক আহাৰ খোৱাৰ অভ্যাস কৰিছো। আপোনালোক দুয়ো এই জলা আচাৰ খাই থাকিলে স্বাস্থ্যৰ ওপৰত তাৰ কুপ্ৰভাৱ পৰিব। এই বয়সত জলা খাদ্য স্পৰ্শ কৰাও অনুচিত।

''আই, এই আচাৰত জলা নাই, আছে মাৰৰ মমতা। তই তোৰ ছোৱালীৰ বাবে যি কৰিছ, মাৰেও তোৰ বাবে তাকেই কৰিছে,'' পদ্মাৰ দেউতাকে ক'লে।

– শ্ৰীৰামকমল



শিথিলালয়–৩৩

(শিখিমুখী আৰু বিক্ৰমকেশৰীয়ে বাকীসকলৰ লগ হৈ শিথিলালয়ৰ ওপৰৰ পৰা শিলবিলাক আতৰাই থাকোতে তাত আহি অঘোৰীসকলৰ নেতা ঘোৰচিত্ত উপস্থিত হ'লহি আৰু শিখিমুখীৰ পৰা সকলো কাহিনী শুনিলে। মৃত্যুৰ মুখত স্থিত হৈ থকা শিথিলালয়ৰ পুজাৰীক গছৰ ওপৰত ঝুলনাত পৰি থকা অৱস্থাত দেখা পালে। তাৰপিছত ঘোৰচিত্তই নিজৰ শিষ্য আৰু ইম্যু লোকসকলক হাতীৰ সহায়ত শিলবিলাক আতৰাবলৈ নিৰ্দেশ দিলে। তাৰপিছত...)

ঘোৰচিত্তৰ শিষ্য আৰু ইম্যু জাতিৰ লোকসকলে শিথিলালয়ৰ ওপৰত থকা শিলবিলাক আঁতৰাবলৈ ধৰিলে। তেওঁলোকে লগত লৈ অহা ৰচীবিলাক শিলত বন্ধি দিলে আৰু আনটো মূৰ হাতীৰ কঁকালত বান্ধি দিলে। হাতীয়ে সেইবিলাক টানি টানি দূৰলৈ লৈ গ'ল।

শিখিমুখী আৰু বিক্ৰমকেশৰী ঘোৰচিত্তৰ কাষতে থিয় হৈ শিলৰ তলৰ পৰা শিথিলালয় মুক্ত হোৱালৈ বাট চাই থাকিল।

সূৰ্য অস্ত যোৱাৰ দুই–তিনি ঘন্টাৰ আগতেই সকলো শিল আঁতৰাই পেলোৱা হ'ল। সকলোৱে স্পষ্ট ৰূপত শিথিলালয় দেখা পালে। তাত থকা দেৱী মূৰ্তিৰ তলত জমা কৰি থোৱা সোণ–ৰূপৰ টুকুৰাবিলাক দেখি শিখিমুখী আৰু বিক্ৰমকেশৰী আচৰিত হৈ পৰিল। কিন্তু তেওঁলোকৰ সোণলৈ লোভ নাছিল। তেওঁলোকে চিন্তা কৰি আছিল যে মহাৰাজ বিক্ৰমকেশৰীয়ে যি অপূৰ্ব শিল্পৰ কথা লিখিছিল, সেয়া ক'ত আছে।

শিখিমুখীয়ে দেখিলে যে এটা আন্ধাৰ কোঠাৰ ঐখন দেৱালত থকা এটা ফুটাইদি পোহৰৰ ৰশ্মি সোমাই আহিছে। তেওঁ সেই ঠাইলৈ আগুৱাই গ'ল। সেই ঠাইত এটা সাত–আঠ ফুট মান ওখ শিল এটা আছিল।

দাসৰি সুব্যমণ্যম

সেই কোঠাৰ ভিতৰত জিকমিকাই থকা সোণ আৰু আন ধাতুৰ বহু মূৰ্তি স্পষ্টকৈ দেখিবলৈ পালে।

সেই মূৰ্তিবিলাক দেখি শিখিমুখী আৰু বিক্ৰমকেশৰী বৰ আনন্দিত হ'ল। তেওঁলোকৰ দেশত এনে অনুপম শিল্প তৈয়াৰ কৰিব পৰা শিল্পী নাই। মহাৰাজ বিক্ৰমকেশৰীয়ে এই মূৰ্তিবিলাকৰ কথা ইম্যু জাতিৰ লোকৰ পৰা শুনিছিল। তেওঁ এইবিলাকৰ সৌন্দৰ্যৰ বিষয়ে যিমান যি শুনিছিল সেই কথা যে অলপো অসত্য নাছিল, সেই কথা শিখিমুখী আৰু বিক্ৰমকেশৰীয়ে উপলব্ধি কৰিলে।

সেই শিলৰ কাষেদি পোহৰ ভিতৰলৈ সোমাই আহিছিল। শিলটো পৰীক্ষা কৰি শিখিমুখীয়ে কলে, ''বিক্ৰম, এনে লাগিছে যে এই শিলৰ পিছফালে হয়তো এটা ডাঙৰ কোঠা আছে। ভিতৰৰ পৰা পোহৰৰ ৰশ্মি অহাৰ অৰ্থ হ'ল সেই কোঠাৰ ওপৰভাগ হয়তো খালী।'' শিখিমুখীয়ে কলে।

''মোৰ তেনে সন্দেহেই হৈছে। কিন্তু ইমান ডাঙৰ শিল আতৰোৱাটো বৰ সহজ কথা নহব।'' বিক্ৰমে হাতেৰে শিলটো লৰাবলৈ চেষ্টা কৰি কলে।

শিখিমুখীয়ে কেইজনমান অনুচৰক তালৈ মাতিলে। সকলোৱে মিলি সেই শিলটো ঠেলিবলৈ ধৰিলে। হঠাৎ এবাৰত প্ৰচণ্ড শব্দ কৰি শিলটো বাগৰি তলত পৰিল। লগে লগে তেওঁলোকে

সেই কোঠাত থকা মূৰ্তিবিলাকৰ কথা ঘোৰচিত্তক কবলৈ শিখি আৰু বিক্ৰম সেই কোঠাৰ পৰা বাহিৰলৈ ওলাই আহিল। সেই মন্দিৰৰ ওচৰতে থকা এটা শিলৰ ওপৰত নিজৰ শিষ্যসকলক লৈ ঘোৰচিত্ত বহি আছিল। তেওঁলোকে এই খবৰ জনোৱাত ঘোৰচিত্ত বৰ সুখী হ'ল। তাতে শিথিলালয়ৰ পুজাৰীও আছিল। ইতিমধ্যেই তেওঁক গছৰ ওপৰৰ ঝুলনাৰ পৰা তললৈ নমাই অনা হৈছিল। তেওঁক ডাঙি ধৰি আছিল পুজাৰীৰে শিষ্য সবৰগীধে।

শিখিমুখীৰ কাষলৈ আহি পুজাৰীয়ে তেওঁক প্ৰণাম কৰি কলে, ''শিখি, তুমি জংঘলী জাতিৰ লোক আৰু মোতকৈ বয়সতো সৰু। তথাপিও তোমাক মই প্ৰণাম কৰিছো। কিয়নো তোমাৰ সাহস আৰু ঘোৰচিত্তৰ সহায়ৰ বাবে



হাতৰ পৰা এৰি তলত পৰি গলে মৃত্যু নিশ্চিত।''

এই কথা শুনি পুজাৰীয়ে চকু মেলি কলে, ''শিখি, মই আৰু বেছি দিন এনেয়েও জীয়াই নাথাকো। যদি জীয়াই থাকোও, তেন্তে লেঙেৰাৰ জীৱন কটাব লগীয়া হব। সেইবাবে মই তোমাৰ লগতে বিক্ৰমক এই অনুৰোধ কৰিব খোজো যে তোমালোকে মোৰ শিষ্য সবৰগীধ আৰু এই দুই অনুচৰক কোনো শাস্তি নিদি ক্ষমা কৰি দিয়া। তাতোকৈ অধিক মই একো নিবিচাৰো।''

শিখিমুখীয়ে বিক্ৰমৰ ফালে চালে। বিক্ৰমে সন্মতিসূচক মূৰ দুপিয়ালে। তাকে দেখি শিখিমুখীয়ে পুজাৰীক কলে, ''তুমি ইহতকেইটাৰ কথা চিন্তা নকৰিবা। ইহতৰ নিজাকৈ চিন্তা কৰিব পৰা শক্তি নাই। ইহতে কোনো সামৰ্থবান ব্যক্তিক খুব ভালকৈয়ে সেৱা কৰিব। এই মূহুৰ্তৰ পৰাই মই ইহতক মোৰ অনুচৰ হিচাপে দলৰ অন্তৰ্ভূক্ত কৰিলো। এইক্ষেত্ৰত তোমাৰ কিবা কবলগীয়া আছে নেকি?''

পুজাৰীয়ে বিষত কেঁকাই উঠিল। তাৰপিছত জোৰকৈ মুখত এটা হাঁহি ফুটাই কলে, ''এই মূহুৰ্তত মোতকৈ আৰু সুখী ব্যক্তি এই পৃথিৰীত কোনো নাই। মই নিজ চকুৰে শিথিলেশ্বৰীক দৰ্শন কৰিলো। সেয়া, মোক শিথিলেশ্বৰীয়ে মাতিছে.. মোক মাতিছে।'' এইবুলি পুজাৰীয়ে নিজৰ অনুচৰৰ হাত এৰি শিলটোৰ পৰা তললৈ জপিয়াই দিলে।

মই আজি শিথিলালয় দৰ্শন কৰিবলৈ সুবিধা পাইছো। মই ভাৱিছিলো যে শিথিলালয়ত থকা সোণ-ৰূপবিলাক হস্তগত কৰি ৰজাৰ জীৱন কটাম। কিন্তু শিথিলেশ্বৰীয়ে মোৰ ভাগ্যত আন কিবাহে লিখি থৈছিল। মই কৈছিলো যে মই এহেজাৰ বছৰ ধৰি এই মন্দিৰৰ পুজাৰী আছিলো। কিন্তু সেয়া কেৱল এই জন্মৰ কথা কোৱা নাছিলো। মোৰ পূৰ্বজন্মক ধৰিহে সেই হিচাপ কৰিছিলো। পূৰ্বজন্মৰ কথা মোৰ সম্পূৰ্ণ জ্ঞাত।'' এইকথা কৈ পুজাৰীয়ে চকু মুদি মুখৰ ভিতৰতে কিবা গুণগুণাবলৈ ধৰিলে।

শিখিমুখীয়ে পুজাৰীৰ লগত অহা আৰু পিছত ঘোৰচিত্তৰ হাতত বন্দী হোৱা ডকাইত কেইটাই পুজাৰীক ডাঙি ধৰি আছিল। শিখিয়ে সিঁহতক কলে, ''তহতে পুজাৰীক ভালদৰে ধৰি থাক।

শিখিমুখী, ঘোৰচিত্ত আৰু পুজাৰীৰ অনুচৰবিলাকে শিলটোৰ ওপৰৰ পৰা তললৈ জুমি চালে। দেখিলে– পুজাৰীৰ তেজ তলত থকা শিলবিলাকত বিয়পি পৰিছে। পুজাৰীৰ দেহটো নিশ্চল হৈ তলত পৰি আছে।

“দুষ্ট আৰু মহাপাপীৰ মৃত্যু ভোগ কৰিবলৈ পালে।” জংঘলাই আনন্দেৰে কলে।

“তেনেকৈ নকবা। তেওঁ পুণ্যাত্মা আৰু মহাভক্তৰ মৃত্যু লাভ কৰিছে। মহাদেৱীৰ সন্মুখত কিমান লোকৰ এনেকৈ ইহলীলা সম্বৰণ কৰাৰ সৌভাগ্য হৈছে।” ঘোৰচিত্তই গম্ভীৰ স্বৰেৰে কলে।

“মোৰ গুৰুৱে নিজৰ পথ গ্ৰহণ কৰিলে। আকাশত উৰাৰ শক্তিও যেন মোৰ পৰা নাইকীয়া হৈ গৈছে।” এইবুলি কৈ সবৰগীধে চকুলো টুকিবলৈ ধৰিলে।

শিখিমুখীয়ে তাক গালি পাৰি কলে, “হেৰ সবৰগীধ। আকাশত উৰাৰ শক্তি তোৰ কেতিয়াও নাছিল। সুৰাৰ নিচাত তই সদায় তেনেকৈ ভাব। যদি তই নিজকে শুধৰাই নলৱ, তেন্তে মই তোক সৱৰ জাতিৰ নেতা লাটু সিঙক চমজাই দিম।”

“আপুনি সেয়াই কৰক চাহাব। বিন্ধ্যাচল পৰ্বত পাৰ হৈ হিমালয় পৰ্বত আহি পোৱা সৱৰ জাতিৰ ব্যক্তি কোন? সেয়াটো ময়েই। লাটু সিঙে মোক উচিত সন্মান প্ৰদান কৰিব। কিন্তু

তেওঁৰ কণ্যা নাগমল্লীৰ পৰা মোক ৰক্ষা কৰক।” সবৰগীধে শিখিমুখীক কাকুতি কৰি কলে।

সূৰ্যোদয়ৰ লগে লগে সকলো লোক যাত্ৰা কৰিবৰ বাবে সাজু হৈ উঠিল। শিথিলালয়ৰ অপূৰ্ব শিল্প নিজৰ দেশলৈ লৈ যাবৰ বাবে বৃশ্চিক নেতাৰ পৰা শিখিমুখী আৰু বিক্ৰমকেশৰীয়ে অনুমতি বিচাৰিলে। বৃশ্চিক নেতাই সেই জাতিৰ লোকসকলৰ লগত আলোচনা কৰি কলে, “কেৱল এই শিল্পই নহয়, ইয়াত থকা সোণৰ টুকুৰাবিলাকো আপোনালোকে লৈ যাওক। এই দ্বীপত এনে বস্তুৰ একেবাৰে প্ৰয়োজন নাই। আমি বৃশ্চিক দেৱীৰ মন্দিৰ বিচাৰি পালো, তাতোকৈ আৰু আনন্দৰ কথা কি হব পাৰে। এই অৰণ্যত প্ৰয়োজনকৈ অধিক চিকাৰ আৰু ফল আছে। সেয়াই আমাৰ বাবে যথেষ্ট।”



শিখিয়ে কলে।

"মই অকলে এইবিলাক লৈ নাযাও। তুমিও প্ৰথমতে মোৰ লগত আমাৰ দেশৰ ৰাজধানীলৈ বলা। তাৰপিছত আমি দুয়ো তোমাৰ গাৱঁলৈ যাম। তুমি শিথিলালয়ৰ পুজাৰীৰ জটা কাটি থৈছা। সেয়া ভালদৰে থৈছাতো? গৈ পোৱাৰ লগে লগেই সৱৰ জাতিৰ নেতা লাটুসিঙৰ কণ্যা নাগমল্লীয়ে সেয়া বিচাৰিব। মনত আছে নহয় তোমাৰ।" বিক্ৰমকেশৰীয়ে কলে।

"মই পূবঘাট পৰ্বতৰ পৰা ইমান দূৰলৈ যাত্ৰা কৰি আহিলো। এতিয়াহে মই বুজিব পাৰিছো যে এটা জটাৰ বাবেই মই ইমান দূৰলৈ আহিলো। সেয়া লাভো কৰিলো। তাতোকৈ অধিক নাগমল্লীয়ে কি বিচাৰিব?" শিখিমুখীয়ে হাঁহি মাৰি কলে।

"সেয়া নাগমল্লী নহয়, কালনাগ। এনে নাৰীৰ লগত প্ৰেম আৰু শত্ৰুতা প্ৰায় একেই হৈ পৰে।" বিক্ৰমে কলে।

শিখিমুখীয়ে মিচিকিয়াই হাঁহিলে। তাৰপিছত তেওঁলোকে শিথিলালয়ত পোৱা সকলো শিল্প আৰু সোণ-ৰূপ নাৱত বোজাই কৰিলে। দুপৰীয়াৰ সময়ত তেওঁলোকে গোলভৰা অভিমুখে নাও মেলি দিলে। বৃশ্চিক নেতাই শিখিমুখী আৰু বিক্ৰমৰ প্ৰতি কৃতজ্ঞতা ব্যক্ত কৰিলে। ঘোৰচিত্তই এই প্ৰতিজ্ঞা কৰিলে যে বছৰত এবাৰ তেওঁ শিষ্য সকলৰ লগত বৃশ্চিক দ্বীপলৈ আহি

শিখিমুখীয়ে বৃশ্চিক নেতাৰ প্ৰতি নিজৰ কৃতজ্ঞতা ব্যক্ত কৰিলে। তাৰপিছত তেওঁ বিক্ৰমক কলে, "বিক্ৰম, মই এক জংঘলী জাতিৰ লোক হিচাপে কৈছো। সোণ মানুহৰ অমংগলৰ কাৰণ। আমাৰ শৱৰ জাতিৰ লোকে এয়ে বিশ্বাস কৰে।"

তাকে শুনি বিক্ৰমে কলে, "তোমাক কথা মই সম্পূৰ্ণ ৰূপে বুজি পাইছো। কিন্তু মই শুৰসেন দেশৰ ৰাজ কুমাৰ আৰু এজন ক্ষত্ৰিয় হিচাপে কও যে এজন বিবেকশীল ৰজাৰ হাতত এই সোণ পৰিলে, তাৰ ফলত জনতাৰ সমৃদ্ধিহে হব। লগতে শত্ৰু নাশ কৰিবলৈও সহজ হব।"

"তুমি যদি এনেকৈ ভাৱা, তেন্তে তাত মোৰ কোনো আপত্তি নাই। এই অপূৰ্ব শিল্পৰ লগতে সকলো সোণ-ৰূপ তুমি ৰাজধানীলৈ লৈ যোৱা।"

বৃশ্চিক দেৱীৰ দৰ্শন কৰিবহি।

কোনো হানি–বিঘিনি নোহোৱাকৈ প্ৰায় দুসপ্তাহ নৌকা যাত্ৰা কৰাৰ পিছত সকলো লোক গোলভৰা গাঁৱত উপস্থিত হ'লহি। তাত ইম্যু জাতিৰ মুখিয়ালে তেওঁলোকক আদৰণি জনালে। তেওঁ দুদিন ধৰি উৎসৱৰ ঘোষণা কৰিলে। বিক্ৰমকেশৰীয়ে সেই শিল্পবিলাকৰ মাজৰ পৰা ভগৱানৰ এটা অপৰূপ মূৰ্তি নি ককাদেউতাক মহাৰাজ বিক্ৰমকেশৰীৰ সমাধিৰ কাষতে স্থাপন কৰিলে। নাগসোম আৰু আন লোকসকলৰ মাজত কিছু সোণৰ টুকুৰা ভাগ কৰি দিলে।

দুদিন পিছত ইম্যু জাতিৰ পৰা বিদায় লৈ শিখিমুখীৰ দল ৰাওনা হ'ল। দুসপ্তাহৰ পিছত তেওঁলোকে কামাখ্যা নগৰত উপনীত হৈ আগতে যিটো চৰাইখানাত আছিল, তাতে জিৰণি ললে। চৰাইখানাৰ মালিকে তেওঁলোকক চিনি পাই বৰ আদৰ–সাদৰ কৰিলে।

কামাখ্যা নগৰত এটা সপ্তাহ জিৰণি লোৱাৰ পিছত তেওঁলোক পুণৰ ৰাওনা হবলৈ সাজু হ'ল। তেওঁলোকৰ লগতে যোৱা ঘোৰচিত্তই বিক্ৰমক সাৱতি ধৰি কলে, ‘‘আমাৰ গুৰু মহাৰাজ বিক্ৰমকেশৰীয়ে আঘোৰীক যি সহায় কৰিলে, তাৰ প্ৰতিদান হিচাপে তোমাক সহায় কৰিব পাৰি ভাল লাগিল। ভগৱানে তোমাক শতবৰ্ষ আয়ুস দিয়ক।’’ তাৰপিছত ঘোৰচিত্তই নিজৰ শিষ্যসকলক লৈ উভতনি যাত্ৰা আৰম্ভ কৰিলে।



শিখিমুখীহতে যাত্ৰা আৰম্ভ কৰাৰ আগত জংঘলাক তেওঁলোকৰ লগতে যাবৰ বাবে অনুৰোধ কৰিলে। লগতে কলে যে তেওঁ গোটেই জীৱন জংঘলাক সুখত ৰাখিব। কিন্তু জংঘলাই নিজৰ চহৰ এৰি যাবলৈ ৰাজী নহ'ল। বিক্ৰমে তেওঁকো অলপ সোণ উপহাৰ দিলে।

সোণৰ টুকুৰা উপহাৰ স্বৰূপে পাই জংঘলা বৰ আনন্দিত হ'ল। তেওঁ গদ গদ স্বৰেৰে কলে, ‘‘চাহাব, মই প্ৰথমতে আপোনালোকক ঠগিবলৈ চেষ্টা কৰিছিলো। কিন্তু তাৰপিছতো আপোনালোকে মোক ক্ষমা কৰি দি বিশ্বাসত ললে। মই ইয়াতে এটা চৰাইখানা নিৰ্মাণ কৰি আৰামৰ জীৱন কটাম।’’

শিখিমুখী আৰু বিক্ৰমে জংঘলাৰ কথা শুনি সন্তুষ্ট হ'ল। তাৰপিছত

তেওঁলোকে লগত অনা সোণ আৰু আন সামগ্ৰীবিলাক লৈ যাবৰ বাবে ঘোঁৰা আৰু বনুৰাৰ ব্যৱস্থা কৰিলে। সকলোৱে তাৰপিছত প্ৰায় তিনি মাহ ধৰি যাত্ৰা কৰি শুৰসেন দেশৰ ৰাজধানীত উপস্থিত হ'ল।

বিক্ৰমকেশৰীৰ পিতাক জয়সেনে শিখিমুখী আৰু বিক্ৰমক দেখি বৰ সুখী হ'ল। তেওঁ তেওঁলোকক ৰাজোচিত স্বাগতম জনালে। তেওঁ লগে লগে দূত প্ৰেৰণ কৰি সৱৰ নেতা লাটু সিং আৰু শিখিমুখীৰ পিতাক শিৱালক ৰাজধানীলৈ আমন্ত্ৰণ জনালে।

সৱৰ নেতা লাটু সিঙৰ লগত তেওঁৰ কণ্যা নাগমল্লীও আহিল। তেওঁ শিখিমুখীক লগ পাই সুধিলে, ‘‘মই কোৱা ধৰণে তুমি সেই দুষ্ট শিথিলালয়ৰ পুজাৰীৰ মূৰৰ জটা কাটি আনিব পাৰিলানে?’’

তাকে শুনি শিখিমুখীয়ে ককালৰ খোচনিত বহু দিনৰ পৰা ভালকৈ বান্ধি থোৱা শিথিলালয়ৰ পুজাৰীৰ মূৰৰ জটা উলিয়াই নাগমল্লীক দিলে। সেইটো দেখি নাগমল্লী বৰ সুখী হ'ল।

তাৰপিছত যেতিয়া মহাৰাজ জয়সেনে শিখিমুখী আৰু নাগমল্লীৰ মাজত থকা প্ৰেমৰ কথা গম পালে, তেতিয়া তেওঁ দুয়োৰে পিতাকৰ লগত আলোচনা কৰি বিবাহ স্থিৰ কৰি পেলালে। তেওঁলোকৰ বিৱাহত দুই পক্ষৰ লোকেই আনন্দৰে মাতি হল।

তাৰপিছত মহাৰাজ জয়সেনে নিজে ই আগভাগ লৈ বিৱাহৰ দিন-বাৰ ঠিক কৰিলে। নানা বিষয়াক নানা কামৰ দায়িত্ব দি সকলো যা-যোগাৰ কৰিবলৈ নিৰ্দেশ দিলে। কেইদিনমানৰ ভিতৰতে ধুম-ধামেৰে দুয়োৰে বিৱাহ কাৰ্য সমাধা হ'ল। বিক্ৰমকে আদি কৰি সকলোৱে সেই বিবাহত বৰ আনন্দ কৰিলে।

শবৰ আৰু সৱৰ জাতিৰ বহু লোক বিবাহৰ পিছতো এমাহ সময় জয়পালৰ আতিথ্যত থাকি আনন্দ-ফুৰ্তি কৰি নিজৰ নিজৰ গাৱঁলৈ উভতি গ'ল।

(সমাপ্ত)



যদি তেনে হ'লহেঁতেন

ৰংগা আৰু গংগা দুয়ো খুব বন্ধু আছিল। কিন্তু দুয়োটাৰে এটা বেয়া স্বভাৱ আছিল। যেতিয়াই এটাই আনটোক লগ পাই, খুট–খাট আৰম্ভ কৰি দিয়ে। এদিন দুয়ো এজন আহত লোকক বৈদ্যৰ ওচৰলৈ লৈ গ'ল। বৈদ্যই তেওঁৰ ঘাঁ চাফা কৰি দিলে, তাত পটী লগাই দিলে আৰু ভালকৈ পৰীক্ষা কৰিলে। অলপ সময় পিছত সিহঁত দুয়োটাক সুধিলে, ''এওঁ দুখ কেনেকৈ পালে?''

''দুটা ছাগলীয়ে যুঁজ কৰি আছিল। মই জোৰ দি ক'লো যে ৰঙাটো জিকিব, কিন্তু এওঁ দাবী কৰি ক'লে যে ক'লাটোহে জিকিব। এনেকৈ মোৰ আৰু গংগাৰ কথা বাঢ়ি গ'ল আৰু অৱশেষত আমি দুয়ো এটাই আনটোক মাৰিবলৈ উদ্যত হ'লো। সেই সময়তে এখেত ৰাস্তাইদি গৈ আছিল। তেখেতে আমাক কাজিয়া কৰা দেখি দুয়োটাকে বেলেগ কৰি দিলে আৰু আমাৰ দুয়োৰে মাজত আহি থিয় হ'ল। মই গংগাক মাৰিবলৈ বুলি শিল এছটা দলিয়াই দিলো, কিন্তু সেইডোখৰ গৈ এখেতৰ মূৰত লাগিল আৰু তেখেতে দুখ পালে।'' ৰংগাই ক'লে।

গংগাই অতি আতুৰভাৱে বৈদ্যক সুধিলে, ''এখেতৰ মূৰত বেচি দুখ পোৱা নাইতো? এতিয়াও তেজ ওলায়েই আছে।''

''তোমালোকৰ চিন্তাৰ কাৰণ নাই। মূৰত শিল লগাত অলপমান দুখ পাইছে। বেছি নহয়। তেজ দেখি বেচেৰা বেহুচ হৈ পৰিল। অলপ পিছত ঠিক হৈ যাব।'' বৈদ্যই মিচিকিয়াই ক'লে।

– পদ্মনাথ



মাতৃ-স্নেহ

ৰাঘৱ আৰু নাৰায়ণৰ ঘৰ লগা-লগি আছিল। তেওঁলোকৰ খেতিৰ মাটিও লগা-লগি আছিল। দুয়োৰে ঘৰৰ মাজত আনকি এখন দেৱালো নাছিল। ৰাঘৱৰ পত্নী কান্তা আৰু নাৰায়ণৰ পত্নী শান্তাই ভগৱানৰ ওপৰত অত্যাধিক বিশ্বাস ৰাখিছিল। তেওঁলোকৰ দুটাকৈ বলদ, ম'হ আছিল কিন্তু এজনৰো গাই নাছিল। পত্নীসকলৰ ইচ্ছা পূৰণ কৰিবলৈ দুয়ো এদিন হাটলৈ গৈ একোজনীকৈ গাই কিনিলে। কান্তা আৰু শান্তা এই কথাত বৰ সুখী হ'ল, বৰ শ্ৰদ্ধাৰে দুয়ো গাই দুজনী লালন পালন কৰিবলৈ ধৰিলে।

নাৰায়ণৰ গাইজনীয়ে একেৰাহে দুবাৰ দুটা দমৰা জন্ম দিলে আৰু ৰাঘৱৰ গাইজনীয়ে দুয়োবাৰ একোজনীকৈ চেঁউৰী জন্ম দিলে। ৰাঘৱে আশা কৰিছিল দমৰা জন্ম হ'লে পিছলৈ খেতিৰ কামত লগাব পৰা যাব। এইবাৰ দুয়োজনী গাই তৃতীয়বাৰৰ বাবে গাভিনী হ'ল। ৰাঘৱে বৰ আশা কৰিছিল, অন্ততঃ এইবাৰ এটা দমৰা জন্ম হ'ব। ইফালে আত্মীয়ৰ ঘৰত হোৱা এখন বিবাহৰ সূত্ৰে নাৰায়ণ আন এখন গাঁৱলৈ যাবলগীয়া হৈছিল। যোৱাৰ আগতে নাৰায়ণে ৰাঘৱক গাইজনীৰ চোৱা চিতাৰ দায়িত্ব দি সপৰিবাৰে বিয়ালৈ গ'ল।

ৰাঘৱৰ মনত এটা আচৰিত চিন্তাৰ উদ্ৰেক হ'ল। তেওঁ ভাবিলে দুয়োজনী গাইয়ে যদি আজি ৰাতিয়েই পোৱালি জন্ম দিয়ে বৰ ভাল কথা হ'ব। ইয়াৰ পাছত কি কৰিব লাগিব, সেই কথা ৰাঘৱে বৰ উৎসাহেৰে পত্নীক ক'লে। তেওঁৰ কথা শুনি শান্তা স্তম্ভিত হ'ল। তেওঁ স্বামীক তিৰস্কাৰ কৰি ক'লে, ‘‘আপোনাৰ বাৰু হৈছে কি? তেওঁৰ গাইজনীয়ে দমৰা জন্ম দিলে আমি লৈ যাম? আমাৰ গাইজনীয়ে চেঁউৰী জন্ম হ'লে পোৱালিটো আমি তেওঁৰ গাইৰ ওচৰত এৰি থৈ আহিমগৈ? এয়াতো ঘোৰ অন্যায় হ'ব। পশুৱে নিজৰ সন্তানক মনুষ্যতকৈয়ো বেছি সাৱধানতাৰে ডাঙৰ দীঘল কৰে। সিহঁতে

ৰাম গোপাল

কিমান মৰমেৰে নিজৰ সন্তানক ডাঙৰ দীঘল কৰে। আপুনি ভৱা মতে আমি যদি পোৱালি দুটা সলনিও কৰো তেন্তে দুয়োজনী গাইয়ে এৰাল ছিঙি নিজ নিজ পোৱালিৰ ওচৰলৈ আহিব।'' তেওঁ ক'লে।

ৰাঘৱে পত্নীৰ কথাখিনি ইকাণে সুমুৱাই সিকাণে উলিয়াই দিলে। সেইদিনা নাৰায়ণৰ গাইজনীয়ে জন্ম দিলে এটা দমৰা আৰু ৰাঘৱৰ গাইজনীয়ে চেঁউৰী জন্ম দিলে। শান্তাই নিজৰ স্বামীক বহুত বাধা দিলে। কিন্তু ৰাঘৱে নিজৰ পৰিকল্পনা অনুযায়ী পোৱালি দুটা সলনি কৰিলে। এই কাম কৰি তেওঁ শুই পৰিল।

অলপ সময়ৰ পাছত গোহালিত চিঞৰৰ বাখৰ শুনি ৰাঘৱ আৰু শান্তা তালৈ আহিল। তেওঁলোকে দেখিলে যে তেওঁলোকৰ গাইজনীয়ে নিজৰ পোৱালিটো বিচাৰি উন্মাদৰ দৰে হৈছে। গাইজনীৰ ডিঙিৰ ৰছী ছিঙি আছিল। ৰাঘৱ ততাতৈয়াকৈ নাৰায়ণৰ গোহালিলৈ গৈ দেখিলে তাতো গাইজনীয়ে নিজৰ পোৱালিটো বিচাৰি হাবাথুৰি খাইছে। এতিয়া তেওঁ বুজি পালে পশুৱে নিজৰ সন্তানক কিমান বেছি মৰম কৰে। তেওঁ বুজি পালে পত্নীৰ সাৱধানবাণীৰ মহত্ত্ব। নিজে কৰা অপকৰ্মৰ বাবে তেওঁৰ অনুতাপ হ'বলৈ ধৰিলে। ৰাঘৱে পোৱালি দুটাক সিহঁতৰ নিজৰ নিজৰ মাকৰ ওচৰত থৈ আহিলগৈ।

পিছদিনা নাৰায়ণ আৰু তেওঁৰ পত্নী শান্তা গাঁৱলৈ ঘূৰি আহিল। তেওঁলোক দুয়োৱে ৰাঘৱ দম্পতিক ধন্যবাদ জনালে তেওঁলোকৰ অনুপস্থিতিত গাই আৰু পোৱালিৰ যত্ন লোৱাৰ বাবে।

আগনিশাৰ ঘটনাৰ বাবে দুখ কৰি ৰাঘৱে নাৰায়ণক ক'লে, ''মোৰ মনত এই দুৰ্বুদ্ধি জাগিল, তাৰ বাবে মই তোমাৰ ওচৰত ক্ষমা ভিক্ষা কৰিছো।''

''তুমিনো তেনেকৈ কিয় কৈছা ৰাঘৱ? ইয়াত দুৰ্বুদ্ধিৰ প্ৰশ্ন আহিল কেনেকৈ? তিনিটা দমৰা ৰাখি মইনো কৰিম কি? সিহঁতৰ মাজৰে এটা তুমি লৈ ল'বা।'' নাৰায়ণ ক'লে।

''নাৰায়ণ, তোমাৰ হৃদয় বৰ বিশাল। কিন্তু মোৰ তিনিজনী দামুৰীৰ এজনী তুমি ল'ব লাগিব।'' ৰাঘৱে জোৰ দি ধৰিলে। নাৰায়ণেও কথাটো মানি ল'লে।

অলপ দূৰত থিয় হৈ থকা কান্তা আৰু শান্তায়ো এই কথাত সুখী হ'ল।

শূৰবীৰ ভয়ংকৰ

ভদ্ৰগিৰি আৰু ৰত্নগিৰি প্ৰতিবেশী ৰাজ্য আছিল। কেইবাপুৰুষ ধৰি দুই ৰাজ্যৰ মাজত শত্ৰুতা আছিল। এই কাৰণে সময়ে সময়ে ৰক্তপাত হৈছিল। দুয়ো দেশৰ ৰজা সাহসী আৰু যুদ্ধবিদ্যাত পাৰ্গত আছিল। যুদ্ধত সৈনিক নিহত হৈছিল, কিন্তু কোনো বিজয়ী হ'ব পৰা নাছিল।

এই পৰিস্থিতিৰ মাজতে ভদ্ৰগিৰিৰ ৰজাৰ অকাল মৃত্যু ঘটিল। তেওঁৰ পুতেক ৰণধীৰ ৰজা হ'ল। তেওঁ ৰত্নগিৰিৰ ৰজাক পৰাস্ত কৰাৰ সংকল্প লৈ সেই ৰাজ্য আক্ৰমণ কৰিলে।

দুদিনৰ ভিতৰতে দুয়ো ৰাজ্যৰ সেনাবাহিনী যুদ্ধৰ বাবে সীমান্তত মুখামুখি হ'ল। যুদ্ধ যিকোনো মুহূৰ্ত্ততে আৰম্ভ হোবাৰ সম্ভাৱনা আছিল। হঠাতে ভদ্ৰগিৰিৰ এটা সৰু দলৰ অধিপতি শূৰবীৰ ভয়ংকৰে, সেনাবাহিনী এৰি পলাবলৈ ধৰিলে। আন এজন দলপতিয়ে তাকে দেখি তেওঁক ধৰি পেলালে। তেওঁ শূৰবীৰক ৰজা ৰণধীৰৰ ওচৰলৈ লৈ আহিল আৰু এনেকৈ ধৰি অনাৰ কাৰণটো ক'লে।

ক্ৰোধান্বিত ৰজাই সুধিলে, ''তুমি দেখোন পৰম বলশালী, তোমাৰ শৰীৰ দৃঢ়, আৰু দেখাত তোমাক ভয় লগা যেন নালাগে। যুদ্ধ আৰম্ভ নৌহঁওতেই, যুদ্ধক্ষেত্ৰ এৰি এজন কাপুৰুষৰ দৰে পলাব খুজিছা কিয়? তুমি এনেকুৱা কিয় কৰিলা?''

শূৰবীৰ ভয়ংকৰে পৰম বিনয়েৰে ক'লে, ''মহাৰাজ, কাপুৰুষালিৰ বাবে মই পলাব খোজা নাছিলো। ৰত্নগিৰিৰ সৈনিকক দেখিলেই মোৰ অশান্তি হয়। সিহঁতৰ চেহেৰা দেখিলেই মোৰ ঘিণ লাগে। সেয়েহে পলাব খুজিছিলো।''

– লক্ষ্মী নাৰায়ণ, বৰোদা

শান্তি ৰহস্য

তেতিয়া ব্ৰহ্মদত্ত আছিল কাশীৰ ৰজা। তেওঁৰ দুজন পুত্ৰ আছিল। ৰজা ব্ৰহ্মদত্তই তেওঁৰ মৃত্যুৰ দিন চমু চাপি অহা বুজি পাই বৰপুত্ৰক সিংহাসন প্ৰদান কৰি সৰুজনক সেনাপতিৰ বাব দিয়াৰ কথা ভাবিলে। কিন্তু বৰপুত্ৰই ৰাজ্যশাসনত অনিচ্ছা প্ৰকাশ কৰি, সন্ন্যাস গ্ৰহণ কৰি ৰাজপ্ৰাসাদ এৰি গুচি গ'ল।

বিভিন্ন ঠাই ঘূৰি ব্ৰহ্মদত্তৰ বৰপুত্ৰই এক সামন্ত ৰজাৰ ৰাজ্য পালেগৈ। তাত তেওঁ এগৰাকী ধনী মানুহৰ অধীনত কাম কৰি কথমপি পেট প্ৰৱৰ্তাইছিল।

কিছুদিনৰ অন্তত কাশীৰপৰা মাটিৰ জোখ মাখ ল'বলৈ কৰ্মচাৰী আহিল। মাটি জোখা কৰ্মচাৰীহঁতে হঠাৎ তাত ডাঙৰ ৰাজ কোঁৱৰক দেখা পাই অত্যন্ত অবাক হ'ল। পাছত, ৰাজকোঁৱৰৰ সৈতে ৰাজকোঁৱৰৰ প্ৰাপ্য আচাৰ আচৰণ কৰিবলৈ ধৰিলে। বিষয়টোলৈ ধনী মানুহজনেও মন নকৰাকৈ নাথাকিল। ধনী মানুহজনে ৰজেকোঁৱৰক ক'লে, ''আন একো নহয়, কেৱল এটা অনুৰোধ, মাটি জুখিবলৈ অহা কৰ্মচাৰীহঁতে যেনেকৈ জুখিছে, তাৰে মোৰ মাটিৰ কৰ ঢেৰ বাঢ়ি যাব। তুমি তোমাৰ ভ্ৰাতৃলৈ, অৰ্থাৎ আমাৰ ৰজালৈ মোৰ কৰ হ্ৰাস কৰিবলৈ এখন সৰু চিঠি লিখি দিয়া।''

ডাঙৰ ৰাজকোঁৱৰ ধনী মানুহজনৰ প্ৰস্তাৱত সন্মত হ'ল, চিঠি লিখিলে, আৰু সৰু ৰাজকোঁৱৰেও অৰ্থাৎ দেশৰ ৰজায়ো ককায়েকৰ নিৰ্দেশমতে কাম কৰিলে।

ক্ৰমশঃ এই ঘটনা প্ৰচাৰ হৈ পৰিল। বিভিন্ন ঠাইৰপৰা ডাঙৰ ৰাজকোঁৱৰৰ ওচৰলৈ মানুহ আহিল, আৰু ৰাজকোঁৱৰেও প্ৰত্যেকৰ প্ৰয়োজনৰ জোখাৰে ভায়েকলৈ চিঠি লিখি দিলে। আৰু ভায়েকেও অৰ্থাৎ ৰজায়ো ককাইদেৱেকৰ চিঠিৰ পৰিপূৰ্ণ মৰ্য্যাদা দি থাকিল।

তাৰপাছত, ৰাইজে ডাঙৰ ৰাজ কোঁৱৰৰ পৰা আন এবিধ সুবিধা ল'বলৈ ধৰিলে। তেওঁলোকৰ হিচাপমতে যিখিনি

'জাতক কাহিনী'

কৰকাটল দিব লাগে, কৰ কাটল দিবলৈ ৰাজধানীলৈকে নগৈ ডাঙৰ ৰাজকোঁৱৰকে গটাই দিবলৈ ধৰিলে।

এইদৰে, ভালেমান দিনলৈকে কৰ গ্ৰহণ কৰাৰ পাছত, ডাঙৰ ৰাজকোঁৱৰৰ মনত সিংহাসন অধিকাৰ কৰাৰ এক প্ৰচণ্ড বাসনা জাগ্ৰত হ'ল।

কিন্তু যি সিংহাসন তেওঁ স্বইচ্ছাৰে ত্যাগ কৰি আহিছে, সেই সিংহাসনলৈ দাবী জনায় কেনেকৈ?

এইদৰে, দোদুল্যমান অৱস্থাত কিছুদিন কটোৱাৰ অন্তত, কেইজনমান বিশিষ্ট ব্যক্তিক দূত হিচাপে পঠালে ভায়েকলৈ, অৰ্থাৎ দেশৰ ৰজালৈ।

দূতসকলে কাশীৰ ৰজাক, অৰ্থাৎ ডাঙৰ ৰাজকোঁৱৰৰ ভায়েকক ক'লেহি সিংহাসন অনতিপলমে পৰিত্যাগ কৰক, নহ'লে যুদ্ধ কৰিব লাগিব।

ৰজাই সেই দূতসকলৰ হতুৱায়েই বাতৰি পঠালে– 'ককাইদেউ, মই তোমাৰ বিৰুদ্ধে জীৱনতো যুদ্ধ নকৰোঁ। এই সিংহাসন ন্যায়তঃ তোমাৰ প্ৰাপ্য। তুমি অনুগ্ৰহ কৰি অনতিপলমে সিংহাসন গ্ৰহণ কৰি মোক মুক্ত কৰাহি।'

তাৰ পাছত ডাঙৰ ৰাজকোঁৱৰ সিংহাসনত অধিষ্ঠিত হ'ল, আৰু ভায়েকে সেনাপতিৰ পদ গ্ৰহণ কৰিলে।

সিংহাসনত অধিষ্ঠিত হোৱাৰ লগে লগে নতুন ৰজাই এটা কথালৈ মন কৰিলে তেওঁৰ দেশখন আন বহুতো দেশতকৈ আয়তনত সৰু। দেশৰ সীমা বঢ়াব লাগিব। ভৱা মতে কামো কৰিলে। কেইবাখনো দেশ আক্ৰমণ কৰি তেওঁ নিজৰ দেশৰ সীমা ভালেখিনি বঢ়ালে।

ইপিনে ভূলোকৰ প্ৰতিখন ৰাজ্য সম্পৰ্কে অনুসন্ধান কৰি কৰি দেৱেন্দ্ৰই কাশীৰ ৰজাৰ প্ৰসংগলৈ আহিল। কাশীৰ ৰজাৰ সম্পৰ্কে সকলো কথা শুনি দেৱেন্দ্ৰ বিস্মিত হ'ল আৰু কাশীৰ ৰজাক উচিত শিক্ষা দিবলৈ থিৰাং কৰিলে।

আঁচনিমতে দেৱেন্দ্ৰই এক যুৱকৰ ভেশ লৈ কাশীৰ ৰজাক দৰ্শন কৰিবলৈ আহিল। দেৱেন্দ্ৰই কাশীৰ ৰজাক ক'লে, ''মই এটা গোপন কথা ক'ম আপোনাক।''

ৰজাই তৎক্ষণাৎ সিংহানৰপৰা নামি, যুৱকক অন্তেষপুৰলৈ লৈ গ'ল। যুৱকে ক'লে, ''মহাৰাজ, সীমাহীন সা-সম্পদ থকা তিনিখন দেশৰ সন্ধান মই আপোনাক দিব পাৰোঁ। আপুনি যুদ্ধ কৰিব নালাগে। মোৰ যিকণ ক্ষমতা আছে, সেইকণ ক্ষমতাৰেই সেই তিনিখন দেশ জয় কৰি আপোনাৰ হাতত গটাই দিম।'' এই বুলি

কোৱাৰ পাছত ৰজাই অন্যমনস্ক হোৱাৰ লগে লগে যুৱকৰূপী দেৱেন্দ্ৰ তাৰপৰা অদৃশ্য হৈ পৰিল।

বিনা শ্ৰমেৰে তিনিখন ৰাজ্য পোৱাৰ আনন্দ কৰ্পুৰৰ দৰে উৰি গ'ল ৰজাৰ মনৰ পৰা। তেওঁ নিজেই যুৱকক বহু সময় ধৰি বিচাৰিলে। কিন্তু বহু বিচাৰিও নাপাই, ৰজাই সেনাপতি, পালি-সেনাপতি, প্ৰহৰী আদিক মতাই অনাই ক'লে, ''অলপ আগতে ৰাজসভাৰ পৰা যিজন অচিনাকি যুৱকে মোক মাতি লৈ আহিছিল, তেওঁ তিনিখন সম্পদশালী ৰাজ্য জয় কৰি মোৰ হাতত গটাই দিব বুলি কৈছিল। কিন্তু সেই যুৱক যে কেতিয়া ক'লৈ গুচি গ'ল মই ক'ব পৰা নাই। তাক বিচাৰি উলিয়াবই লাগিব।''

কিন্তু ভালেমান দিন ধৰি বিচাৰিও যেতিয়া যুৱকক পোৱা নগ'ল, তেতিয়া ৰজাৰ মূৰত বিকৃতিয়ে দেখা দিলে। ৰজা বলিয়া হৈ পৰিল।

এনে সময়ত সকলো শাস্ত্ৰত পাণ্ডিত্য অৰ্জনকাৰী বোধিসত্ত্ব এদিন তক্ষশীলাৰপৰা কাশীলৈ আহিল। ৰজাৰ অসুখৰ খবৰ শুনি বোধিসত্ত্বই ক'লে, ''মই ৰজাৰ অসুখ ভাল কৰি দিম।''

ৰজাৰপৰা আহ্বান পাই বোধিসত্ত্ব ৰাজ-প্ৰাসাদলৈ গ'ল আৰু ৰজাক ক'লে, ''মহাৰাজ, এনেকৈ সদায় চিন্তা কৰি থাকিলেই আপুনি সেই ৰাজ্য তিনিখন লাভ কৰিব পাৰিব বুলি ভাৱেনে?''

ৰজাই মূৰ জোকাৰি ক'লে, ''নহয়।''

''জগতৰ সকলো বস্তুৰ জন্ম যেনেকৈ আছে, মৃত্যুও আছে। আছেনে নাই কওক।'' বোধিসত্ত্বই সুধিলে।

''নিশ্চয় আছে।'' ৰজাই ক'লে।

''সেইদেখিহে কওঁ - তিনিখন কিয়, সহস্ৰখন সম্পদশালী দেশ জয় কৰাৰ পাছতো আন দেশ আক্ৰমণ তথা জয় কৰাৰ ইচ্ছা মনৰপৰা নুগুচে, আৰু মনৰ শান্তিও ঘূৰাই নাপায়, অসুখো ভাল নহয়। বোধিসত্ত্বই ৰজাক ক'লে।

এই ঘটনাৰ পাছৰপৰা ৰজাৰ অসুখ অলপ অলপকৈ ভাল হ'বলৈ ধৰিলে।

তাৰপিছত বোধিসত্ত্বৰ উপদেশ মতে চলিবলৈ আৰম্ভ কৰাৰ পিছৰ পৰা ৰজা ভাল হৈ আহিবলৈ ধৰিলে। এটা সময়ত তেওঁৰ মূৰৰ বিকৃতি একেবাৰে নোহোৱা হৈছিল আৰু তেওঁ সুকলমে ৰাজ্য শাসন কৰিব পাৰিছিল।

সময়োচিত বোধ

বিক্ৰমসেন কাশ্মীৰৰ ৰজা আছিল। তেওঁ ৰাজসভাত এদিন পণ্ডিত্যসকলৰ সৈতে চৰ্চাত নিমগ্ন আছিল। সেই সময়ত দূৰ দেশৰপৰা এজন পণ্ডিত তালৈ আহিছিল। তেওঁ ৰজাৰ অনুমতি লৈ সংস্কৃতত এটি স্বৰচিত শ্লোক শুনাইছিল। সেই শ্লোকত সময়োচিত বোধশক্তিৰ গুৰুত্ব দিয়া হৈছিল।

"যেতিয়া যি কাম কৰিব লাগে সেইটো জানি লৈ কৰিলে সেই কাম ফলদায়ক হয়। তাকে নকৰি মিছাতে কাম কৰিলে কোনো ফল পোৱা নাযায়।" এই শ্লোকৰ সেইটোৱেই ভাবাৰ্থ আছিল। ৰজাৰ শ্লোকটো খুব ভাল লাগিল। পণ্ডিতজনক তেওঁ আদৰ সৎকাৰ কৰিলে আৰু তেওঁক মূল্যবান উপহাৰ প্ৰদান কৰিলে। ইয়াৰ পাছত তেওঁ ৰাজসভাক সম্বোধি এটা প্ৰশ্ন সুধিলে যে এই কথা কেনেকৈ জানিব পাৰি যে "অমুক কামটো অমুক সময়ত কৰা উচিত?"

সভাত উপস্থিত জ্যোতিষীয়ে ক'লে, "গ্ৰহৰ গতি অনুসাৰে এই কথা ক'ব পৰা যায়।" আৰু এজন পণ্ডিতে ক'লে, "অভিজ্ঞ পণ্ডিতক সুধিলেই সেই কথা জানিব পাৰি।" সভাত উপস্থিত পণ্ডিতসকলে নিজ নিজ অভিমত ব্যক্ত কৰিলে। পণ্ডিতসকলে দিয়া এটা উত্তৰো ৰজাৰ মনঃপুত নহ'ল। তেওঁ পণ্ডিতসকলক ক'লে, "ঠিক আছে, আকৌ কেতিয়াবা এই লৈ চৰ্চা কৰিম।" সেই দিনাৰ বাবে ৰাজসভা সমাপ্ত হ'ল।

কিছু দিন পাৰ হৈ গ'ল। বিক্ৰমসেন এদিন মন্ত্ৰীক লগত লৈ এখন জংঘললৈ গৈছিল। তাত তেওঁ এখন সুন্দৰ আশ্ৰম দেখিলে। তেওঁ দেখিলে যে আশ্ৰমৰ সমীপত এজন সাধুৱে মাটি খান্দি আছে। ৰজাই ওচৰলৈ গৈ সাধুক নমস্কাৰ কৰিলে।

"মহাশয়, আপুনি তপস্বী আৰু জ্ঞানী, মোৰ এটা সন্দেহ দূৰ কৰিবলৈ আপুনি অনুগ্ৰহ কৰি অলপ কষ্ট কৰিবনে?"

ৰজাই সুধিলে।

ভূষণ

সাধুৱে মূৰ দাঙি চালে আৰু অলপ সময় ৰজালৈ চাই ৰ'ল। তাৰপিছত হাঁহি মাৰি নিজৰ কামত লাগি গ'ল।

তেতিয়া ৰজাই বিনয়েৰে সুধিলে, "মানুহে কয় সময়োচিত বোধশক্তি থাকিব লাগে। সেই সময়ৰ কথানো মানুহে জানিব কেনেকৈ?"

সাধুৱে আকৌ এবাৰ ৰজাৰ ফালে চাই মিচিকিয়াই হাঁহিলে। বিক্ৰমসেনে ভাৱিলে সাধুৱে নিশ্চয় মৌনব্ৰত পালন কৰিছে আৰু সেয়েহে একো নোকোৱাকৈ ৰাজভৱনলৈ ঘূৰি আহিল।

পিছদিনা ডাঙৰ বৰষুণ আহিল। ৰজা আশ্ৰমলৈ যাব খুজিছিল, কিন্তু যাব নোৱাৰিলে। তৃতীয় দিনা বৰষুণ বন্ধ হ'ল আৰু পৰিবেশ খুব শীতল আৰু প্ৰশান্ত হৈ উঠিল। এইবাৰ ৰজাই অকলে আশ্ৰমলৈ গ'ল। সেই সময়ত সাধুৱে চহোৱা মাটি সমতল কৰি গছপুলি ৰুই আছিল।

বিক্ৰমসেনে সাধুক প্ৰণাম কৰিলে আৰু সুধিলে, "স্বামী, কৃপা কৰি এইবাৰ মোৰ প্ৰশ্নৰ উত্তৰ দিয়ক। মই যোৱাবাৰ আহোতে আপোনাক সুধিছিলো কোনটো কাম কেতিয়া কৰিব লাগে সেই কথা কেনেকৈ জানিব পাৰি?"

সাধুৱে যথাৰীতি নিজৰ কামত লাগিল। তাৰপিছত মূৰ দাঙি ৰজালৈ চাই ক'লে, "মহাৰাজ, আপোনাৰ প্ৰশ্নৰ উত্তৰ মই পৰহিয়েই দিছো, কিন্তু আপুনিহে বুজি নাপালে।"

"মই বুজা নাই স্বামী, অনুগ্ৰহ কৰি পৰিস্কাৰকৈ বুজাই দিয়ক।" বিক্ৰমসেনে বিনয়েৰে ক'লে।

"তাৰ ব্যাখ্যা হ'ল এইটো," এইবুলি কৈ সাধুৱে নিজৰ কামত ধৰিলে।

সাধুৰ কথাত, ব্যৱহাৰত বিক্ৰমসেনৰ সন্দেহ এইবাৰ দূৰ হ'ল। তেওঁ এই কথা ভাৱি বহি নাথাকে যে সময় আহিছে নে নাই। যিটো কাম কৰিব লাগে, সেইটো আৰম্ভ কৰি দিয়া উচিত। যিদৰে সাধুৱে ৰোপণ কৰা গছপুলিক বৰষুণে সহযোগ কৰিলে, সেইদৰে যি কাম আমি কৰো, তাক সময়েও সহযোগ কৰে আৰু ইয়েই সত্য।

নিজৰ প্ৰশ্নৰ উত্তৰ লাভ কৰি বিক্ৰমসেন বৰ সন্তুষ্ট হল। তেওঁ অতি আনন্দমনেৰে তাৰ পৰা ৰাজপ্ৰসাদলৈ উভতি আহিল।

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ – ৪৭

(১৬ বছৰতকৈ কম বয়সৰ ল'ৰা – ছোৱালীৰ বাবে)

সঠিক উত্তৰ দিওঁতা জনক ₹২৫০/– টকাৰ পুৰস্কাৰ দিয়া হ'ব।*

***যদি সম্পূৰ্ণ সঠিক উত্তৰ দিওঁতা এজনতকৈ বেচি হয়, প্ৰত্যেকজন সফল প্ৰতিযোগীক ₹৫০/– টকাকৈ পুৰস্কাৰ দিয়া হ'ব।**

তুমি কি কৰিব লাগিব:

১)এখন কাগজত উত্তৰবোৰ লিখা।

২)তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে ঘৰৰ সম্পূৰ্ণ ঠিকনা লিখা।

৩)লেফাফাৰ ওপৰত চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ-৪৭ লিখা।

৪)তোমাৰ উত্তৰ ৩১ জানুৱাৰীৰ ভিতৰত পাব লাগিব।

৫) সঠিক উত্তৰ মাৰ্চ, ২০১৩ মাহৰ সংখ্যাত প্ৰকাশ কৰা হ'ব।

পুৰাণৰ বিষয়ে

১. ভগৱান বিষ্ণুৰ বাসস্থান বৈকুণ্ঠৰ দুৱাৰত দুজন দুৱাৰৰখীয়া থাকে। সেই দুৱাৰৰখীয়া দুজনৰ নাম কি?

২. ঋষিলৈ পৰিৱৰ্তিত হোৱাৰ আগতে তেওঁ আছিল এজন ডকাইত। তেওঁ কোন?

৩. ৰজা অম্বৰীশক এজন ঋষিয়ে শ্ৰীকৃষ্ণৰ সুদৰ্শন চক্ৰৰ আঘাতত পৰা বচাবলৈ যাওতে বেছ ভূগিবলগীয়া হৈছিল। সেই ঋষিগৰাকী কোন আছিল?

৪. দেৱ আৰু দানৱৰ গুৰুৰ নাম কি?

৫. সপ্ত-ঋষিসকলৰ নাম কোৱা।

৬. পদ্মাৱতীৰ লগত হোৱা বিবাহত খৰচ কৰিবৰ বাবে ভগৱান শ্ৰীনিৱাসক কোনে ধন ধাৰলৈ দিছিল?

৭. চিত্ৰগুপ্ত কোন?

৮. মহিষাসুৰ, নৰকাসুৰ আৰু তাতকক কোনে বধ কৰিছিল?

৯. 'একদন্ত' বুলি কাক অভিহিত কৰা হয়?

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ–৪৪, চেপ্তেম্বৰ, ২০১২ চনৰ উত্তৰ:

১. কুমেৰু আৰু সুমেৰু মহাসাগৰ, ২. ভাৰত মহাসাগৰ, বংগোপসাগৰ আৰু আৰব সাগৰ, ৩. এজিয়ান সাগৰ, ৪. ব্লেক ছী, ৫. আটলাণ্টিক মহাসাগৰ, ৬. টিমোৰ সাগৰ ৭. ভূমধ্য সাগৰ, ৮. মাৰমাৰা সাগৰ, ৯. প্ৰশান্ত মহাসাগৰ, ১০. য়েল্ল' ছী.

২০১২ চনৰ চেপ্তেম্বৰ মাহৰ সাধাৰণ জ্ঞান (GK) কুইজ প্ৰতিযোগীতাৰ কোনো বিজেতা নাই।

মই কি হ'ব পাৰো ?



তোমালোকৰ প্ৰিয় আলোচনী চান্দমামাত সকলোৱে নানা ধৰণৰ কাহিনী পঢ়িবলৈ পোৱা। কোনে আৰু কেনেকৈ এই কাহিনীবিলাক ৰচনা কৰে সেইবিষয়ে ভাৱি চাইছানে? এই কামটো পেশা হিচাপে লবৰ বাবে উপযুক্তনে?

সৰু কালৰে পৰা কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিলে ই শিশু মনৰ উপযুক্ত বিকাশত সহায় কৰে। উচ্চ মানদণ্ডৰ কাহিনীসমূহে শিশুৰ কল্পনাশক্তি, শব্দ জ্ঞান, সাধাৰণ জ্ঞান আদি বৃদ্ধি কৰাৰ লগতে শিশুৰ মনৰ সামগ্ৰিক বিকাশতো বৰঙণি আগবঢ়ায়। সেইবাবে, এজন শিশু সাহিত্যিক বিশেষ কৌশল সমৃদ্ধ হোৱাৰ উপৰিও শিশুৰ মনস্তত্ব বুজি পোৱা বিধৰ লোক হব লাগিব। শিশু সাহিত্যিক শক্তিশালী লিখন শৈলীৰ অধিকাৰী আৰু শিশুৰ ৰুচি বুজি সহজ সৰল ভাষাত কাহিনী বৰ্ণনা কৰিব পৰা হব লাগিব। প্ৰাপ্তবয়স্ক লোকৰ তুলনাত শিশুৰ মনোযোগ কাল চুটি আৰু সেইবাবে শিশু সাহিত্যিকসকল ভাষাৰ ক্ষেত্ৰত সৃজনীশীল হোৱা প্ৰয়োজন। শিশুৰ বাবে তোমালোকে যিয়েই নিলিখা কিয়, তাক আকৰ্ষণীয়ভাৱে উপস্থাপন কৰিলেহে লিখক হিচাপে সফল হব পৰা যায়।

কাহিনী লিখকৰ বাবে সুবিধাৰ কোনো অভাৱ নাই। বিশেষকৈ শিশুৰ বাবে কাহিনী ৰচনা কৰা সাহিত্যিকৰ বেছ চাহিদা আছে। আমাৰ দেশত অসংখ্য শিশু আলোচনী প্ৰকাশ পায় আৰু কাহিনী লিখকসকলে তেওঁলোকৰ কাহিনীৰ মানদণ্ড অনুসৰি বেছ উচ্চহাৰত মাননি লাভ কৰে। শিশুৰ বাবে কাহিনী ৰচনা কৰোতে লিখকে প্ৰথমে কোন বয়সৰ শিশুৰ বাবে ৰচনা কৰিছে সেই কথা স্থিৰ কৰি লব লাগে। ই অতিশয় গুৰুত্বপূৰ্ণ বিষয়। দ্বিতীয়তে মনোযোগ দিবলগীয়া বিষয় হ'ল কাহিনীত ব্যৱহাৰ কৰা ভাষা। লগতে কাহিনী শুদ্ধ জ্ঞান দিব পৰা ধৰণৰ হব লাগে।

শিশুৰ বাবে কাহিনী ৰচনা কৰাৰ ক্ষেত্ৰত এটা বৰ সুবিধাজনক কথা হ'ল এই যে লিখকে নিজৰ ঘৰত বহিয়েই আজৰি সময়ত এই কাম কৰিব পাৰে। ইয়াৰ বাবে লিখকে আন চাকৰি কৰাসকলৰ দৰে দৈনিক কোনো নিৰ্দিষ্টস্থানলৈ যোৱাৰ প্ৰয়োজন নাই। বৰ্তমান, ছপা আৰু অনলাইন আলোচনীৰ (ৱেবছাইট আৰু পৰ্টেল) চাহিদা দিনক দিনে দ্ৰুতগতিত বৃদ্ধি পাব ধৰিছে। পাঠ লিখন উদ্যোগৰ (কন্টেন্ট ৰাইটিং) লগত জড়িত আন চাকৰিবিলাক হ'ল- বেৱ কন্টেন্ট লিখক, ৱেব কপিএডিটৰ, সৃজনীশীল লিখক, ভ্ৰমণমূলক পাঠ লিখক, গৱেষণামূলক পাঠ লিখক, কাৰিকৰী পাঠ লিখক, অনুৱাদক, আৰ্হি কাকত চাওতা আৰু ব্লগ লিখক।

আশাকৰো তোমালোকে এইবিষয়ৰ নানা লেখা বিচাৰি পঢ়িবা। বৰ্তমান আমাৰ ভাৰততে বহু লিখকৰ প্ৰয়োজন আছে।

–ছাই

উদীয়মান তাৰকা



যদি আপুনি আপোনাৰ পৰিয়াল বা ওচৰ-পাজৰৰ কোনো শিশুক উদীয়মান তাৰকা হিচাপে পোহৰলৈ আনিব বিচাৰে, তেন্তে শিশুজনৰ বিৱৰণ আৰু আপোনাৰ যোগাযোগৰ বিৱৰণ আমালৈ লিখি নিম্নোক্ত ঠিকনাত প্ৰেৰণ কৰক:

Young Achievers-RCM,
Chandamama India Ltd,
No:2 Ground Floor,
Swathi Enclave,
Amman koil street,
Vadapalani, Chennai-26
(or)
online@chandamama.com

সংগীত বিস্ময়

মাষ্টৰ সাৰ্থক কলয়ানিৰ জন্ম হয় ১২-০১-২০০০ তাৰিখে। এই পৱিত্ৰ দিনটো হ'ল স্বামী বিবেকানন্দ জয়ন্তী। যেতিয়া সাৰ্থকৰ বয়স কেৱল এবছৰ আছিল, তেওঁৰ সৰু কীবোৰ্ডখনৰ সকলো শব্দক চিনি পাইছিল আৰু বজাবলৈ আৰম্ভ কৰিছিল। পিতৃ-মাতৃয়ে তেওঁক তাৰপিছত সংগীতৰ শিক্ষা দিয়াবলৈ আৰম্ভ কৰে। তেওঁ ৫ বছৰ বয়সৰ পৰাই ভাৰতীয় ধ্ৰুপদী সংগীতৰ শিক্ষা লৈ আছে। তেওঁ ইন্দোৰৰ চৰকাৰী সংগীত মহাবিদ্যালয়ৰ পৰা ভাৰতীয় ধ্ৰুপদী সংগীতৰ তিনিবছৰীয়া ডিপ্লমা পাঠ্যক্ৰম সম্পূৰ্ণ কৰিছে।

সাৰ্থকে সকলো ধৰণৰ সংগীত শিকি আছে। আজি সাৰ্থকে ৰাষ্ট্ৰীয় আৰু আন্তৰ্ৰাষ্ট্ৰীয় পৰ্যায়ত নিজৰ চিনাকি দাঙি ধৰিবলৈ সক্ষম হৈছে। ৮ বছৰ বয়সতে সাৰ্থকে কিশোৰ কুমাৰ, মহম্মদ ৰফি, মুকেশ, য়েচুদাস আদিৰ দৰে বিখ্যাত গায়কৰ ২১টা গীত গাব পাৰিছিল। সাৰ্থকক মধ্যপ্ৰদেশৰ মন্ত্ৰী শ্ৰীকৈলাশ বিজয়বৰগিয়াই 'বিস্ময়কৰ শিশু-২০০৮' পুৰস্কাৰেৰে সম্বৰ্ধিত কৰে। তেওঁক থলাছেমিয়া আৰু শিশু কল্যাণ সন্থায়ো সম্বৰ্ধনা জনায়। সাৰ্থকে গোৱালিয়ৰত অনুষ্ঠিত হোৱা যুব মহোৎসৱ-২০১০ত সংগীত পৰিৱেশন কৰে। তেওঁ ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত কৰা লতা মংগেশকাৰ অলংকৰণ অনুষ্ঠানলৈও নিবাচিত হয়। গোৱালিয়ৰত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱৰ লঘু সংগীত শাখাত সাৰ্থকে প্ৰথম স্থান লাভ কৰে। এজন ছাত্ৰ হিচাপেও সাৰ্থক বেছ মেধাবী। তেওঁ সদায় শ্ৰেণীত প্ৰথম স্থান লাভ কৰে।



কৌতুক

পিতৃ: সুনীল, তোমাৰ বেছিকৈ দাঁতৰ বিষ হলে আমি ডাক্তৰৰ ওচৰলৈ যোৱা উচিত। আশাকৰো তুমি এই কথা শুনি ভয় খোৱা নাই।

সুনীল: মই ভয় খোৱা নাই দেউতা।

পিতৃ: সেয়াহে ভাল ল'বাৰ কথা। ডাক্তৰৰ ওচৰলৈ গলে তোমাৰ একো নহয়।

সুনীল: তেন্তে ডাক্তৰৰ ওচৰলৈ গৈ কি লাভ আছে?

"মা, মই তাত থকা চুইমিং পুলটোত সাঁতুৰিবলৈ অনুমতি পামনে?"

"নহয়, তুমি তেনে কৰিব নোৱাৰা। সেইটো বৰ দ আৰু সেইবাবে সেইটো বিপদজনক।"

"তেনেহলে দেউতাই তাত কিয় সাঁতুৰি আছে?"

"তোমাৰ দেউতাৰ জীৱন বীমা কৰোৱা আছে নহয়।"

ৰীতা: মা, মই আজি আমাৰ অংকৰ শিক্ষকক এজন বন্ধুৰ দুষ্টমিৰ পৰা ৰক্ষা কৰিলো।

মাক: বৰ ভাল কথা। তুমি কি কৰিলানো?

ৰীতা: আমাৰ বন্ধু এটাই তেওঁ বহা চকীখনতে এটা গজাল থৈ দিছিল। তেওঁ তাত বহিবলৈ লওতেই মই চকীখন টান মাৰি আঁতৰাই দিলো।

শৰ্মিলা: ববিতা, মোৰ পুত্ৰৰ ব্যৱহাৰ পাতি বৰ ভাল।

ববিতা: সেয়া কেনেকৈ সম্ভৱ। তেওঁক পাঁচবছৰৰ কাৰাদণ্ড দিয়া নাছিল জানো?

শৰ্মিলা: সেয়া হয়, কিন্তু দুবছৰৰ পিছতে জেলৰ ভিতৰত ভাল ব্যৱহাৰ কৰাৰ বাবে মুক্তি পালে।

পতিক উদ্দেশ্যি পত্নী: উঠাচোন। সম্ভৱ ঘৰৰ দুৱাৰ ভাঙি চোৰ সোমাইছে। সিঁহতে বোধহয় পাকঘৰৰ সোমাই যোৱা ৰাতি থাকি যোৱা খোৱা বস্তুবিলাক খাইছে।

পতি: হয় নেকি? তেনেহলে চিন্তাৰ কোনো কাৰণ নাই। ফোন কৰি এম্বুলেঞ্চ এখন মতাহে ভাল হব।

কথাৰ মালিহা

তুমি বাৰু কেইটা ভাৰতীয় ভাষা জানা ? এতিয়া চান্দমামাৰ সহায়ত ভাষা শিকা আৰু প্ৰত্যয়েৰে ভাৰতৰ অন্বেষন কৰা !

English	I used the bathroom	Will you stop?
Assamese	মই গা-ধোৱাঘৰটো ব্যৱহাৰ কৰিছিলো	তুমি ৰ'বানে ?
Bengali	আমি শৌচাগারটি ব্যবহার করেছি। আমি শৌচাঘৰটি ব্যৱহাৰ কৰেছি।	তুমি কি থামবে? তুমি কি থামবে ?
Kannada	ನಾನು ಬಚ್ಚಲು ಮನೆ ಉಪಯೋಗಿಸಿದೆ. নানু বচ্চালু মনে উপয়োগিসিডে.	ಸ್ವಲ್ಪ ನಿಲ್ಲಿಸ್ತೀಯಾ? স্বল্প নিল্লিষ্টিয়া ?
Hindi	मैंने बाथरूम का उपयोग किया। মেইনে বাথৰুম কা উপয়োগ কিয়া.	क्या आप रुकेंगे ? ক্যা আপ ৰুকেংগে ?
Gujarati	મેં બાથરૂમ વાપર્યું মে বাথৰুম ভাপৰয়ুন.	તમે બંધ કરશો? তমে বন্ধ কৰশো ?
Malayalam	ഞാൻ ആ കുളിമുറിയിൽ പോയി. অনজন আ কুলিমুৰিয়িল পোয়ি.	നിങ്ങളൊന്നു നിൽക്കുമോ? নিনগলোন্নু নিকুমু ?
Marathi	मी स्वच्छतागृहाचा उपयोग केला. মি স্বাচটাগৃহচ উপয়োগ কেল.	तू बंद करशील का? তু বন্দ কৰচিল ক ?
Oriya	ମୁଁ ସ୍ନାନାଗାର ବ୍ୟବହାର କଲି। মুন স্নানাগাৰ ব্যৱহাৰ কলি।	ତୁମେ ଚୁପ୍ ହେବ କି? তুমি চুপ হেবা কি ?
Sanskrit	अहं स्वच्छतागृहस्य उपयोगं कृतवान्/कृतवती। অহম স্বছতগৃহষ্য উপয়োগম কৃতৱন/কৃতৱতী।	अपि त्वं विरमसि? অপি তভৱম বিৰামসি ?
Tamil	நான் குளியல் அறையில் குளித்தேன். নান কুলিল অৰইয়িল কুলিথেন.	நீ நிறுத்துவாயா? নী নিৰুতথুভায়া ?
Telugu	నేను స్నానపు గదిని ఉపయోగించాను নীনু স্নানপু গদিনি উপয়গিনচানু.	మీరు ఆపుతారా? মীৰু আপুথাৰা ?

English	Are you joining me?	A better chance
Assamese	তুমি মোৰ লগত যোগ দিবানে ?	এটা খুব ভাল সুবিধা
Bengali	তুমি কি আমার সাথে যোগ দিচ্ছ? তুমি কি আমাৰ সাথে যোগ দিছ ?	একটা আরও ভাল সুযোগ। একোটা আৰু ভাল সুযোগ ।
Kannada	ನೀನು ನನ್ನ ಜತೆ ಬರುತ್ತೀಯಾ? নানু নান্না যতে বৰয়েত্তিয়া ?	ಒಳ್ಳೆಯ ಅವಕಾಶ. উল্লেয়া অৱকাশ.
Hindi	क्या आप मेरे साथ आएँगे ? ক্যা আপ মেৰে সাথ জায়েংগে ?	बेहतर अवसर বেহতৰ অৱছৰ.
Gujarati	તમે મારી સાથે જોડાવ છો? তমে মাৰী সাথে জোড়াৱ চো ?	એક વધુ સારી તક এক বধু সাৰী তক.
Malayalam	നിങ്ങൾ എന്നോടൊപ്പം വരുന്നോ? নিনগল ইন্নুদুপ্পম ভৰুন্নু ?	ഒരു നല്ല അവസരം ওৰু নল্লা অৱসৰম.
Marathi	तू माझ्याबरोबर येणार आहेस का? তু মাজয়াবাৰোবৰ য়েনাৰ আহেচ কা ?	एक चांगली संधी এক চাংগলি সন্ধি
Oriya	ତୁମେ ମୋ ସହିତ ଯୋଗ ଦେବ କି? তুমি মো সহিত যোগ দেৱা কি ?	ଭଲ ସୁଯୋଗ ভাল সুযোগ ।
Sanskrit	किं मया सह आगच्छसि ? কিম ময় সহ্ আগচ্যসি ?	उत्तम: अवसर:। উত্তমহ্ অৱসৰহ্।
Tamil	என்னுடன் சேர்ந்து கொள்கிறாயா? ইনুদন সেৰন্ধু কোলগিৰায় ?	ஒரு நல்ல வாய்ப்பு. ওৰু নাল্লা ভাইপু.
Telugu	మీరు నాతో కలుస్తారా? মীৰু নাথু কলুচথাৰা ?	ఒక మంచి అవకాశం ওক মানচি অভকাশম.

ভাৰত দৰ্শন

বহু যুগ ধৰি কমিকছক এক বিনোদন মাধ্যম হিচাপে গণ্য কৰা হৈ আহিছে, কিন্তু অদূৰ ভৱিষ্যতে কমিকছ ভাৰতৰ গ্ৰাম্যাঞ্চলত বাস কৰা লোকসকলৰ মাজত কোনো সামাজিক বিষয়ে সম্পৰ্কে সজাগতাৰ সৃষ্টি কৰাৰ ক্ষেত্ৰত এক শক্তিশালী আহিলা হৈ পৰাৰ সম্ভাৱনা আছে। তৃণমূল কমিকছ আন্দোলন হ'ল এনে এক পদক্ষেপ যি কমিকছৰ মাধ্যেমেৰ গ্ৰাম্য অঞ্চলত বাস কৰা কোটি কোটি লোকৰ মাজত সমাজ সচেতনতাৰ সৃষ্টি কৰাৰ আঁচনি গ্ৰহণ কৰিছে। কমিকছৰ জৰিয়তে এনে প্ৰচাৰ আৰম্ভ কৰাৰ বাবে সমস্যাসমূহ গাওঁবাসীসকলে সহজতেই বুজি পাবলৈ সক্ষম হৈ উঠিব। সৰলভাৱে অংকন কৰা, নানা ভাৰতীয় ভাষাত প্ৰকাশ কৰা সৰু সৰু পুস্তিকাবিলাকে উত্তৰ-পূবৰ অস্থিৰতা, কণ্যা সন্তানৰ অধিকাৰ, শাৰিৰীক শাস্তিৰ ব্যৱহাৰ, শিশুৰ ওপৰত হোৱা যৌন ব্যভিচাৰকে ধৰি বহু সামাজিক সমস্যাক সামৰি লৈছে। ৯০ দশকৰ পৰা আৰম্ভ কৰি, এই কমিকছবিলাক সজাগতা সৃষ্টিৰ ক্ষেত্ৰত এক বিশেষ আহিলা হৈ পৰিছে। আন্দোলনৰ জনক শৰ্মাৰ মতে এই আন্দোলনে ধীৰ গতিত জনপ্ৰিয়তা লাভ কৰি আহিছে যদিও ইতিমধ্যে বেছি সংখ্যক লোকেই জন-সজাগতা সৃষ্টিত কমিকছৰ গুৰুত্ব বুজি উঠিছে। বিশ্ব কমিকছ ফৰাম নামৰ সংস্থা ভাৰতীয় উপ-মহাদেশ, আফ্ৰিকা আৰু দক্ষিণ আমেৰিকাৰ বহু কেইখন দেশত আছে। এই ফৰামেই তৃণমূল কমিকছ আন্দোলনক গ্ৰাম্যাঞ্চলৰ জনসাধাৰণৰ মাজত জনপ্ৰিয় হৈ উঠাত বৰঙণি যোগাই আহিছে।

পঞ্জাৱী লাচ্ছি আৰু দৈ গাখীৰে কেৱল পঞ্জাৱৰ খেলুৱৈসকলক প্ৰতিযোগিতাত মেডেল লাভ কৰাত সহায় কৰাই নহয়, জীৱজন্তু বিলাককো নানা ধৰণেৰে উপকৃত কৰিছে। পাতিয়ালাত হোৱা সকলো প্ৰজাতিৰ কুকুৰৰ বাবে মুকলি এক 'কুকুৰ শ্ব'ত ভাগ লোৱা বেছিভাগ কুকুৰৰ গৰাকীয়েই তেওঁলোকৰ কুকুৰৰ উল্লেখযোগ্য প্ৰদৰ্শনৰ সৰহভাগ কৃতিত্ব দিব খোজে লাচ্ছি আৰু দৈ গাখীৰক। সাধাৰণতে মানুহে এই কথা বিশ্বাস কৰে যে অধিক প্ৰটিন ভক্ষণ কৰা কুকুৰেহে এনে প্ৰতিযোগিতাত ভাল ফল দেখুৱাব পাৰে। কিন্তু পাতিয়ালাৰ এই শ্বত ভাগ লোৱা বেছিভাগ কুকুৰৰ গৰাকীয়েই এই কথা সদৰি কৰে যে তেওঁলোকে কুকুৰক বেছি পৰিমাণৰ গাখীৰজাতীয় খাদ্য খাবলৈ দিছিল।

পাতিয়ালাত সেইদিনা আছিল 'কুকুৰৰ দিৱস'। দেশৰ নানা ঠাইৰ পৰা অহা ৪১ টা প্ৰজাতিৰ ৩১৬ টা কুকুৰ সেইদিনা ৰাজা বলেন্দ্ৰ সিং ষ্টেডিয়ামত পাতিয়ালা কেনেল ক্লাৱে আয়োজন কৰা শ্বৰ বাবে গোট খাইছিল। এইবিলাক কুকুৰৰ ৫৫ টা আছিল বিদেশৰ পৰা আমদানি কৰা। এই বিদেশী কুকুৰৰ উপৰিও তামিলনাডু, মধ্য প্ৰদেশ, উত্তৰপ্ৰদেশ, উত্তৰাখণ্ড, ৰাজস্থান, হাৰিয়ানা, হিমাচল প্ৰদেশ, দিল্লী, জম্মু আৰু কাশ্মীৰৰ পৰা অহা নানা প্ৰজাতিৰ কুকুৰে এই শ্বত অংশ গ্ৰহণ কৰিছিল।





Follow the epic journey of Prince Rama, from his birth to his exile, from the abduction of his wife, Sita, to his great war with the Asura King, Ravana, in Chandamama's latest offering: Ramayana - An Epic Journey.

Price: Rs 449/-

To place an order, go to www.chandamama.com

Chandamama's Ramayana is available only in English at all leading book shops.

বুদ্ধিৰ সাগৰ

বীৰবল

অসম্ভৱ কাম

১. আকবৰৰ দৰবাৰৰ বহুকেইজন সভাসদে বীৰবলক ঈৰ্ষা কৰিছিল। তেওঁলোকে বীৰবল জ্ঞানী নহয় বুলি সম্ৰাটৰ আগত প্ৰমাণ কৰিব বিচাৰিছিল। তেওঁলোকে ভাৱি-চিন্তি এটা উপায় উলিয়ালে।



২. তেওঁলোকে ঠিক কৰিলে যে সম্ৰাটক কোৱা হব যে দণ্ডকাৰণ্যত বলদ গৰুৱেও গাখীৰ দিয়ে। আৰু বীৰবলে তেনে এটা বলদ ধৰি আনি সম্ৰাটৰ সম্মুখত তাৰ গাখীৰ খিৰাই দেখুৱাব লাগিব।

৩. আকবৰে এই কথা শুনি ভাৱিলে যে বীৰবলে যিকোনো কামেই কৰিব পাৰে। গতিকে এই কামৰ ভাৰো তেওঁকেই দিয়া হওক। তেওঁ বীৰবলক কলে যে তেওঁ বলদৰ গাখীৰ খাবৰ বাবে ইচ্ছা কৰিছে।

৪. সম্ৰাটৰ কথা শুনি বীৰবলে বুজি পালে যে তেওঁক বিপদত পেলাবৰ বাবে ষড়যন্ত্ৰ কৰা হৈছে। তথাপিও তেওঁ পিছুৱাই নাহিল আৰু সম্ৰাটক কলে যে তেওঁ সম্ৰাটৰ আদেশ পালন কৰিবলৈ যত্ন কৰিব।



৫. বীৰবল দৰবাৰৰ পৰা বহুদিন আঁতৰি থাকিল। ষড়যন্ত্ৰকাৰীসকল বৰ সুখী হ'ল। তেওঁলোকে ভাৱিলে যে বীৰবৰ এইবাৰ ফান্দত পৰিল। সম্ৰাটে মুৰ্খ বীৰবলক মিছাতে উচ্চ পদ দি ৰাখিছিল।

৬. এদিন বীৰবলৰ জীয়েক ৰাজসভালৈ অহাত সম্রাট আচৰিত হ'ল। তেওঁ সুধিলে যে বীৰবল অৰণ্যৰ পৰা উভতি আহিলেনে নাই। উত্তৰত জীয়েকে কলে যে বীৰবল প্ৰসৱ বেদনাত ভুগি আছিল...

৭. ...আৰু তেওঁ সন্তান প্ৰসৱ কৰিবৰ বাবে গাৱঁলৈ গ'ল আৰু তাতে এটা পুত্ৰ সন্তান জন্ম দিলে। এই কথা শুনি সম্রাটৰ বৰ খং উঠিল। তেওঁ জানিব বিচাৰিলে যে বীৰবলে তেওঁৰ লগত ধেমালি কৰিছে নেকি?



৮. উত্তৰত বীৰবলত জীয়েকে কলে যে যদি দণ্ডকাৰণ্যৰ বলদ গৰুৱে গাখীৰ দিব পাৰে, তেনেস্থলত বীৰবলে সন্তান জন্ম দিব নোৱাৰাৰ কি কাৰণ থাকিব পাৰে।

৯. সম্রাটে বুজিলে যে এইবাৰো বীৰবল জিকিল। তেওঁ বীৰবলক জীয়েকৰ হাতত এই বাৰ্তা প্ৰেৰণ কৰিলে যে বীৰবলে দণ্ডকাৰণ্যৰ বলদ গৰুৰ কথা পাহৰি পিছদিনাৰ পৰাই দৰবাৰলৈ অহা উচিত।

গভীৰ সমূদ্ৰৰ জীৱসমূহ

আচৰিত হলেও সঁচা। গভীৰ সাগৰত থকা তিমি মাছ, ছীল, ডলফিনৰ দৰে কিছুমান জীৱই নীলা ৰঙক দেখা নাপায়। পেলিঅ'ন্তলজিষ্টসকলে (যি ফছিলৰ যোগেদি প্ৰাগৈতিহাসিক জীৱ আৰু উদ্ভিদ অধ্যয়ণ কৰে) এই মত পোষণ কৰে যে পূৰ্বতে তিমিমাছ, ডলফিন আৰু ছীলবিলাকে সাগৰৰ পাৰৰ তৰাং পানীত বাস কৰিছিল, যি ঠাইত থকা শিল, বোকা, বালি আদিয়ে নীলা ৰঙক দৃশ্যমান হোৱাত বাধা দিছিল। সেইবাবে, নীলাৰঙ অবিহনে বস্তুক চোৱাটো সেই জীৱবিলাকৰ অভ্যাসত পৰিণত হৈছিল। ৰঙা ৰঙক চিনাক্ত কৰিব পৰাকৈ মানুহকে ধৰি আন প্ৰাইমেট জীৱবিলাকৰ এক তৃতীয় শংকু (cone) আছে। এই শংকুৰ কোষবিলাকে এটা বস্তু ৰঙৰ সৈতে পৰিস্কাৰকৈ চাবলৈ আমাক সক্ষম কৰি তোলে। আনহাতে দণ্ডিকা কোষে (rod cells) কোনো বস্তুৰ সবিশেষ ধৰিব নোৱাৰাকৈ আন অংশত পৰা পোহৰৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰে। যদিও ডলফিনে নীলা ৰঙ দেখা নেপায়, সিঁহতৰ দৃষ্টি শক্তি মানুহতকৈ বহুগুণে ভাল। সিঁহতে কোনো বস্তু ঘোঁলাপানীতো পৰিস্কাৰকৈ দেখা পায়।

গুপ্তধনৰ বাকচ

এই মাহত আমি তোমাৰ স্ক্ৰেপবুকৰ বাবে কেইখনমান দেশৰ জাতীয় পতাকাৰ ছবি দিছো।

জামনী



পাকিস্থান

ইজিপ্ত



ফ্ৰান্স

শ্ৰীলংকা



আমেৰিকা যুক্তৰাষ্ট্ৰ



INDIA
murugappa
HERCULES
MTB TURBODRIVE
RIDE YOUR PASSION
Play to win on every street
SELECTED
Superbrand
INDIA 2011/12
Consumer Validated
Official bicycle partner of
CHENNAI SUPER KINGS
HERCULES
MTB TURBODRIVE | DIRTRIDER
Turbodrive Chain Wheel | Front Suspension | Intergrated Rear Reflector | Larger Tyres
V-brakes With Alloy Levers | Frame Height: 20" | Available Wheel Size: 26"
Hercules MTB Turbodrive | YouTube bsahercules | www.bsahercules.com
Customer care no.: 1800 102 2324 (Toll Free)

CHANDAMAMA (Assamese) December 2012 Registrar of Newspapers of India No. MAHASS/2010/35906
Licensed to post regd. No. MH/MR/N/134/MBI/10-12 | Published on first of every month.